www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আন্ধাৰ আঁতৰাবলৈ যিদৰে পোহৰৰ প্ৰয়োজন তেনেদৰে ঘৃণা আঁতৰাবলৈ প্ৰয়োজন প্ৰেম। — মাৰ্টিন লুথাৰ কিং

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২০৩ | সোমবাৰ | ২৯ ছেপ্তেম্বৰ, ২০২৫ চন | ১৩ আহিন, ১৯৪৭ শক | VOL - 6 | NO.- 203 | Monday | 29th September, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## প্ৰধানমন্ত্ৰীৰ ২ লাখ টকাৰ এককালীন সাহায্য ঘোষণা

# তামিলনাডুত বিজয়ৰ ৰাজনৈতিক সমাবেশত পদপিষ্ট হৈ ৩৯ জনৰ মৃত্যু



### নিহতৰ পৰিয়াললৈ ২০ লাখ টকাকৈ সাহায্য টিভিকে নেতাজনৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৮ ছেপ্টেম্বৰ ঃ** তামিলনাডুৰ কাৰুৰ জিলাত শনিবাৰ সন্ধিয়া ৰাজনৈতিক দল তামিলাগা ভেট্ৰি কাজাগম (টি ভি কে)ৰ সভাপতি আৰু অভিনয়শিল্পী থকা নেতা জোতিষ্য বিজয়ৰ ৰাজনৈতিক সমাবেশৰ সময়ত সংঘটিত পদপিষ্টৰ ট্ৰেজেডিত অতি কমেও ৩৯জন লোকৰ মৃত্যু হৈছে, যাৰ ভিতৰত ১০জন শিশু আৰু ১৭জন মহিলা অন্তৰ্ভুক্ত। এই ৬ পৃষ্ঠাত



টাই-আহোমক

জনজাতিকৰণৰ দাবী

### শদিয়াত বিশাল প্ৰতিবাদী জোঁৰ সমদল

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৭ ছেপ্টেম্বৰ ঃ** বৰ অসমৰ বুনিয়াদ গঢ়োঁতা খিলঞ্জীয়া টাই আহোম জনগোষ্ঠীক অনুসূচীত জনজাতিৰ মৰ্য্যাদা ৬ পৃষ্ঠাত

জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবী

### শিৱসাগৰত "ৰক্তচহীৰ" অভিনৱ প্ৰতিবাদ

**অসম বাৰ্তা, শিৱসাগৰ, ২৭ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি শিৱসাগৰত ৬ পৃষ্ঠাত

### ইউনেস্ক'ৰ বিশ্ব জৈৱমণ্ডল সংৰক্ষণ তালিকাত হিমাচলৰ ঠাণ্ডা মৰুভূমি

**অনলাইন বাৰ্তা, অসম বাৰ্তা, ২৮ ছেপ্টেম্বৰ ঃ** হিমাচল প্ৰদেশৰ লাহাউল-স্পিটি জিলাত বিস্তৃত ঠাণ্ডা মৰুভূমি ৬ পৃষ্ঠাত

## ▪ ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা হ'ল দেৱী দুৰ্গাৰ প্ৰাণ ▪

# আজি মহাসপ্তমী কালৰাত্ৰিৰ ৰূপত পূজিত হ'ব দুৰ্গতিনাশিনী



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ ছেপ্টেম্বৰ ঃ** আজি মহাসপ্তমী। নৱ পত্ৰিকাৰে দেৱীৰ প্ৰাণ প্ৰতিষ্ঠা কৰি আৰম্ভ হ'ল মহাসপ্তমী পূজা। সংগীত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ বেদনাৰ মাজতে দেৱী দশভূজাৰ বন্দনাৰে মুখৰ হৈছে ৰাজ্য। সমগ্ৰ দেশত দেৱা আৰধনাত ব্যস্ত শক্তিৰ উপাসকসকল। বিল্ববোধনৰ পিছতে দেওবাৰে পৰাম্পৰাগত ৰীতি-নীতিৰে বেদীত প্ৰতিষ্ঠা হ'ল দেৱী দুৰ্গা। কালৰাত্ৰি ৰূপত পূজিত হ'ব দেৱী দশভুজা। ৬ পৃষ্ঠাত



### 'মন কি বাত'ত জুবিনলৈ শ্ৰদ্ধাঞ্জলি প্ৰধানমন্ত্ৰী মোদীৰ

### 'জুবিন গাৰ্গ সদায় উজ্জ্বল নক্ষত্ৰ হৈ ৰ'ব'

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৮ ছেপ্টেম্বৰ ঃ** অসমৰ হৃদয়ৰ স্পন্দন, জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ দহ দিন ৬ পৃষ্ঠাত

'২৬ত নেটফ্লি' আৰু বালাজী টেলিফিল্মছৰ যৌথ প্ৰযোজনা

### জুবিন গাৰ্গৰ জীৱনীভিত্তিক বলিউদ ছবি নিৰ্মাণৰ ঘোষণা

**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ২৮ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ জীৱনৰ কাহিনী এতিয়া বৃহৎ পৰ্দাত উপস্থাপনৰ বাবে প্ৰস্তুত হৈছে। ৬ পৃষ্ঠাত

▪ সিদ্ধাৰ্থ শৰ্মাৰ সৈতে ভাৰতীয় যুৱ মৰ্চাৰ সৈতে কোনো সম্পৰ্ক নাই ▪ স্পষ্টীকৰণ জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি ৰাকেশ দাসৰ

### বিজেপিৰ যুৱ মৰ্চাৰ শীৰ্ষ দায়িত্বত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা !



**অসম বাৰ্তা, গুৱাহাটী, ২৮ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ মেনেজাৰ ৬ পৃষ্ঠাত

বিপিএফৰ বিজয়ী প্ৰাৰ্থীৰ সৈতে সদল বলে জুবিনৰ বাসগৃহত হাগ্ৰামা মহিলাৰী

### বড়োলেণ্ডত জুবিন গাৰ্গৰ স্মৃতিত নিৰ্মাণ হ'ব সুউচ্চ প্ৰতিমূৰ্তি, মেমৰিয়েল পাৰ্ক



**ষ্টাফ ৰিপ'টাৰ, মহানগৰ, ২৮ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ স্মৃতি চিৰস্থায়ী কৰি ৰাখিবলৈ বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিচি)ৰ অধীনত কোকৰাঝাৰত তেওঁৰ এক সুউচ্চ প্ৰতিমূৰ্তি ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী হৈছে অসমৰ বছ, তেওঁক আমন্ত্ৰণ নজনালে কেনেকৈ হ'ব ঃ হাগ্ৰামা মহিলাৰী

### ৰাজ্যপালক সাক্ষাৎ হাগ্ৰামা মহিলাৰীৰ; ৫ অক্টোবৰত শপত গ্ৰহণ

পদত্যাগ পত্ৰ দাখিল প্ৰমোদ বড়োৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ ছেপ্টেম্বৰ ঃ** বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল (বিটিচি) নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ পিছত বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (বিপিএফ)ৰ নেতা হাগ্ৰামা ৬ পৃষ্ঠাত

স্মৃতি সংৰক্ষণৰ বাবে ল'ব বিভিন্ন পদক্ষেপ

### জুবিন গাৰ্গৰ বাসগৃহত প্ৰখ্যাত উদ্যোগপতি গৌতম আদানি



### শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ শোকৰ মাজতে তেওঁৰ কাহিলীপাৰাস্থিত ৬ পৃষ্ঠাত

### কন্যাৰ নামৰ ভুৱা জাতিগতপ্ৰমাণ-পত্ৰ লীনা দলেৰ; দিল্লী বিশ্ববিদ্যালয়ৰ গোচৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ ছেপ্টেম্বৰ ঃ** শেহতীয়াকৈ ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগৰ তদন্তত পোহৰলৈ আহিছে ভয়ংকৰ ৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ মৃত্যুক লৈ ৰাজনীতিৰ অভিযোগ

### জুবিনৰ নশ্বৰদেহ অসমলৈ অনাক লৈ মিছা মাতিছে লুৰীণজ্যোতিয়ে



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ সন্দেহজনক মৃত্যুৰ ঘটনাই অসমৰ ৰাজনৈতিক পৰিস্থিতিক উত্তপ্ত কৰিছে। এই পৰিস্থিতিত বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই যোৰহাটত অসম জাতীয় পৰিষদ (এজেপি)ৰ সভাপতি লুৰীণজ্যোতি গগৈৰ বিৰুদ্ধে ৬ পৃষ্ঠাত

### গোৱালপাৰা ধুপধৰাত আৰক্ষীৰ এনকাউণ্টাৰ; চাৰিজন ডকাইত নিহত



**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৮ ছেপ্টেম্বৰ ঃ** ২৮ ছেপ্টেম্বৰৰ পুৱতিনিশা গোৱালপাৰাৰ ধূপধৰা ৬ পৃষ্ঠাত

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত সহযোগিতাৰ প্ৰতিশ্ৰুতি দি ন্যায়ৰ দাবী

### দ্বিতীয় দিনাও চিআইডি কাৰ্যালয়ত শেখৰজ্যোতি, নিশিতা আৰু অমৃতপ্ৰভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ সন্দেহজনক মৃত্যুৰ ৰহস্য উদঘাটনৰ বাবে চি আই ডিৰ তদন্ত অব্যাহত আছে। বিশেষ তদন্তকাৰী দল (এছ আই টি)ৰ সহযোগিতাত অসমত অবস্থান কৰা অভিযুক্ত সকলোকে জেৰা কৰাৰ লগতে তেওঁলোকৰ বাসগৃহত অনুসন্ধান ৬ পৃষ্ঠাত

## চূড়ান্ত খেলত পাকিস্তানক ৫ উইকেটত ধৰাশায়ী

### এছিয়া কাপৰ খিতাপ দখল ভাৰতৰ; মহচীন নকবীৰ পৰা ট্ৰফী গ্ৰহণ নকৰিলে ভাৰতীয় দলে

**ক্ৰীড়া বাৰ্তা, অসম বাৰ্তা, ২৮ ছেপ্টেম্বৰ ঃ** ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এছিয়া কাপ ২০২৫ৰ ফাইনেলত ভাৰতে পাকিস্তানক ৫ উইকেটৰ ব্যৱধানত পৰাস্ত কৰি নৱমবাৰৰ ৬ পৃষ্ঠাত





### চাফাই মিত্ৰক অভিনন্দন, প্ৰয়োজনীয় সামগ্ৰী প্ৰদান

# যোৰহাটত চাফাই মিত্ৰ সুৰক্ষা শিবিৰ সম্পন্ন

### প্ৰতি পঞ্চায়তত‌ে আৱৰ্জনা সংগ্ৰহৰ বাবে চৰকাৰে প্ৰদান কৰিছে একোখনকৈ বেটাৰীচালিত বাহন




**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৮ ছেপ্টেম্বৰ ঃ** চাফাই মিত্ৰ সুৰক্ষা শিবিৰ ১৭ ছেপ্টেম্বৰৰ পৰা পষেকীয়াকৈ সমগ্ৰ দেশতে অনুষ্ঠিত হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যোৰহাটৰ কাৰ্যালয়ত ২৭ ছেপ্টেম্বৰত এই শিবিৰ অনুষ্ঠিত হয়। কাৰিকৰী বিষয়া সঞ্জয় শইকীয়াই আঁতধৰা শিবিৰত কাৰ্যবাহী অভিযন্তা অজয় লাহনে শিবিৰৰ লক্ষ্য, উদ্দেশ্যৰ সম্পৰ্কে ব্যাখ্যা কৰে। যোৰহাট উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা মাৰলিনা গোৱালা, তিতাবৰ উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা মাধুৰ্য শইকীয়াই চাফাই মিত্ৰসকলৰ দায়িত্ব-কৰ্তব্যৰ লগতে জিলাখনত তেওঁলোকে কৰি থকা কাম-কাজৰ উল্লেখ কৰে। বিভাগৰ জিলা সমন্বয়ক ৰূপক কুমাৰ গগৈ, ন'ডেল বিষয়া নৱজিৎ দত্ত, কাৰিকৰী বিষয়া সঞ্জয় শইকীয়াৰ বিশেষ উদ্যোগত অনুষ্ঠিত স্বচ্ছতা হি সেৱা-২০২৫ ৰ অধীনত অনুষ্ঠিত চাফাই মিত্ৰ সুৰক্ষা শিবিৰত অংশগ্ৰহণ কৰি সাহপুৰীয়া গাঁও খোৱাপানী যোগান আঁচনি উপভোক্তা সমিতিৰ সভাপতি ৰমেন শইকীয়াই গ্ৰাম্যাঞ্চলত চাফাই মিত্ৰসকলে পঁচি যোৱা আৰু পঁচি নোযোৱা আৱৰ্জনা সংগ্ৰহৰ বাবে কৰিবলগীয়া কামৰ উল্লেখ কৰে আৰু গ্ৰাম্যাঞ্চলত সঘনাই অনুষ্ঠিত হৈ থকা অনুষ্ঠানত দুটাকৈ ডাষ্টবিন প্ৰতিষ্ঠা কৰিলে সহজতে আৱৰ্জনাবোৰ পৃথককৈ সংগ্ৰহ কৰাত সুবিধা হ'ব আৰু প্ৰতি ঘৰতে পৰিয়ালটোৰ দ্বাৰা তেনে ডাষ্টবিন দুটাকৈ প্ৰতিষ্ঠা কৰাই ল'লে চাফাই মিত্ৰসকলে আৱৰ্জনাবোৰ সহজতে সংগ্ৰহ কৰিব পাৰিব আৰু বাঞ্ছিত লক্ষ্যত সফল হোৱাৰ আশা প্ৰকাশ কৰে। উল্লেখ্য, চাফাই মিত্ৰসকলে আৱৰ্জনাবোৰ সংগ্ৰহৰ বাবে প্ৰতিখন পঞ্চায়তত চৰকাৰে একোখনকৈ বেটাৰীচালিত গাড়ী দিছে। তদুপৰি, চাফাই মিত্ৰসকলক আত্মসহায়ক গোট আৰু বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠানৰ পৰা ৫গৰাকীকৈ স্বচ্ছতা মিত্ৰক মনোনীত কৰি লোৱা হৈছে। তেওঁলোকে চলিত ছেপ্টেম্বৰ মাহটোত ইতিমধ্যে কাৰ্য ৰূপায়ণ কৰিলে। তেওঁলোকৰ লগতে কাৰ্যালয়টোত কৰ্মৰত চাফাই কৰ্মীসকলক উক্ত শিবিৰতে বিষয়া আৰু আমন্ত্ৰিত লোকসকলে গ্ৰাম্যাঞ্চলত চাফাই মিত্ৰসকলক সহজতে চিনি পাবলৈ একোটাকৈ টুপি পিন্ধাই দিয়াৰ লগতে গামোচা আৰু প্ৰয়োজনীয় সামগ্ৰীৰ একোটাকৈ টোপোলা প্ৰদান কৰি অভিনন্দন জনায়। উল্লেখ্য, তাৰপাছতে অনুষ্ঠিত চিকিৎসা শিবিৰত ডাক্তৰ কুমাৰ মানসজ্যোতি, নাৰ্চ হেমাংগী পাঠক, সহায়ক মনোৰঞ্জন কলিতাই সকলোৰে স্বাস্থ্যৰ লগতে ছুগাৰ, প্ৰেছাৰ আদি পৰীক্ষা কৰি ব্যৱস্থা-পত্ৰ লিখি কৰে। স্বাস্থ্য বিভাগৰ যোৰহাটৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ পৰা অংশগ্ৰহণ কৰা দলটোৱে স্বচ্ছ নাৰী, স্বচ্ছ পৰিবাৰ বিষয়ত বক্তৃতা প্ৰদান কৰাৰ লগতে সকলোকে সু-স্বাস্থ্যবান হৈ থকাৰ কৌশল শিকায়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যোৰহাট সংমণ্ডলৰ সকলো বিষয়া-কৰ্মচাৰী শিবিৰত উপস্থিত থাকে। মহা মানৱ মহাত্মা গান্ধীৰ আগন্তুক জন্মদিনৰ লগত সংগতি ৰাখি ২ অক্টোবৰত এই শিবিৰৰ সমগ্ৰ দেশতে সামৰণি পৰিব।

### গণশিল্পী জুবিন গাৰ্গৰ নামত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

# পীতাম্বৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ '২৫ বৰ্ষৰ নৱাগত আদৰণী সভা সম্পন্ন

### প্ৰাচীৰ পত্ৰিকা 'জোনাক' উন্মোচন; মুকলি সভাত শ্ৰেষ্ঠ স্নাতক ৰিমঝিম কোঁচক বনমালি বেজ সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান



**অসম বাৰ্তা, উজনী মাজুলী, ২৮ ছেপ্টেম্বৰ ঃ** মাজুলীৰ আগশাৰীৰ উচ্চ শিক্ষা অনুষ্ঠান পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয়ৰ ২০২৫ বৰ্ষৰ নৱাগত আদৰণী সভাখন আজি মহাবিদ্যালয়খনত অনুষ্ঠিত হয়। নৱাগত আদৰণী সভা উপলক্ষে আজি পুৱা মহাবিদ্যালয়ত পৰিৱেশ পৰিষ্কাৰ কৰে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ছাত্ৰ-ছাত্ৰীসকলে। তাৰপিছত গছপুলি ৰোপণ কৰে মহাবিদ্যালয়ৰ উচ্চ বৰ্গ সহায়ক জিতুমণি বৰাই। পুৱা ন বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ অৰূপজ্যোতি শইকীয়াই। ছহিদ তৰ্পণ কৰে গড়মুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক অভিজিত ভূঞাই। তাৰপিছত মহাবিদ্যালয়ৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়ৰ মূল তোৰণৰ পৰা ধূপ, দীপ, বন্তি জ্বলাই ফুল চন্দনৰে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষক শিক্ষয়িত্ৰীসকলে আদৰণী জনায়। পুৱা দহ বজাত নৱাগত আদৰণী সভা উপলক্ষে প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা জোনাক উন্মোচন কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা জানমণি সেনাপতিয়ে। দুপৰীয়া এঘাৰ বজাত ন - পুৰণি ছাত্ৰ ছাত্ৰীসকলৰ মাজত অন্তৰংগ আলাপ অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যাপক যদু কলিতাই পৰিচালনা কৰা উক্ত অন্তৰংগ আলাপ অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিজৰ প্ৰতিভাসমূহ প্ৰদৰ্শন কৰে। দুপৰীয়া বাৰ বজাৰ পৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত নৱাগত আদৰণী সভাৰ মুকলি সভা অনুষ্ঠিত হয়। উক্ত, মুকলি সভাৰ পূৰ্বে মহান শিল্পী জুবিন গাৰ্গৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰি উপস্থিত সকলোৱে জুবিন গাৰ্গৰ "মায়াবিনী ৰাতিৰ বুকুত"- পৰিৱেশন কৰে। তাৰপিছত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত সংগীতৰে শুভাৰম্ভ হোৱা উক্ত মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ অৰূপজ্যোতি শইকীয়াই। যদু কলিতাই আঁত ধৰা মুকলি সভাখন উদ্বোধন কৰে পীতাম্বৰদেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে। সভাত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক কুনাল গামে। সভাত, নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ গজেন বৰাই। তেওঁ ছাত্ৰ ছাত্ৰীসকলক উদ্দেশ্যী অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। সভাত বিশিষ্ট অতিথি হিচাপে পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয়ৰ অধ্যাপিকা মাইনু পায়ুন আৰু মায়ুমী শইকীয়াই ভাষণ প্ৰদান কৰে। উক্ত মুকলি সভাতে পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতক, শিক্ষা তত্ত্ব বিভাগৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পৰীক্ষা দি মহাবিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা ৰিমঝিম কোঁচক বনমালি বেজ সোঁৱৰণী শ্ৰেষ্ঠ স্নাতক বঁটা -২০২৫ দাতা -( জিতু পৱন বেজ) আৰু কাংকান মৰাঙক মাকন বৰা সোঁৱৰণী শ্ৰেষ্ঠ নৱাগত বঁটা -২০২৫, ( দাতা - জিতুমণি বৰা) ক প্ৰদান কৰা হয়। উক্ত, মুকলি সভাত ভায়লিনা ভঁৰালীয়ে বৰগীত, মহাবিদ্যালয়ৰ অধ্যাপিকা জানমণি সেনাপতিৰ নেতৃত্বত ছাত্ৰীসকলে দিহানাম পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক মোহন চন্দ্ৰ নাথে।

## চেলেংহাটত নিশা ধুমুহাৰ তাণ্ডৱ; সাধাৰণ জনজীৱন প্ৰভাৱিত

**অসম বাৰ্তা, আমগুৰি, ২৮ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ চেলেংহাটত যোৱা নিশা হোৱা এজাক প্ৰচণ্ড ধুমুহাৰ ফলত যাতায়ত ব্যৱস্থা প্ৰভাৱিত হয়। নিশা প্ৰায় ১বজাত অহা ধুমুহাই নামচিচু, ওপৰ নামচিচু, মাজু নগএণ, কুকুৰাচোৱা, চিৰাখুন্দা গাঁওকে ধৰি বৃহৎ অঞ্চলত বিস্তৰ ক্ষতিসাধন কৰে। বৃহৎ বৃহৎ গছ পথৰ ওপৰত উভালি পৰাৰ ফলত আজি আগবেলা বহু সময়লৈকে যাতায়ত ব্যৱস্থা ব্যাহত হয়। স্থানীয় ৰাইজে নিজাববীয়াকৈ ৰাস্তাত পৰা গছ কাটি পথবোৰ যাতায়তৰ বাবে সুচল কৰে। সেইদৰে বিভিন্ন স্থানত বৈদ্যুতিক খুঁটা ভাঙি পৰাৰ ফলত বৃহত্তৰ অঞ্চলটোত বিদ্যুৎ সংযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ থাকে। বহু ঠাইত গছ বাগৰি পথ বন্ধ হৈ আছে।

## ডুমডুমাত চাহ মজদুৰ আদিবাসী কংগ্ৰেছ কমিটিৰ সভা সম্পন্ন; কেইবাটাও সিদ্ধান্ত গ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৮ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছ দলৰ ভাতৃ সংগঠন চাহ মজদুৰ আদিবাসী কংগ্ৰেছ, ডুমডুমা ব্লক কমিটিৰ এখন গুৰুত্বপূৰ্ণ সভা শুকুৰবাৰে ডুমডুমাৰ ৰাজীৱ ভৱনত অনুষ্ঠিত হয়। আদিবাসী কংগ্ৰেছ, ডুমডুমা ব্লক সমিতিৰ সভাপতি কমল ভূমিজৰ সভাপতিত্বত অনুষ্ঠিত এই সভাখনত চাহ মজদুৰ আদিবাসী কংগ্ৰেছ, তিনিচুকীয়া জিলাৰ সভাপতি সুৰেশ ভূমিজ, সাধাৰণ সম্পাদক কমল মণ্ডল, ইয়োৱ কৰকৰিয়া আৰু সম্পাদক অভিজিৎ নায়ক উপস্থিত আছিল। এই সভাত ব্লকৰ অন্তৰ্গত ১৪খন পঞ্চায়তৰ প্ৰতিনিধিসকলক কংগ্ৰেছ দল আৰু এপিচিচি'ৰ সভাপতি গৌৰৱ গগৈৰ হাত মজবুত কৰিবলৈ জিলাৰ নেতৃত্বই আহ্বান জনায়। লগতে কংগ্ৰেছ দলে যাতে আগন্তুক নিৰ্বাচনত জয়ী হৈ চৰকাৰ গঠন কৰিব পাৰে তাৰবাবে আদিবাসী কংগ্ৰেছৰ সাংগঠনিক ভেটি সকলো জনগোষ্ঠীয় অঞ্চলত বৃদ্ধি আৰু শক্তিশালী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত আদিবাসী কংগ্ৰেছৰ জিলা সভাপতি সুৰেশ ভূমিজে বক্তব্য ৰাখি কয় যে, শাসনাধিষ্ঠ বিজেপি চৰকাৰে আদিবাসী চাহ জনগোষ্ঠীক ভীষণ প্ৰতাৰণা আৰু বিশ্বাসঘাতকতা কৰিছে। ২০১৪ চনৰ পৰাই এইখন চৰকাৰে জনগোষ্ঠীটোক ললিপপ দি আহিছে। সেই সময়ত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৈছিল যে চৰকাৰ গঠনৰ ১০০ দিনৰ ভিতৰত জনগোষ্ঠীৰ দীৰ্ঘদিনৰ দাবী জনজাতিকৰণ প্ৰদান কৰিব। কিন্তু আজি পৰ্যন্ত জনজাতিকৰণ নকৰিলে। ২০১৬ আৰু ২০২১ চনৰ নিৰ্বাচনৰ পূৰ্বেও জনগোষ্ঠীটোক পুনৰ প্ৰতিশ্ৰুতি দিছিল যে বিজেপি দলে চৰকাৰ গঠন কৰিলে জনগোষ্ঠীটোক জনজাতিকৰণ, মাটি পট্টা দিয়াৰ লগতে চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১/- টকালৈ বৃদ্ধি কৰিব। কিন্তু সেই প্ৰতিশ্ৰুতিও ৰক্ষা নকৰিলে বিজেপি নেতৃত্বাধীন চৰকাৰে। সেয়ে চাহ জনগোষ্ঠীৰ লগতে চাহ শ্ৰমিকক কৰা প্ৰতাৰণাৰ হিচাপ ২০২৬ ৰ নিৰ্বাচনত যে দি লাগিব তাৰবাবে আদিবাসী কংগ্ৰেছে গাওঁ আৰু বাগিছাত প্ৰচাৰ কৰি সংগঠন কৰিব লাগিব বুলি কয়। বিজেপি চৰকাৰে জনগোষ্ঠীটোক বাৰে বাৰে দি অহা মিছা প্ৰতিশ্ৰুতিক চাহ মজদুৰ আদিবাসী কংগ্ৰেছে তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে চৰকাৰক প্ৰতিশ্ৰুতি সমূহ পালন কৰিবলৈ দাবী জনায় জিলা সভাপতিগৰাকীয়ে। অন্যথা চৰকাৰৰ বিৰুদ্ধে ভীষণ আন্দোলন গঢ়ি তোলাৰো হুংকাৰ প্ৰদান কৰে। এই গুৰুত্বপূৰ্ণ সভাই ব্লকৰ অন্তৰ্গত ১৪খন পঞ্চায়তৰ প্ৰতিনিধিৰ মাজৰপৰা প্ৰবীণ ভূঞাক প্ৰশাসনিক সাঃসম্পাদক আৰু বিপন গড়ক সাংগঠনিক প্ৰশাসনিক সাঃসম্পাদক হিচাপে লৈ ৬১ জনীয়া এখন শক্তিশালী কমিটি গঠন কৰি দিয়ে। আনহাতে এই সভাতেই অসম তথা অসমীয়াৰ হিয়াৰ আমঠু, অসমীয়া জাতিৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ মৃত্যুৰ তদন্ত চিবিআই'ক দিয়াৰ লগতে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক অতিশীঘ্ৰে গ্ৰেপ্তাৰ কৰা, জনগোষ্ঠীৰ ভিন্ন দাবীক চৰকাৰে বাৰে বাৰে কৰা প্ৰতাৰণাৰ বিৰুদ্ধে অহা ৮ অ'ক্টোবৰ তাৰিখে জনগোষ্ঠীটোৰ কেউটা সংগঠনে ঘোষণা কৰা প্ৰতিবাদী কাৰ্যসূচীক চাহ মজদুৰ আদিবাসী কংগ্ৰেছৰ পূৰ্ণ সমৰ্থন, মৰাণ জনগোষ্ঠীৰ কেউটা সংগঠনে মৰাণ সকলক জনজাতিকৰণ কৰাৰ দাবীত কৰি থকা প্ৰতিবাদী কাৰ্যসূচীক চাহ মজদুৰ আদিবাসী কংগ্ৰেছ তিনিচুকীয়া জিলাৰ নৈতিক সমৰ্থন, 'বেটী বাচাওঁ, বেটা পঢ়াও' শ্লোগান দিয়া বিজেপি চৰকাৰৰ দিনতে বেটী আৰু মহিলাৰ ওপৰত চলা ধৰ্ষণৰ ঘটনা বৃদ্ধি হোৱাৰ বাবে নাৰী অসুৰক্ষিত হৈ পৰিছে। সেয়ে এনে ঘটনাৰ লগত জড়িত দুৰ্বৃত্তক উচিত শাস্তি প্ৰদান কৰাৰ লগতে দুৰ্ভগীয়া পৰিয়লক আৰ্থিক সাহায্য প্ৰদান কৰক, বাগিছাত কৰ্মৰত শ্ৰমিকক বাগিছাৰ চিকিৎসায়লত উন্নত চিকিৎসা দিব পৰাকৈ চিকিৎসালয় সমূহ পুনৰ জীৱিত কৰি তোলক আৰু সকলো বাগিছাতে থকা জৰাজীৰ্ণ ওজন ঘৰ নতুনকৈ নিৰ্মাণ কৰা, শ্ৰমিকৰ খোৱা অসুবিধা, বিশুদ্ধ পানীৰ অভাৱ দূৰ কৰা আদি বিষয়সমূহ সাঙুৰি বাগিছাৰ কৰ্তৃপক্ষক স্মাৰক পত্ৰ প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# টংলাৰ পলাহগড়ত সৰ্বজনীন দুৰ্গাপুজা

**অসম বাৰ্তা, টংলা, ২৮ ছেপ্টেম্বৰ ঃ** টংলাৰ পলাহগড়ত এই বেলি অনুষ্ঠিত হব দ্বিতীয় বাৰ্ষিক সৰ্বজনীন শাৰদীয় দুৰ্গাপূজা। পলাহগড়ৰ শ্বহীদ বাকৰিত পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হব লগা পূজাৰ প্ৰথম দিন অৰ্থাৎ মহাষষ্ঠীৰ দিনা মুখ্য পূজাৰী গোপাল দেৱ শৰ্মাই পূজা আৰম্ভ কৰাৰ পাছতেই সন্ধিয়া বেলবৰণ, দেৱী আমন্ত্ৰণ আৰু অধিবাস আৰম্ভ হব। তাৰ পিছতেই পূজাস্থলীৰ দ্বাৰ উন্মোচন কৰিব অবসৰী জ্যেষ্ঠ প্ৰবক্তা মিৰণ দেৱীয়ে। সপ্তমী দিনা ৰাতপুৱাৰ ভাগত ধৰ্ম ধ্বজা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি জয়কান্ত শৰ্মাই। তাৰ পাছতেই আৰম্ভ হ'ব আয়তীৰ নাম প্ৰসংগ, ওজাপালি আৰু আৰতি। মহাঅষ্টমীৰ দিনা দিনৰ ২ বজাত অনুষ্ঠিত হব আয়তীৰ নাম প্ৰসংগ, ওজাপালি আৰু আৰতি আনহাতে সন্ধিয়া ৬ বজাত অনুষ্ঠিত হব নাগাৰা নাম প্ৰদৰ্শন। মহানৱমীত দিনৰ ১১ বজাত অনুষ্ঠিত হব কুমাৰী পূজা। দুৰ্গা পূজাৰ অন্তিম দিন অৰ্থাৎ দশমীৰ দিনা দুপৰীয়া ১ বজাত প্ৰতিমালৈ শোভাযাত্ৰা কৰাৰ লগতে মৃণ্ময় প্ৰতিমা বিসৰ্জন দিয়া হব বুলি উদযাপন সমিতিৰ সভাপতি জয়কান্ত শৰ্মাই জানিবলৈ দিয়ে। দুৰ্গা পূজাৰ লগতে সংগতি ৰাখি সম্পাদক নিতু শৰ্মা আৰু সভাপতি ৰাজীৱ শৰ্মাৰ সম্পাদিত মুখপত্ৰ "সতাক্ষী" উন্মোচন কৰা হব।

# হাজো সুৰেন দাস মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান

**অসম বাৰ্তা, হাজো, ২৮ ছেপ্টেম্বৰ ঃ** হাজো অঞ্চলৰ উচ্চ শিক্ষাৰ অন্যতম অনুষ্ঠান সুৰেন দাস মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অহা ২০২৯ চনত হ'বলগীয়া সোণালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি অনুষ্ঠিত হ'বলগীয়া বক্তৃতামালাৰ আজি প্ৰথমটো বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ হিৰণ্য কুমাৰ শৰ্মাই আদৰণি ভাষণত মহাবিদ্যালয়ৰ আগন্তুক সোণালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি এলানি বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰাৰ কথা দোহাৰে। প্ৰতিবছৰে অনুষ্ঠিত হ'বলগীয়া বক্তৃতানুষ্ঠানৰ বক্তৃতাসমূহ সোণালী জয়ন্তী উৎসৱত এখনি গ্ৰন্থ আকাৰে প্ৰকাশ কৰাৰ কথাও উল্লেখ কৰে। এইবছৰৰ বক্তৃতাৰ বিষয় আছিল 'আমাৰ শিক্ষা, আমাৰ ভৱিষ্যৎ'। এই বিষয়ত এক মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে অসম লোক সেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভাৰত ভূষণ দেৱ চৌধুৰীয়ে। ভাষণ প্ৰসংগত তেখেতে কয় যে, ছাত্ৰ-ছাত্ৰীসকলে পৰিৱৰ্তিত শিক্ষা ব্যৱস্থাৰ লগত নিজকে খাপ খুৱাই ল'ব লাগিব আৰু বৰ্তমানৰ প্ৰতিযোগিতাৰ পৃথিৱীত নিজকে প্ৰস্তুত কৰি তুলিব লাগিব। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ প্ৰসংগ উল্লেখ কৰি তেখেতে পুনৰ কয় যে, এই শিক্ষা ব্যৱস্থাই ব্যৱহাৰিক শিক্ষাৰ পোষকতা কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক যুক্তিৰে চিন্তা কৰিবলৈ উদ্‌গনি যোগায়। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে তেনে শিক্ষাৰে শিক্ষিত হৈ ভৱিষ্যতে নিজকে সমাজত প্ৰতিষ্ঠা কৰাৰ বাবে সাজু হ'ব লাগিব। বক্তৃতাৰ অন্তত তেখেতে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময়ো কৰে। ৰাষ্ট্ৰীয় সংগীতেৰে সামৰণি পৰা অনুষ্ঠানটোৰ আঁত ধৰে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সঞ্চালক বিশ্বজিত কলিতাই।

## লাহৰীঘাটত বৃহৎ পৰিমাণৰ বিলাতী সুৰা জব্দ

**অসম বাৰ্তা, লাহৰীঘাট, ২৮ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত দুৰ্গা পূজাৰ প্ৰাকক্ষণত আৰক্ষীয়ে বিলাতী সুৰা বিৰুদ্ধে অভিযান চলাই বৃহৎ পৰিমাণৰ বিলাতী সুৰা জব্দ কৰিবলৈ সক্ষম হয়। লাহৰীঘাটৰ তিনি ঠাইত আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ অবৈধ বিলাতী সুৰা জব্দ কৰিবলৈ সক্ষম হয়। আজি লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত আৰক্ষীৰ এটি অভিযানকাৰী দলে লাহৰীঘাট বজাৰত আৰু ইয়াৰ আশে পাশে অভিযান চলাই অবৈধ বিলাতী সুৰাৰ বটল, কেন আদি জব্দ কৰে। অভিযান চলোৱা দুটা ঘৰ ক্ৰমে বিষ্ণু মণ্ডল, গোবিন্দ মণ্ডল আৰু লাহৰীঘাট বজাৰৰ মাজ মজিয়াত থকা শ্বাহ জাহান আলীৰ দোকানত অভিযান চলায়। অভিযানৰ সময়ত অবৈধ সুৰা ব্যৱসায়ী শ্বাহ জাহান আলীক আটক কৰে যদিও আন দুজনক আটক কৰিবলৈ সক্ষম হোৱা নাই। অভিযানকালত আৰক্ষীয়ে বৃহৎ পৰিমাণৰ বিলাতী সুৰা জব্দ কৰে।

## ভৰাগুৰিত জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ আৰু স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ সমীপৱৰ্তী ভৰাগুৰিত অহা ২৯ ছেপ্টেম্বৰত বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ আৰু স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ভৰাগুৰিবাসী ৰাইজৰ উদ্যোগত ভৰাগুৰি নৱজ্যোতি নাট্যচ'ৰাত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত জুবিনৰ প্ৰতিচ্ছবিত মাল্য অৰ্পণ, বন্তি প্ৰজ্বলন আৰু সমবেত কণ্ঠত "মায়াবিনী ৰাতিৰ বুকুত" পৰিৱেশন কৰা হ'ব। দিনৰ ১০ বজাৰ পৰা গীতাপাঠ, জুবিন সংগীত, জুবিনৰ গীতত আবেগিক নৃত্য, বাঁহীত জুবিনৰ গীতৰ সুৰ, গীটাৰত জুবিনৰ গীতৰ সুৰ, জুবিনৰ জীৱনৰ ওপৰত আলোকপাত কৰা হ'ব। দুপৰীয়া ১২ বজাত নামপ্ৰসঙ্গ অনুষ্ঠিত হ'ব। ১ বজাৰ - প্ৰসাদ বিতৰণ আৰু ভোগদ্ৰব্য পৰিৱেশন। উক্ত সকলো অনুষ্ঠানত সকলো ৰাইজ, আইসকল, যুৱক-যুৱতীসকলক অনুষ্ঠানত উপস্থিত থাকি আমাৰ মহান শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱাৰ লগতে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰিবলৈ অনুৰোধ জনাইছে।

### চেলেংহাটৰ অইল মে' এনাৰ্জীৰ তৈল্য ক্ষেত্ৰত দল-সংগঠনৰ প্ৰতিবাদ

# অগ্নিদগ্ধ হৈ মৃত্যুমুখত পৰা শ্ৰমিকক ন্যায়ৰ দাবী

**অসম বাৰ্তা, আমগুৰি, ২৮ ছেপ্টেম্বৰ ঃ** চেলেংহাটৰ অইল মে' এনাৰ্জীৰ তৈল্য ক্ষেত্ৰৰ সন্মুখত আজি চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ টীয়ক শাখা সমিতি, আদিবাসী ছাত্ৰ সন্থা টীয়ক আঞ্চলিক সমিতি আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ টীয়ক আঞ্চলিক সমিতিৰ উদ্যোগত যৌথ ভাৱে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠন কেইটাই যোৱা ১৩ ছেপ্তেম্বৰত এক শোকাবহ ঘটনাত দুগৰাকী মহিলা চাহ শ্ৰমিক অগ্নিদগ্ধ হৈ মৃত্যু মুখত পৰা ঘটনাৰ উচিত ন্যায় আৰু ক্ষতিপূৰণৰ দাবীত এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। উল্লেখ্য যে, চেলেং চাহ বাগিছাৰ মাজত থকা অইল মে' এনাৰ্জীৰ তৈল্য ক্ষেত্ৰৰ পৰা তেল কঢ়িয়াই নিয়া এখন টেংকাৰ টীয়ক জগদুৱাৰৰ ৰাষ্ট্ৰীয় ঘাই পথত দিনৰ প্ৰায় ১১ বজাত দুৰ্ঘটনাগ্ৰস্থ হয়। প্ৰায় ২৪ হাজাৰ লিটাৰ বহন ক্ষম দুৰ্ঘটনাগ্ৰস্থ টেংকাৰ খনৰ পৰা বহু হেজাৰ লিটাৰ কুড অইল পথৰ ওপৰত পৰা লগতে কাষৰীয়া পথাৰ আৰু জান-জুৰিলৈ বিয়পি পৰে। কিন্তু এই ক্ষেত্ৰত দুঘটনা সংঘটিত হোৱা এলেকাটোত প্ৰশাসনে কোনো ধৰণৰ সতৰ্কতা মূলক তথা বেৰা দি সুৰক্ষাজনিত ব্যৱস্থা গ্ৰহণ নকৰা লগতে তেলখিনি নিষ্কাষনৰো পদক্ষেপ গ্ৰহণ কৰা নাছিল। যাৰ ফলত টীয়ক চাহ বাগিছাৰ ১২ নং লাইনৰ ৰাইজে কৰম পূজা উপলক্ষে আবেলি ধৰ্মীয় ৰীতি-নীতি সমাপন কৰি থকা অৱস্থাত ধূপ চাকি জ্বলাবলৈ লওঁতেই এলেকাটোত পৰি ৰোৱা পৰিত্যক্ত তেলত জুই লাগি এক ভয়াবহ ৰূপ ধাৰণ কৰে। হঠাতে জ্বলি উঠা জুইৰ লেলিহান শিখাই আগুৰি ধৰাত উপস্থিত তিনিগৰাকী মহিলা গুৰুত্বভাৱে অগ্নিদগ্ধ হয়। তাৰে এগৰাকী ১৩ বছৰীয়া কিশোৰী। প্ৰায় ৭০-৮০ শতাংশ অগ্নিদগ্ধ হৈ চিকিৎসাধীন অৱস্থাতে কশ্যৈলা ৰাজোৱাৰ, মিনাক্ষী মাহলি নামৰ মহিলা দুগৰাকীয়ে কৰুণভাৱে মৃত্যুক আঁকোৱালি লয়। ইফালে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে পৰিনীতা ৰাজোৱাৰ নামৰ কিশোৰী গৰাকী। সম্পূৰ্ণ প্ৰশাসন তথা তেল কোম্পানীটোৰ গাফিলতিৰ বাবে অগ্নিদগ্ধ হৈ মৃত্যুক আকোঁৱালী লোৱা দুৰ্ভগীয়া মৃত মহিলা দুগৰাকীৰ পৰিয়ালক প্ৰশাসনে বৰ্তমানলৈকে প্ৰদান কৰা নাই উচিত ক্ষতিপূৰণ। ইয়াৰ বিপৰীতে প্ৰশাসন তথা তেল কোম্পানীটোৱে সমগ্ৰ ঘটনাটো এক সাধাৰণ দুৰ্ঘটনাৰ ৰূপ দিবলৈ উঠি পৰি লগাৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাৰ দোষী ব্যক্তি সকলৰ বিৰুদ্ধেও প্ৰশাসনে লোৱা নাই কোনো ধৰণৰ ব্যৱস্থা। দণ্ডাধীশ পৰ্যায়ৰ মাত্ৰ তদন্ত ঘোষণা কৰিয়ে দায় সাৰিছে যোৰহাট জিলা প্ৰশাসনে। আজি প্ৰতিবাদ কাৰী সকলে বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলা লগতে তৈল্য ক্ষেত্ৰটোলৈ অহা যান বাহন সমূহ দীৰ্ঘ সময় ধৰি অৱৰোধ কৰি ৰাখে। প্ৰতিবাদৰ অন্তত টীয়ক ৰাজহ বিষয়াৰ যোগেদি প্ৰতিবাদ কাৰী সকলে যোৰহাট জিলা আয়ুক্তলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰত মৃত মহিলা দুগৰাকীৰ পৰিয়ালক ৩০ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদান কৰা। আহত কিশোৰী গৰাকীৰ উন্নত চিকিৎসাৰ ব্যৱস্থা গ্ৰহণ কৰা। অগ্নিকাণ্ড ঘটনাৰ উচ্চ পৰ্যায়ৰ ন্যায়িক তদন্ত কৰা লগতে দুৰ্ঘটনাগ্ৰস্থ টেংকাৰখনে অইল মে' এনাৰ্জীৰ পৰা অবৈধ ভাৱে তেল সৰবৰাহ কৰাৰ সন্দেহ প্ৰকাশ কৰি উচিত তদন্তৰ দাবী উত্থাপন কৰিছে। শীঘ্ৰে দাবী সমূহ পূৰন নকৰিলে তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি হুংকাৰ প্ৰদান কৰে সংগঠন কেইটাই। আজি প্ৰতিবাদী কাৰ্যসূচীত আটছা নেতা দীনেশ চাহু, গকুল মাঝি আছা নেতা ৰঞ্জিত সাহানী, ৰাজু কিস্কু, আৰু যুৱ ছাত্ৰ পৰিষদৰ ৰণ্টু ভূঞাকে ধৰি বহু কেই গৰাকী নেতা উপস্থিত থাকে।

### মৰাণসকলৰ সমস্যা সমাধানৰ পদক্ষেপ; অৰ্থনৈতিক অৱৰোধ দুমাহলৈ স্থগিত

# মৰাণ জনগোষ্ঠীৰ নেতৃত্বৰে জিলা আয়ুক্তৰ গুৰুত্বপূৰ্ণ সভা

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৮ ছেপ্টেম্বৰ ঃ** মৰাণ জনগোষ্ঠীৰ নেতৃস্থানীয় ব্যক্তিসকলৰ সৈতে আজি তিনিচুকীয়া জিলা প্ৰশাসনৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত তেওঁৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই সভাত মৰাণ সম্প্ৰদায়ৰ বাবে জিলা ভিত্তিত কৰিব পৰা বিভিন্ন কামৰ বিষয়ে আলোচনা কৰা হয়। তদুপৰি অৰুণাচলত বসবাস কৰা মৰাণ লোকসকলৰ স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ, অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ আৰু নন ক্ৰিমী লেয়াৰ (অনা উচ্চ স্তৰীয়) প্ৰমাণপত্ৰ আদি প্ৰদানৰ বাবে জিলা পৰ্যায়ৰ এটি প্ৰশাসনিক পৰিকাঠামো গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। মৰাণসকলৰ ভূমি অধিকাৰ সম্পৰ্কীয় বিভিন্ন বিষয়ো সভাত



আলোচনা কৰি কেবাটাও গুৰুত্বপূৰ্ণ বিষয়ত সহমতত উপনীত হোৱা যায়। সম-জিলা আয়ুক্তসকলক জিলা আয়ুক্তই মৰাণ বসতিপ্ৰধান অঞ্চলসমূহ সঘনে ভ্ৰমণ কৰি তেওঁলোকৰ ভূমি সমস্যা সমূহৰ বুজ ল'বলৈ নিৰ্দেশ দিয়ে। সভাত জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইন, ডিগবৈ, মাকুম, ডুমডুমা, শদিয়া আৰু মাৰ্ঘেৰিটা সম-জিলাৰ আয়ুক্তসকল, বন, কৃষি আদি বিভাগৰ বিষয়াসকল, ৰাজহ চক্ৰ বিষয়াসকল, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদক, অসম মৰাণ সভাৰ প্ৰতিনিধিবৰ্গ আৰু অৰুণাচল প্ৰদেশৰ মৰাণ সংগঠনৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকে। উল্লেখযোগ্য যে যোৱা ২৫ ছেপ্টেম্বৰত দিছপুৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে মৰাণ নেতৃবৰ্গৰ আলোচনা কালত তিনিচুকীয়া জিলাৰ আয়ুক্ত পালো উপস্থিত আছিল। এই আলোচনাৰ সিদ্ধান্ত অনুসৰি অসম চৰকাৰে অহা ২৫ নৱেম্বৰত বিধান সভাৰ অধিৱেশনত উপস্থাপন কৰি ২৬ নৱেম্বৰ তাৰিখে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব 'জনজাতিৰ মৰ্যাদা প্ৰদান কৰা' সম্পৰ্কীয় প্ৰতিবেদন। তাৰ পাছত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ সতে মৰাণ সংগঠনৰ ত্ৰি-পাক্ষিক আলোচনা হ'ব। তাৰ পাছৰখিনি কেন্দ্ৰ চৰকাৰৰ, অসম চৰকাৰে নাজানে। মাটিৰ অধিকাৰ সম্পৰ্কীয় নিৰ্দেশনাও দুই-এদিনতে জাৰি কৰা হ'ব। সেই অনুসৰি ২৫ ছেপ্টেম্বৰৰ নিশা ১২ বজাৰ পৰা দুমাহৰ বাবে অৰ্থনৈতিক অৱৰোধৰ আন্দোলন স্থগিত ৰখা হৈছে। অসম চৰকাৰে সিদ্ধান্তখিনি লিখিতভাৱে জনগোষ্ঠীটোৰ নেতৃবৰ্গক জনাইছে। অহা ২৬ নৱেম্বৰত উক্ত প্ৰতিবেদন কেন্দ্ৰলৈ প্ৰেৰণ নকৰিলে পুনৰ জঙ্গী আন্দোলন আৰম্ভ কৰা হ'ব বুলি সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়াই জানিবলৈ দিছে।

# ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত বিশ্ব পৰ্যটন দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ হিচাপ বিদ্যা বিভাগ, অৰ্থনীতি বিভাগ, ইংৰাজী বিভাগ, অভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষ আৰু প্ৰতিষ্ঠান উদ্ভাৱন কোষৰ উদ্যোগত বিশ্ব পৰ্যটন দিৱস ২৫ উদ্‌যাপন কৰে য'ত দেশৰ অৰ্থনৈতিক উন্নয়নত পৰ্যটনৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ত আলোকপাত কৰে। অনুষ্ঠানৰ আঁত ধৰে ড° জেকব কোঁৱৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰি পৰ্যটনৰ বিভিন্ন দিশ সাঙুৰি বক্তব্য আগবঢ়ায়। তেওঁ কয় যে পৰ্যটন কেৱল বিনোদনৰ উপায় নহয়, ই অৰ্থনৈতিক উন্নয়নৰ এক শক্তিশালী মাধ্যম, যিয়ে সাংস্কৃতিক আদান-প্ৰদানৰ যোগান ধৰাত সহায় কৰে আৰু কয় যে পৰ্যটন খণ্ড বিশ্ব আৰু স্থানীয় অৰ্থনীতিৰ এক মুখ্য স্তম্ভ, যিয়ে নিৰ্মাণ কৰে কৰ্মসংস্থাপন আৰু সম্প্ৰদায়সমূহৰ মাজত বুজাবুজি। অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল সমল ব্যক্তি হিচাপে উপস্থিত থকা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক ড° বিপাশা চেতিয়া। তেওঁ পৰ্যটন উদ্যোগৰ বহুমুখী দিশসমূহৰ ওপৰত এক গভীৰ আৰু বিশ্লেষণাত্মক ভাষণ প্ৰদান কৰে। ড° চেতিয়াই পৰ্যটনৰ উদীয়মান ধাৰণাসমূহত বিশেষ গুৰুত্ব দি কয় যে পৰ্যটনক সঁচাকৈয়ে লাভজনক কৰি তোলাৰ বাবে থলুৱা সংস্কৃতিৰ সন্মান কৰা, প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়াটো নিতান্তই প্ৰয়োজন আৰু উল্লেখ কৰে যে এই ধৰণৰ পৰ্যটনৰ ব্যৱস্থা সামগ্ৰিক অৰ্থনৈতিক উন্নয়নৰ বাবে বিশেষ সহায়ক হ'ব পাৰে, যি উন্নয়ন কেৱল দ্ৰুত নহয়, ন্যায়সঙ্গত আৰু দীঘলীয়া হ'ব। তেওঁৰ বক্তব্যই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত যথেষ্ট উৎসাহৰ সৃষ্টি কৰে আৰু পৰ্যটনৰ মূল্যবোধ সম্পৰ্কত, শিক্ষা প্ৰতিষ্ঠানসমূহে কেনেকৈ প্ৰচাৰ কৰিব পাৰে তাৰ ওপৰত উৎসাহজনক আলোচনা অনুষ্ঠিত হয়। অৰ্থনীতি বিভাগৰ অধ্যাপক ড° অনিতা বৰুৱাই ধন্যবাদ জ্ঞাপন কৰে। তেওঁ ড° চেতিয়াক তেওঁৰ জ্ঞানভিত্তিক বক্তৃতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানটোৱে পৰ্যটনৰ গুৰুত্ব আৰু ইয়াৰ বিকাশৰ প্ৰয়োজনীয়তাৰ বিষয়ে জনসচেতনতা সৃষ্টি কৰাৰ সহায়ক হব বুলি উপস্থিত দৰ্শকে আশা কৰে।

# দৰং সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শৈলেন্দ্ৰ কুমাৰ ৰাজবংশীৰ অকাল মৃত্যু

**অসম বাৰ্তা, দেওমৰনৈ, ২৮ ছেপ্টেম্বৰ ঃ** দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা দেওমৰনৈ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শৈলেন্দ্ৰ কুমাৰ ৰাজবংশীৰ শুক্ৰবাৰে পুৱা ৭.৩০ বজাত হোৱা অকাল মৃত্যুৰ খবৰে সমগ্ৰ জিলাখনতে শোকৰ ছাঁ বিয়পি পৰে। বৰ্তমান পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত সমলা গাঁও নিবাসী, কৃতী শিক্ষকৰ বঁটা প্ৰাপক প্ৰয়াত নৰপতি ডেকা আৰু সু-গৃহিণী ৰশ্মি ডেকাৰ জ্যেষ্ঠ সন্তান ৫৪ বছৰীয়া ৰাজবংশীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে মঙলদৈ আৰু জন্মগাঁৱৰ বাসগৃহত গুণমুগ্ধৰে ভৰি পৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ কে'বাটাও কাৰ্যকালৰ কাৰ্যনিৰ্বাহক সদস্য, প্ৰাক্তন সাংগঠনিক সম্পাদক, অসম সাহিত্য সভা, মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ প্ৰাক্তন সম্পাদক, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক শৈলেন্দ্ৰ কুমাৰ ৰাজবংশী এক জটিল ৰোগত আক্ৰান্ত হৈ দীঘলীয়া সময়ৰ বাবে চিকিৎসাধীন অৱস্থাত আছিল। ৰাজবংশীৰ নশ্বৰ দেহ মঙলদৈৰ গৃহৰ পৰা পুৱা দহ বজাত দৰং জিলা সাহিত্য সভাৰ কাৰ্যালয়লৈ মৌন সমদলেৰে নি এক শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দৰং জিলা সাহিত্য সভা, অসম সাহিত্য সভা, প্ৰাক্তন প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলা হাইস্কুল শিক্ষক সন্থা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° পৰমানন্দ ৰাজবংশী, মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত কুমাৰ শইকীয়া, প্ৰাক্তন সম্পাদক গৌতমানন্দ গোস্বামী, সদৌ দৰং কোচ-ৰাজবংশী সন্মিলনী, জিলা সাহিত্য সভাৰ বিভিন্ন শাখাৰ সভাপতি, সম্পাদকসহ কাৰ্যকৰ্তা, জ্যেষ্ঠ অধিবক্তা মাধৱ ৰাজবংশী, শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৰং জিলা সমিতি আৰু ব্যক্তি বিশেষে শেষ শ্ৰদ্ধাঞ্জলি জনায়। ইয়াৰ পিছত ৰাজবংশীৰ কৰ্মৰত বিদ্যালয়লৈ আনি বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, স্থানীয় শিক্ষানুষ্ঠান, সংস্থা আদিৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

# নলবাৰী জিলাৰ জাগাৰাত শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ ৰূপালী জয়ন্তী সমাৰোহৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৮ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ জাগাৰা গায়াপাৰা চুবুৰীস্থিত সন্ন্যাসী গোসাঁইঘৰ প্ৰাগণত ২০০১ চনৰ পৰা কৰি অহা ধনৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰী শ্ৰী লক্ষ্মী পূজাভাগৰ এইবেলি ৬, ৭ আৰু ৮ অক্টোবৰত তিনিদিনীয়াকৈ 'ৰূপালী জয়ন্তী সমাৰোহ' হিচাবে পালন কৰাৰ বাবে বৰ্ণাঢ্য কাৰ্যসূচীৰে ব্যাপক প্ৰস্তুতি চলিছে। এই সমাৰোহ সুচাৰুৰূপে পালনাৰ্থে ইতিমধ্যে মদন মোহন ডেকাক সভাপতি, বৈকুণ্ঠ ডেকাক কাৰ্য্যকৰী সভাপতি, সনেশ্বৰ ডেকা, সুবোধ ডেকা বসন্ত ডেকা আৰু সৰ্বেশ্বৰ ডেকাক উপ-সভাপতি, গজেন ডেকাক মুখ্য সম্পাদক, বিপুল ডেকা আৰু ৰবিন ডেকাক সাধাৰণ সম্পাদক, নিপন ডেকা, ৰাজু ডেকা, জগদীশ ডেকা, হৰকান্ত ডেকা, বিংকু ডেকা মৃনাল ডেকা আৰু পবিত্ৰ ডেকাক সহকাৰী সম্পাদক হিচাবে লৈ এখন শক্তিশালী সমিতি গঠন কৰাৰ উপৰিও কৰ্ণধাৰ, বিত্ত, অভ্যৰ্থনা (পুৰুষ), অভ্যৰ্থনা (মহিলা), পোহৰ আৰু শব্দ, খাদ্য, ৰভা আৰু মঞ্চৰ লগতে স্বেচ্ছাসেৱকৰ উপ-সমিতি সমূহো গঠন কৰিছে। কাৰ্যসূচীৰ প্ৰথম দিনা পুৱা ৭-৩০ বজাত সনেশ্বৰ ডেকাৰ পৰিচালনাত পৰিৱেশ নিকাকৰণ, ৮-০০ বজাত বৈকুণ্ঠ ডেকাই কৰিব অস্থায়ী কাৰ্যালয় উদ্বোধন কৰিব, ৮-৩০ বজাত প্ৰমোদ ডেকাই ধৰ্মধ্বজা উত্তোলন কৰিব, ৯-০০ বজাত ২৫ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ২৫খন পতাকা উত্তোলনত মুখ্য উত্তোলক হিচাবে ভাগ ল'ব মোহন ডেকাই। ৯-৩০ বজাত লক্ষ্মী পূজাৰ লগত জড়িত প্ৰয়াত ব্যক্তিসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, ১০-০০ বজাত নগেন ডেকাই শোভাযাত্ৰা উদ্বোধন কৰিব, দিনৰ ১-০০ বজাত ভবেন ডেকাই ভাগৱত পাঠত পাঠক হিচাবে ভাগ ল'ব, দুপৰীয়া ২-০০ বজাত সনেশ্বৰ ডেকাই পূজা মণ্ডপৰ দ্বাৰ উন্মোচন কৰাৰ পিছত আবেলি ৪-০০ বজাত লক্ষ্মীদেৱীৰ প্ৰতিমা স্থাপনত পৰেশ ডেকা, যোগেন ডেকা আৰু ৰবিন ডেকাই স্থাপক হিচাপে ভাগ ল'ব, সন্ধিয়া ৫-০০ বজাত নাম প্ৰসংগ, ৬-০০ বজাৰ বন্তি প্ৰজ্বলন কাৰ্যসূচীত মুখ্য প্ৰজ্বালক হিচাবে জাগাৰা হাইস্কুলৰ অৱসৰী প্ৰধান শিক্ষক বিপিন তালুকদাৰে ভাগ ল'ব, সন্ধিয়া ৭-০০ বজাত আতচ বাজী প্ৰদৰ্শন, ৭-৩০ বজাত লক্ষ্মী দেৱীৰ পূজা আৰম্ভ, ৯-০০ বজাত নিৰ্মালি আৰু প্ৰসাদ বিতৰণ আৰু ১০-০০ বজাত ৰাজহুৱা ভোগ বিতৰণ কৰা হ'ব। দ্বিতীয় দিনা পুৱা ৭-০০ বজাত প্ৰভাত ডেকাৰ পৰিচালনাত পৰিৱেশ নিকাকৰণ, ৯-০০ বজাত গছপুলি ৰোপণত মুখ্য ৰোপক হিচাপে উত্তৰ কামপীঠ মহাবিদ্যালয়ৰ অধ্যাপক পংকজ শৰ্মাই ভাগ ল'ব, ১০-০০ বজাত কমলা কান্ত ডেকাই উদ্বোধন কৰিবলগীয়া জী-জোঁৱাই সম্মিলনত সঞ্চালিকা হিচাপে মইনা ডেকাই ভাগ ল'ব। এই অনুষ্ঠানটিৰ আঁত ধৰিব নলবাৰীৰ ডি, এছ, আৰ, একাডেমীৰ প্ৰবক্তা লাচিত ডেকাই, সন্ধিয়া ৬-০০ বজাৰ বন্তি প্ৰজ্বলনত মুখ্য প্ৰজ্বলক হিচাপে সাহিত্যিক পেঞ্চনাৰ অশ্বিনী বেজবৰুৱাই ভাগ ল'ব। ৬-৩০ বজাত পাৰ্থপ্ৰতীম তালুকদাৰ, দীপেন কলিতাৰ দলৰ দ্বাৰা পৰিবেশন হ'বলগীয়া নাগাৰা নাম উদ্বোধন কৰিব গৌতম ডেকাই। শেষৰ দিনা পুৱা ৭-০০ বজাত নিৰঞ্জন ডেকাৰ পৰিচালনাত পৰিৱেশ নিকাকৰণ সন্ধিয়া ৬-০০ বজাৰ বন্তি প্ৰজ্বলনত প্ৰজ্বলক হিচাবে নলবাৰী এ, পি, চি, ডি, এল, ৰ অভিযন্তা গৌতম বেজবৰুৱাই, ৬-১৫ বজাত আতচবাজী প্ৰদৰ্শন, ৬-৩০ বজাত সম্বৰ্ধনা অনুষ্ঠান, ৭-০০ বজাত নলবাৰীৰ ডি, এৰ, আৰ, একাডেমীৰ প্ৰবক্তা লাচিত ডেকাই মঞ্চ উদ্বোধন কৰাৰ পিছত ৭-৩০ বজাত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰিব জাগাৰা নিবাসী সমাজকৰ্মী উত্তম তালুকদাৰে। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ টুইংকল চৌধুৰী আৰু হিতেশ বৈশ্যৰ গীতৰ শৰাইৰে ৰূপালী জয়ন্তীৰ তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰ সামৰণি পৰিব।

# আন্দামান অফশ্ব'ৰ ব্লকত অইল ইণ্ডিয়াৰ প্ৰাকৃতিক গেছৰ সন্ধান লাভ



**অসম বাৰ্তা, দুলীয়াজান, ২৮ ছেপ্টেম্বৰ ঃ** পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ অধীনস্থ এক মহাৰত্ন প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডেৰ অপেন এক্ৰিয়েজ লাইচেন্সিং পলিচি (অ' এ এল পি)ৰ অধীনত অফশ্ব'ৰ আন্দামান ব্লক এএন-অ'এছএইচপি-২০১৮/১ত খনন কৰা দ্বিতীয় অন্বেষণমূলক কূপ বিজয়াপুৰাম-২ ত প্ৰাকৃতিক গেছৰ উপস্থিতিৰ তথ্য পোৱা গৈছে। প্ৰাৰম্ভিক উৎপাদন পৰীক্ষাৰ অংশ হিচাপে মাজে মাজে হোৱা গেছ প্ৰবাহৰ সময়ত সংগৃহীত গেছ নমুনাৰ প্ৰাথমিক বিশ্লেষণত প্ৰাকৃতিক গেছৰ উপস্থিতি নিশ্চিত হৈছে। এই গেছ নমুনাৰ উৎস বুজিবলৈ গেছ আইছ'টপ অধ্যয়ন বৰ্তমান চলাই থকা হৈছে। প্ৰাৰম্ভিক মূল্যায়ন অনুসৰি, এই ফলাফলটো উৎসৰ উপস্থিতি, গেছৰ স্থানান্তৰৰ পথ অথবা হাইড্ৰ'কাৰ্বনৰ সঞ্চয়ৰ সূচক হ'ব পাৰে, যি ভৱিষ্যতৰ অনুসন্ধান আৰু খনন কৌশল নিৰ্ধাৰণত সহায়ক হ'ব। ইয়াৰ উপৰিও, গেছৰ এই সন্ধান অধিক মূল্যায়ন কৰিবলৈ বৰ্তমান উচ্চ সম্ভাব্য ক্ষেত্ৰসমূহত অতিৰিক্ত পৰীক্ষাও আৰম্ভ কৰা হৈছে। আন্দামান অগভীৰ অফশ্ব'ৰ ব্লকত চলি থকা অন্বেষণ অভিযানত প্ৰথমবাৰৰ বাবে হাইড্ৰ'কাৰ্বনৰ উপস্থিতিৰ তথ্য লাভ কৰিছে বুলি অইল ইণ্ডিয়া লিমিটেডেৰ তৰফৰ পৰা জানিবলৈ দিছে।

# অভয়াপুৰী মহাবিদ্যালয়ত অসম ছাত্ৰ পৰিষদৰ জয়যাত্ৰা অব্যাহত

**অসম বাৰ্তা, অভয়াপুৰী, ২৮ ছেপ্টেম্বৰ ঃ** অভয়াপুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাখন নিৰ্বাচনৰ জৰিয়তে অসম ছাত্ৰ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থী সকলে দখল কৰে। কালি অনুষ্ঠিত হোৱা অভয়াপুৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ফলাফলত অসম ছাত্ৰ পৰিষদে সমৰ্থন দিয়া ১২ গৰাকীৰ ভিতৰত ১১ গৰাকী প্ৰাৰ্থীয়ে বিজয় মাল্য পৰিধান কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত বাতৰি মতে মহাবিদ্যালয়খনৰ সভাপতি হিচাপে অৰ্ণৱ কুমাৰ দাস, উপ সভাপতি - আয়ুব খান, সাধাৰণৰ সম্পাদক হিচাপে চম্পক ৰায়, সহকাৰী সাধাৰণ সম্পাদক - ধ্ৰুৱজ্যোতি দাস, সাংস্কৃতিক সম্পাদিকা - ধনশ্ৰী চৌধুৰী, আন্তঃ খেল বিভাগ সম্পাদক - শাহানুৰ ইছলাম, বহিঃ খেল বিভাগ সম্পাদক - মনজিৎ কলিতা, তৰ্ক আৰু সুকুমাৰ কলা সম্পাদক - ইলিয়াছ মোল্লা, সমাজ সেৱা আৰু মানৱতাবাদী সম্পাদক - দীপাংকৰ সিংহ ছাত্ৰী জিৰণি কোঠা সম্পাদিকা - হাবিবা বেগম, ক্ৰিকেট সম্পাদক - ৰূপম দাস বিজয়ী হয়। বিজয়ী সকলক অসম ছাত্ৰ পৰিষদ, অসম গণ পৰিষদৰ শীৰ্ষ নেতৃত্বই শুভেচ্ছা জনাইছে। আনহাতে ৰাষ্ট্ৰীয় ছাত্ৰ পৰিষদৰ সমৰ্থনত ছাত্ৰ জিৰনি কোঠাৰ সম্পাদক হিচাপে পবিত্ৰ সৰকাৰ, সহকাৰী আলোচনী সম্পাদক হিচাপে সংগীতা দাস আৰু আলোচনী সম্পাদক হিচাপে আছু সমৰ্থিত মৃদুল দাস বিজয়ী হোৱা বুলি জানিব পৰা গৈছে।

# হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত অভয়াপুৰীত মমশিখা সমদল

**অসম বাৰ্তা, অভয়াপুৰী, ২৮ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি আজি সন্ধিয়া অভয়াপুৰী চহৰখনৰ ৰাজপথত শতাধিক সচেতন নাগৰিকে হাতে-হাতে মমশিখা লৈ এক সমদল উলিয়ায়। এই সমদলত উপস্থিত জনতাই উচ্চকণ্ঠে "জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত শীঘ্ৰে কৰক, দোষীক শীঘ্ৰে কৰায়ত্ব কৰি শাস্তি প্ৰদান কৰক, অৰ্থনৈতিক অপৰাধৰ তদন্ত কৰক, দোষীক শাস্তি দিয়ক" আদি শ্লোগানেৰে আকাশ-বতাহ মুখৰিত কৰি তোলে।

# নগাঁৱৰ উৰিয়াগাঁৱত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত নিৰ্মাণ হ'ব জুবিন গাৰ্গ সোঁৱৰণী মুকলি মঞ্চ


## এটি আৱক্ষ মূৰ্তি স্থাপন হ'ব জুবিন গাৰ্গ সংগীত বিদ্যালয়ত

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ ছেপ্টেম্বৰ ঃ** বিশ্ববৰেণ্য কণ্ঠশিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক অকাল বিয়োগৰ বাতৰিয়ে চৌদিশে কোটি কোটি মানুহক শোকাচ্ছন্ন কৰি ৰখাৰ সময়তে শিল্পীগৰাকীৰ মৃত্যুৰ সঠিক কাৰণ ৰাজহুৱা কৰি দোষীক কঠোৰ শাস্তি বিহিবলৈ চৰকাৰক দাবী জনাই কালি সন্ধিয়া অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উৰিয়াগাঁও আঞ্চলিক সমিতিয়ে উৰিয়াগাঁওস্থিত কাৰ্যালয়ত এখন সংবাদমেল আয়োজন কৰি অসমীয়াৰ হিয়াৰ আমঠু, জনতাৰ কণ্ঠ জুবিন গাৰ্গৰ স্মৃতি চিৰযুগমীয়া কৰিবলৈ কেইটামান সিদ্ধান্ত গ্ৰহণৰ বিষয়ে সদৰী কৰে। পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বনিয়াৰ লগতে উক্ত সংবাদমেলত পৰিষদৰ উৰিয়াগাঁও আঞ্চলিক সমিতিৰ সভাপতি নমিতা বৰা আৰু সাধাৰণ সম্পাদক শুভ্ৰজিৎ গগৈয়ে কয় যে, উৰিয়াগাঁও চকৰ সমীপত এখন জুবিন গাৰ্গ সোঁৱৰণী মুকলি মঞ্চ নিৰ্মাণ কৰা হ'ব, য'ত পেছাদাৰী শিল্পীয়েই হওক অথবা অপেছাদাৰী শিল্পীয়েই হওক সকলোৱে সংগীতৰ বিভিন্ন অনুষ্ঠান তথা চৰ্চা নিয়মীয়াকৈ কৰিব পাৰিব। যিসময়ত বিভিন্ন সৰু-সুৰা অনুষ্ঠান-প্ৰতিষ্ঠানে অৰ্থৰ অভাৱত অনুষ্ঠান এটা আয়োজন কৰিবলৈ অসুবিধাৰ সন্মুখীন হ'বলগা হয় সেই অসুবিধা প্ৰস্তাৱিত এই মঞ্চখনে দূৰ কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰস্তাৱিত মঞ্চখনত নগাঁৱৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান "গান্ধাৰ"ৰ সহযোগত এখন 'জুবিন গাৰ্গ সংগীত বিদ্যালয়" মুকলি কৰা হ'ব বুলি জানিবলৈ দিছে, য'ত গুৰুজনাৰ অমৰ সৃষ্টি খোল-তাল-নাগাৰাৰ পৰা জুবিন গাৰ্গৰ সংগীত শৈলীলৈকে চৰ্চা হ'ব। উল্লেখ্য যে, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ একালৰ প্ৰাক্তন সতীৰ্থ তথা সংগঠনটোৰ লগত জুবিন গাৰ্গৰ গাঢ় সম্পৰ্কৰ কথা শিল্পীগৰাকীয়ে নিজেই মঞ্চত কোৱা কথাখিনি সম্পৰ্কে সুঁৱৰি শিল্পীগৰাকীৰ স্মৃতিত মঞ্চৰ সমীপতে এটি আৱক্ষ মূৰ্তি নিৰ্মাণ কৰা হ'ব বুলি সংবাদমেলত অৱগত কৰে। শিল্পীগৰাকীৰ স্মৃতি যাউতিযুগীয়া কৰিবলৈ লোৱা বৰ্ষজোৰা আটাইকেইটা পদক্ষেপ কাৰ্যত ৰূপায়ণৰ উদ্দেশ্যে ৰাইজৰ দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে সংগঠনটোৱে।

# ডুবাইত অসমৰ সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰি গৌৰৱ কঢ়িয়ালে ডিব্ৰুগড়ৰ শিল্পী দলে

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ** সংযুক্ত আৰৱ আমিৰাত ডুবাইত বিভিন্ন দেশৰ শিল্পী কলাকুশলী- বাদ্যযন্ত্ৰী শিল্পীয়ে একেলগে ভাৰতীয় শাস্ত্ৰীয় সংগীত, কৰ্ণাটকী সংগীত, অসমৰ বিহু, বৰগীত, দিহানাম, খোলবাদন লগতে লোকসংগীত প্ৰদৰ্শন কৰি সমাদাৰ লাভ কৰে। মুদ্ৰা ডেন্স একাডেমী ডুবাই আৰু ডুবাইৰ হাৰমনিকাই আয়োজন কৰা সাংস্কৃতিক আৰু সংগীত অনুষ্ঠানত বিশেষ আমন্ত্ৰণত খোল বাদ্যৰ শিল্পী ভৱানন্দ বৰাই লোক সংগীতৰ অনুষ্ঠান পৰিৱেশন কৰে। বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ শিল্পী সকলৰ বাবে আয়োজন কৰা বিবিধ অনুষ্ঠানৰ মাজত পৰিবেশন কৰা ভাৰতীয় বাদ্য শিল্পীৰ অনবদ্য অনুষ্ঠান অংশগ্ৰহণ কৰে ডিব্ৰুগড় অন্যতম সাংস্কৃতিক অনুষ্ঠান "পূব মিলন নগৰ সত্ৰীয়া একাডেমি"ৰ শিল্পীসকলে। গুৰু ভৱানন্দ বৰাৰ নেতৃত্বত কলিকতাত অনুষ্ঠিত হোৱা এই সংস্কৃতি মহোৎসৱত অংশ গ্ৰহণ কৰিবলৈ সুবিধা লাভ কৰা-দলটিয়ে অলপতে বিদেশত প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। ভাৰত সংস্কৃতি যাত্ৰাৰ দ্বাৰা 'ডুবাই চিলড্ৰেন চিটি স্কুল'ত অনুষ্ঠিত হোৱা সংস্কৃতি অনুষ্ঠানত অংশ গ্ৰহণ কৰি অঞ্জুমণি চিৰিং ফুকনৰ নেতৃত্বত যোৱা অসমৰ দলটোয়ে দিহা নামত প্ৰথমস্থান আৰু গুৰু ভৱানন্দ বৰাই সত্ৰীয়া নৃত্যত প্ৰথম, মনালিছাই বৰুৱাই দ্বিতীয় আৰু খোল বাদনত দেবানুজ কুমাৰ দে দ্বিতীয় আৰু নাগাৰাত প্ৰথম স্থান পাবলৈ সক্ষম হয়। কলিকতা উৰিষ্যা ভুবনেশ্বৰ আৰু অসমৰ সাংস্কৃতিক দলে যোগদান কৰে এই অনুষ্ঠানত। ইয়াৰ আগতেও ভৱান্দ বৰাৰ নেতৃত্বত থাইলেণ্ড, বেংকক -উৰিষ্যা, কলিকতা, মথুৰা, ডেৰাডুন, চিমলাত আদিত অনুষ্ঠান পৰিবেশন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনে। উদ্যোক্তা সকলে অসমৰ শিল্পী দলটিক ডুবাই খ্যাত ১২৫ মহলা বুৰ্জ খলিফা আবু ধাবি, আৰু ডুবাইত থকা হিন্দুমন্দিৰ দৰ্শন, মৰুভূমিত ভ্ৰমণ কৰাৰ লগতে ডুবাই অন্যান্য সাংস্কৃতি-অনুষ্ঠান আদি পৰিদৰ্শন কৰে।

# চেলেংহাটত আৰম্ভ হ'ল সদৌ অসম ভিত্তিত শিশু ভাওনা প্ৰতিযোগিতা



**অসম বাৰ্তা, আমগুৰি, ২৮ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ চেলেংহাট টেঙাবাৰী গাঁওবাসীৰ উদ্যোগত তথা সমূহ শুভাকাংক্ষীৰ সহযোগত ৫৭৭ তম শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ জন্ম জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি টেঙাবাৰী গাঁৱৰ নামঘৰত আজিৰে পৰা ছদিনীয়া কাৰ্য্যসূচীৰে আৰম্ভ হৈছে সদৌ অসম ভিভিত শিশু ভাঙনা প্ৰতিযোগিতা। পুৱা ৮ বজাত ধৰ্মধবজা উত্তোলন, সোঁৱৰণি অনুষ্ঠানৰ লগতে ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা কৰা হয়। দিনৰ নাম প্ৰসংগকে ধৰি ধৰ্মীয় কাৰ্যসূচীৰ অন্তত সন্ধিয়া ৫-০০ বজাত স্মৃতিগ্ৰন্থ উন্মোচন কৰে আমগুৰি আউনিআতি হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকনে। সন্ধিয়া ৬-০০ বজাত প্ৰয়াত থানেশ্বৰ গগৈ (আমতলীয়া) সোঁৱৰণী মঞ্চ উদ্বোধন কৰে টেঙাবৰীৰ প্ৰমথেশ ফুকনে। মঞ্চ উদ্বোধনৰ পিছতে ভাওনা আৰম্ভণিৰ পূৰ্বে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে আমগুৰিৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক উৎপল খনিকৰে। আজি প্ৰথম দিনা 'গৰুড়ৰ অমৃত হৰণ" নাট প্ৰদৰ্শন কৰে তিতাবৰ বৰহোলাৰ ভাওনা দলে।

# শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত ভূপেন হাজৰিকাৰ জীৱন, কৃতি আৰু দৰ্শন শীৰ্ষক আলোচনা-সত্ৰ সম্পন্ন



**অসম বাৰ্তা, গেলেকী, ২৮ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নামতিস্থিত শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ লক্ষ্যৰে ২৬-০৯-২০২৫ তাৰিখে ভূপেন হাজৰিকাৰ জীৱন, কৃতি আৰু দৰ্শন শীৰ্ষক শিৱসাগৰ জিলা আন্তঃ মহাবিদ্যালয় শিক্ষাৰ্থীৰ আলোচনা-সত্ৰ অনুষ্ঠিত হয়। পুৱা ১০.০০ বজাত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আলোচনা সত্ৰৰ উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে ভূপেন হাজৰিকাৰ "মানুহে মানুহৰ বাবে" গীতটি পৰিবেশন কৰে। ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ বিনীতা তামূলীয়ে। আলোচনা সত্ৰৰ বীজ ভাষণ প্ৰদান কৰে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° ৰীতা বৰাই। ড° বৰাই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশ হোৱা হাতে লিখা আলোচনী "অন্তৰা" উন্মোচন কৰে। এই অনুষ্ঠানতে শিক্ষক গোটৰ সভাপতি চেহিদা খাটুন আৰু সম্পাদক ড° মৌচুমী ৰেখা খাউণ্ডে সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ২০২২-২৩ বৰ্ষৰ ৰাজ্যিক বঁটা প্ৰাপ্ত ড° পাপু কুমাৰ ঙাটে আৰু Quality Assessmemt of Catalogues in College Libraries of Assam শীৰ্ষক গৱেষণা সম্পন্ন কৰি মেঘালয়ৰ নৰ্থ ইষ্টাৰ্ণ হিল বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰা বাবে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° বিদ্যুৎ বিকাশ বৰুৱাক শিক্ষক গোটৰ হৈ সম্বৰ্ধনা জনায়। উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে আলোচনা-সত্ৰৰ সমন্বয়ক তথা অসমীয়া বিভাগৰ সহযোগী অধ্যাপক জ্যোতি গগৈয়ে আৰু শলাগৰ শৰাই আগবঢ়ায় অসমীয়া বিভাগৰ মুৰব্বী নীলাক্ষি শইকীয়াই। আলোচনা সত্ৰত গড়গাঁও মহাবিদ্যালয়, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়, শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়, বীৰ লাচিত বৰফুকন মহাবিদ্যালয় আৰু শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ প্ৰায় পঞ্চাশ গৰাকী শিক্ষাৰ্থীয়ে গৱেষণা পত্ৰ উপস্থাপন কৰে। গৱেষণা উপস্থাপন কৰা শিক্ষাৰ্থীসকলৰ পৰা তিনিগৰাকী শিক্ষাৰ্থীক নিৰ্বাচন কৰি নগদ ধনেৰে পুৰস্কৃত কৰা হয়। প্ৰথম স্থান লাভ কৰে গড়গাঁও মহাবিদ্যালয়ৰ মিণ্টু বৰগোহাঁই, দ্বিতীয় স্থান লাভ কৰে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ উদয় সিনহা আৰু তৃতীয় স্থান লাভ কৰে শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ঋতিষ্ণা বৰুৱাই। পৰ্য্যবেক্ষক হিচাপে থাকে ড° প্ৰশান্ত চুটীয়া, ড° লিপি ফুকন আৰু ড° মলয়া বৰগোহাঁই।

# বিজনীৰ নিছিমা, সুবাইঝাৰ, থুৰিবাৰীত বিপিএফ, মানাহ ছেৰফাং ইপিপিএলৰ দখলত

**অসম বাৰ্তা, বিজনী, ২৮ ছেপ্টেম্বৰ ঃ** ঘোষণা হল বিটিচি নিৰ্বাচন ফলাফল। বিটিচি একক সংখ্যাগৰিষ্ঠতা লাভ কৰে বিপিএফে। বিজনী চাৰিটা পৰিষদীয় সমষ্টিৰ তিনিটা বিপিএফে দখল কৰাৰ বিপৰীতে এটাত ইউপিপিএল দলে দখল কৰিব সক্ষম হয়। ১৬ নং নিছিমা পৰিষদীয় সমষ্টি, ১৭ নং সুবাইঝাৰ পৰিষদীয় সমষ্টি আৰু ১৯ নং থুৰিবাৰী পৰিষদীয় সমষ্টি দখল কৰে বিপিএফে। আনহাতে ১৮নং মানাহ ছেৰফাং সমষ্টি দখল কৰে ইপিপিএলে। ১৬ নং নিছিমা পৰিষদীয় সমষ্টিত বিপিএফৰ প্ৰাৰ্থী জেমছ বসুমতাৰীয়ে ১৮, ৮৩৬টা ভোট লাভ কৰাৰ বিপৰীতে ইউপিপিএল প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰী ওৰফে ফেৰেংগাই লাভ কৰে ১৬, ৩২১টা ভোট। সমষ্টিটোত ৰঞ্জিত বসুমতাৰীক ২৫১৫টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে জেমছ বসুমতাৰীয়ে। আনহাতে ১৭ নং সবাইঝাৰ সমষ্টিত ইউপিপিএল প্ৰাৰ্থী ফণীন বড়োক ৪৯২৪টা ভোটত হৰুৱাই বিপিএফ প্ৰাৰ্থী ধীৰাজ বৰগয়াৰী জয়লাভ কৰে। সমষ্টিটোত ধীৰাজ বৰগয়াৰীয়ে ১৮, ৯৪৯টা ভোট লাভ কৰাৰ বিপৰীতে ফণীন বড়োই লাভ কৰে ১৪, ০২৫টা ভোট। ইয়াৰ ভিতৰত বিজনী বিধানসভা সমষ্টিৰ বিধায়ক তথা বিজেপি প্ৰাৰ্থী অজয় কুমাৰ ৰায়ৰ লগত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হয়। খলিলুৰ ৰহমানে অন্তিম মুহূৰ্তত ১৯, ৬৬৮ ভোট লাভ কৰাৰ বিপৰীতে অজয় কুমাৰ ৰায়ে লাভ কৰে ১৫, ৬৪১টা ভোট। খলিলুৰ ৰহমানে বিজেপি প্ৰাৰ্থী অজয় কুমাৰ ৰায়ক ৪০২৭টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। চিৰাং জিলাৰ ৭খন সমষ্টিৰ ভিতৰত আটাইতকৈ আকৰ্ষণীয় ১৯ নং থুৰিবাৰী। ১৯ নং থুৰিবাৰী সমষ্টিটোত ১৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰাৰ্থীত্ব আগবঢ়াইছিল। ইফালে ১৮ নং মানাছ ছেৰফাং সমষ্টিত ইউপিপিএলৰ প্ৰাৰ্থী ধনঞ্জয় বসুমতাৰীয়ে জয়লাভ কৰে। ধনঞ্জয় বসুমতাৰীয়ে ১৬, ৪২৫টা ভোট লাভ কৰি নিকটতম জাংগিলা হাজোৱাৰীক ১৯১৮টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে।

# ৰূপহীহাটৰ বৰঘূলিৰ যুৱক সন্ধানহীন

**অসম বাৰ্তা ৰূপহীহাট, ২৮ ছেপ্টেম্বৰ ঃ** ৰূপহীহাটৰ ২ নং বৰঘূলীৰ এজন মানসিক বিকাৰগ্ৰস্ত যুৱক যোৱা ৯ দিন ধৰি সন্ধানহীন হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। সন্ধানহীন হোৱা যুৱকজন ২ নং বৰঘূলীৰ হাবিবুৰ ৰহমানৰ পুত্ৰ আব্দুল হুছেইন। সন্ধানহীন যুৱকজন মনসিক ভাবে বিকাৰগ্ৰস্ত বুলি জানিব দিছে পৰিয়ালে। যোৱা ৯ দিন পূৰ্বে নিশা যুৱক জনে পিতৃ মাতৃক মাৰ পিট কৰাত প্ৰথমে পুত্ৰক বান্ধি ৰাখিছিল যদিও পুৱা প্ৰসাৰ কৰিম বুলি কোৱাত বান্ধ মোকলাই দিছিল পুত্ৰক। কিন্তু বান্ধ খুলোতেই ঘৰ এৰি পলাই যায় যুৱকজন। পৰিয়ালৰ লোকে নিজৰ আত্মীয় স্বজনৰ ঘৰত বিচাৰ খোচাৰ কৰিও কোনো সন্ধান উলিয়াব পৰা নাই যুৱকজনৰ। ঘটনা সন্দৰ্ভত ইতিমধ্যে পৰিয়ালৰ লোকে স্থনীয় চুলুং আৰক্ষীক অৱগত কৰিছে। যদি কোনো সদশয় ব্যাক্তিয়ে যুৱকজনক দেখা পায় তেনেহলে ৭৬৩৬৮৭৩৩৯১ অথবা ৭০০২৫৪০৪৪৮ এই নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে কাতৰ আহ্বান জনইছে।

# লংকা ৰে'লৱে ষ্টেচনৰ কাষত এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, লংকা, ২৮ ছেপ্টেম্বৰ ঃ** লংকা ৰে'লৱে ষ্টেচনৰ ওচৰৰ ৪ নং ৱাৰ্ডত এজন অচিনাক্ত ব্যক্তিৰ মৃত্যু দেহ উদ্ধাৰ হৈছে। প্ৰথমে স্থানীয় ৰাইজে অচিনাকি ব্যক্তি জনৰ মৃত্যু দেহটো পৰি থকা দেখি লংকা আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে ঘটনা স্থলিত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি লংকা আৰক্ষী থানালৈ লৈ আহে। মৃত লোক জনৰ বয়স আনুমানিক ৩৫ বছৰ হ'ব বুলি জানিব পৰা গৈছে। নীলা ৰংঘৰ স্পৰ্টিং আৰু সেউজীয়া আৰু বগা ৰংঘৰ গামোচা পৰিহিত মৃত লোকজনৰ প্ৰকৃত পৰিচয় বাতৰি সংগ্ৰহ কৰি থকা সময়লৈকে জানিব পৰা হোৱা নাই। বৰ্তমান মৃতদেহটো লংকা আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৰ মৰ্গলৈ প্ৰেৰণ কৰিছে। যদি মৃত ব্যক্তি জনক কোনোবাই চিনি পায় তেন্তেলংকা আৰক্ষী থানাত যোগাযোগ কৰিবলৈ লংকা আৰক্ষীয়ে অনুৰোধ জনাইছে।

# ডিব্ৰুগড়ত সাংবাদিক জেচিম আহমেদৰ মাতৃ মালেকা বেগমৰ পৰলোক

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ নিউজ '১৮ৰ সাংবাদিক জেচিম আহমেদৰ মাতৃ তথা প্ৰয়াত মুকুট আলিৰ পত্নী মালেকা বেগমৰ(৭১) আজি (২৭-৯-২৫) চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। বিগত কেইদিনমানৰ পৰা তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। ডিব্ৰুগড়ৰ দক্ষিণ আমোলাপট্টিৰ নিবাসী মালেকা বেগমে মৃত্যুৰ সময়ত সাংবাদিক পুত্ৰ জেচিমৰ লগতেই পুত্ৰ - জীয়ৰী ক্ৰমে মিফটাৰ, আফচাৰৰ লগতে দুই বোৱাৰী, নাতি-নাতিনী আৰু বহু আত্মীয়ক ইহ সংসাৰত এৰি যায়। এগৰাকী অতি অমায়িক, সমাজত প্ৰতিষ্ঠিত ধৰ্মপ্ৰাণা মহিলা গৰাকীৰ মৃত্যুত ৰাজ্যৰ মন্ত্ৰী প্ৰশান্ত ফুকনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে মৃতকৰ ঘৰত গৈ সমবেদনা জ্ঞাপন কৰে। তেখেতৰ মৃত্যুত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা, উপ-সভাপতি বিভাস দুৱৰা, সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁই সহ জ্যেষ্ঠ কনিষ্ঠ সাংবাদিক উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সভাপতি তনুজ হালৈ, ডিব্ৰুগড প্ৰেছ ক্লাব, ডিব্ৰুগড় সাহিত্য সভা, ডায়মণ্ড স্পৰ্টিং ক্লাবৰ উপৰিও অনেক অনুষ্ঠান- প্ৰতিষ্ঠানৰ প্ৰতিনিধি আদি উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালৈ সমবেদনা প্ৰকাশ কৰে। আজি আমোলাপট্টিক বৰস্থানত অনেক গুণমুগ্ধৰ উপস্থিতিত জানাজা নিমজ সম্পন্ন কৰা হয়।

# জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচৰা শৰৎ সৌৰভক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, দেৰগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ দাবীত দেৰগাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰা সাংস্কৃতিক কৰ্মী তথা বৃহত্তৰ দেৰগাঁৱত অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সাংস্কৃতিক সচিব শৰৎ সৌৰভক দেৰগাঁও আৰক্ষীয়ে সাংস্কৃতিক কৰ্মীগৰাকীৰ নিজা ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে, সাংস্কৃতিককৰ্মী তথা জুবিন গাৰ্গৰ অনুগামী শৰৎ সৌৰভ জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়াত ভাগ ল'বলৈ যাওঁতে সোণাপুৰৰ অন্ত্যেষ্টিক্ৰিয়া জুবিনৰ মৃত্যুৰ ন্যায় বিচৰি থলীতে জুবিন গাৰ্গৰ পূৰ্বৰ মেনেজাৰ টাৰ্চেন মিটালক দেখা পোৱাৰ লগে লগে নিজৰ আৱেগ ৰক্ষা কৰিব নোৱাৰি মিটালক গ্ৰেপ্তাৰ কৰক, শ্যামকানু মহন্তক গ্ৰেপ্তাৰ কৰক, সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ কৰক বুলি চকীৰ ওপৰত উঠি প্ৰতিবাদ কৰে। এই প্ৰতিবাদৰ বাবে আইনী ৰোষত পৰিল দেৰগাঁৱৰ শৰৎ সৌৰভ। দেৰগাঁও আৰক্ষীয়ে সোধাপোছা কৰাৰ পাছত শৰৎ সৌৰভক সোণাপুৰ আৰক্ষীক গতাই দিয়া বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে শৰৎ সৌৰভ এগৰাকী সাংস্কৃতিককৰ্মী আৰু তেওঁ ৰচনা কৰা বহুকেইটা গীতত জুবিন গাৰ্গে কণ্ঠদান কৰিছে। শৰৎ সৌৰভক গ্ৰেপ্তাৰ কৰা কাৰ্যক সহজভাৱে ল'ব পৰা নাই সচেতন মহলে। এইক্ষেত্ৰত বিভিন্নজনে সামাজিক মাধ্যম যোগেদি প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে সাংস্কৃতিক কৰ্মীগৰাকীক মুকলি কৰি দিবলৈ অসম আৰক্ষীলৈ আহ্বান জনাইছে।

# স্বামীয়ে হত্যা কৰিলে পত্নীক; হত্যাকাৰী স্বামীৰ পলাতক

## বঙাইগাঁৱৰ গোলাপাৰা প্ৰথম খণ্ডত নৃশংস হত্যাকাণ্ড

**অসম বাৰ্তা, লেংটিছিঙা, ২৮ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ কোকিলা আৰক্ষী নিৰীক্ষণ চকীৰ অন্তৰ্গত গোলাপাৰা প্ৰথম খণ্ডত নিশা নৃশংস হত্যাকাণ্ড সংঘটিত হয়। বাক্কাৰ আলী নামৰ ব্যক্তিজনে নিজ পত্নী তাৰাভানু (৫০)ক হত্যা কৰে। প্ৰকাণ্ড শিলৰে মুৰত আঘাত কৰি হত্যা কৰাৰ অভিযোগ। নিশা স্বামী-স্ত্ৰীৰ মাজত হোৱা কাজিয়াৰ ফলত নৃশংস হত্যাকাণ্ড সংঘটিত হয়। ঘটনাস্থলীত অতিৰিক্ত আৰক্ষী অধীক্ষক(ক্ৰাইম), সমজিলা আৰক্ষী অধীক্ষক, কাৰ্যবাহী দণ্ডাধীশ আৰু ফৰেনচিকৰ দল উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। মৃতদেহটো মৰোনত্তৰ পৰীক্ষাৰ বাবে বৰপেটা লৈ প্ৰেৰণ কৰে। ঘটনাটোৱে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# কুজিডাঁহৰ প্ৰাক্তণ অধ্যক্ষ দধিমোহন বৰাৰ পৰলোক

**অসম বাৰ্তা, বেবেজীয়া, ২৮ ছেপ্টেম্বৰ ঃ** বিশিষ্ট লেখক, কুজিডাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তণ অধ্যক্ষ, কুজিডাঁহ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দধিমোহন বৰাৰ শুক্ৰবাৰে সন্ধ্যা প্ৰায় ৬.৩০ বজাত পৰলোক প্ৰাপ্তি হয়। বিশিষ্ট সাহিত্যিক বৰাই অসমীয়া জতুৱা ঠাচ, প্ৰবাদ, কবিতা, গল্প আদিকে ধৰি কেইবাখনো গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভড়ালৈ অবদান আগবঢ়াই গৈছে। অসম সাহিত্য সভাৰ প্ৰাক্তণ সভাপতি লক্ষ্মীনন্দন বৰাৰ ভতিজা দধিমোহন বৰাৰ মৃত্যুত নগাঁও জিলা সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু এগৰাকী নিষ্ঠাৱান, নীৰৱ সাহিত্য সাধকৰ মৃত্যু অসমীয়া সাহিত্যৰ বাবে ডাঙৰ ক্ষতি বুলি জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকী আৰু সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই মত প্ৰকাশ কৰে। বৰাৰ বিয়োগৰ বাতৰিটো বিয়পি পৰাৰ লগে লগে অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। দীৰ্ঘদিন ধৰি বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ বিয়োগ ঘটা বৰাই পত্নীৰ উপৰি তিনিজন পুত্ৰ, বোৱাৰী, নাতিনীৰ লগতে বহু আত্মীয়জনক এৰি থৈ যায়। তেখেতৰ মৃত্যুত কুজিডাঁহ অঞ্চলৰ অনুষ্ঠান-প্ৰতিষ্ঠান, জাজৰি প্ৰেছ ক্লাৱে গভীৰ শোক প্ৰকাশ কৰিছে।

# দৈয়াং আঞ্চলিক মইনা পাৰিজাতক গোলাঘাট জিলা মইনা পাৰিজাতৰ স্বীকৃতি প্ৰদান

**অসম বাৰ্তা, মেৰাপানী, ২৮ ছেপ্টেম্বৰ ঃ** সদৌ অসম মইনা পাৰিজাতৰ অন্তৰ্গত গোলাঘাট জিলা মইনা পাৰিজাতৰ কাৰ্যনিৰ্বাহক সভাখনি আজি ৰবীন্দ্ৰনাথ ঠাকুৰ মইনা পাৰিজাতত অনুষ্ঠিত হয়। গোলাঘাট জিলা মইনা পাৰিজাতৰ সভাপতি যোগেন দত্তই সভাপতিত্ব কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে গোলাঘাট জিলা মইনা পাৰিজাতৰ সাধাৰণ সম্পাদক কামেশ্বৰ গগৈয়ে। আজি গোলাঘাট জিলা মইনা পাৰিজাতৰ বিষয়ববীয়াসকলৰ উপস্থিতিত সভাই দৈয়াং আঞ্চলিক মইনা পাৰিজাতক নতুন আঞ্চলিক হিচাপে স্বীকৃতি প্ৰদান কৰে। জিলা সমিতিৰ সভাখনত দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ হৈ উপ-সভাপতি পৰশমণি বৰুৱা, বোপাৰাম হাছদা আৰু সাধাৰণ সম্পাদক ভদ্ৰেশ্বৰ বৰা উপস্থিত থাকে।


# বকুল ফুলৰ দৰে উপন্যাসখনৰ অন্তৰ্নিহিত অনুভৱ মাষ্টৰ সত্বাটি

পদ্ম মৰাণ

আমি পৰিকল্পনা কৰা বিপৰীতে কিছুমান বস্তু কেতিয়াবা আমাৰ হাতত আহি পৰে, সেয়েহে মানৱ জীৱনটো কল্পনা অপৰিসীম এক সত্তা। যাত্ৰীকতা এই মায়াভৰা কঠোৰ সংগ্ৰামৰ পৃথিৱীখন কোনো কাৰো আপোন নহয় বুলি জীৱনৰ সৰু সৰু অভিজ্ঞতাই সকলোকে কিছু কিছু ক্ষেত্ৰত সবল কৰি থৈছে। সকলোৰে নিজৰ নিজৰ পৃথিৱী আখৰা কৰাত ব্যস্ত।

**শি**ক্ষা হৈছে আমাৰ বাস্তৱ জীৱনৰ মূল চাবিকাঠি। বৰ্তমান জীৱনৰ বহুখিনি জ্ঞান পাঠ্যপুথিৰ পৰা আহৰণ কৰিব লগীয়া হয়, যদিও বহুখিনি জ্ঞান মানৱ সমাজৰ পৰা আহৰণ কৰিব লগা হয়। অসমীয়া সাহিত্য জগতখন হল এক জাতীয় জাগৰণৰ অমৰ সৃষ্টি। শিক্ষা ক্ষেত্ৰখনলৈ মন কৰিলে পূৰ্বতে কেইজন মান বিশিষ্ট ব্যক্তিয়ে সাহিত্য চৰ্চা কৰিছিল যদিও বৰ্তমান অসমীয়া বহু সাহিত্যিকে বিভিন্ন ধৰণৰ গ্ৰন্থ আগবঢ়াইছে। সেই সমূহৰ ভিতৰত মোৰ এখন অতি প্ৰিয় কিতাপ হল মৃণাল কলিতা দেৱৰ বকুল ফুলৰ দৰে। বিভিন্ন ধৰণৰ সাহিত্য কিতাপ সমূহ পঢ়াৰ হাবিয়াস এটা কম বয়সতে জন্মিছিল। মই অধ্যয়ন কৰা সাহিত্য জগতৰ প্ৰথমখন কিতাপেই আছিল বকুল ফুলৰ দৰে। কিতাপখন পঢ়ি সঁচাকৈ কিবা এটা অনুভৱ হৈ গৈছিল। বাস্তৱ জীৱনত থাকিব পাৰে নে মৰম, আদৰ, অনুভৱ এইবোৰক প্ৰাধান্য দিয়া শিক্ষক। পঢ়ি থকা সময়ত কিতাপ খনৰ প্ৰত্যেকটো বাক্যই মোৰ চকু পানী নিয়ৰ হৈ সৰিছিল। অনুভৱ sir ৰ অসীমৰ প্ৰতি থকা বিশ্বাস, মৰম আদৰ বোৰেই মোৰ মন মুগ্ধ কৰি পেলাইছিল। সাৱলীল আৰু অনুপ্ৰেৰণা বোধৰ গুণৰ মানুহ বাস্তৱ জীৱনত থাকে নে? মোৰ বাবে কিছু প্ৰশ্ন বোধক হৈ পৰিল। সেই সময়ত অনুভৱ বোৰ সামৰি ৰাখিছিলো মনত। কেতিয়াবা ময়ো যদি জীৱনত তেনেকুৱা অনুভৱ sir দৰে অন্তৰ জিকাব পৰা শিক্ষক লগ পাও নিশ্চয় কিতাপ খনৰ দস্তাবেগ বোৰ উনুকীয়াবলৈ চেষ্টা কৰিম।

আমি পৰিকল্পনা কৰা বিপৰীতে কিছুমান বস্তু কেতিয়াবা আমাৰ হাতত আহি পৰে, সেয়েহে মানৱ জীৱনটো কল্পনা অপৰিসীম এক সত্তা। যাত্ৰীকতা এই মায়াভৰা কঠোৰ সংগ্ৰামৰ পৃথিৱীখন কোনো কাৰো আপোন নহয় বুলি জীৱনৰ সৰু সৰু অভিজ্ঞতাই সকলোকে কিছু কিছু ক্ষেত্ৰত সবল কৰি থৈছে। সকলোৰে নিজৰ নিজৰ পৃথিৱী আখৰা কৰাত ব্যস্ত। মৰম, স্নেহ, সহানুভূতি, আদৰ, স্বভিমান, অনুভূতি এইবোৰ স্বীকৃতি দিয়াত যেন সকলো মানুহেই ব্যৰ্থ। সকলোৰে এইবোৰ ভবাৰ দৰে ময়ো এই ক্ষেত্ৰত ব্যতিক্ৰম নাছিলোঁ। ময়ো বাস্তৱ সমাজত বকুল ফুলৰ দৰে উপন্যাসখনত উল্লেখ থকা মহেন্দ্ৰ মাষ্টৰ চৰিত্ৰৰ দৰে শিক্ষক আছে বুলি মনত ধাৰণা কৰি লৈছিলোঁ, এই ক্ষেত্ৰত মই কোনো শিক্ষক বেয়া বুলি প্ৰতিপন্ন কৰিবলৈ যোৱা নাই ময়ো জীৱনত বহুত ভাল শিক্ষক লগ পাইছোঁ, কিন্তু বৰ্তমান ছাত্ৰ-ছাত্ৰী সমাজখনে এটা ভুল ধাৰণা মনত পোষণ কৰি লৈছে যে মহেন্দ্ৰ মাষ্টৰ দৰে দয়াহীন সময় সাপেক্ষে কঠোৰ হৈ পৰাই শিক্ষকৰ আচল চৰিত্ৰ বুলি বিশ্বাস কৰে আৰু বাস্তৱ জীৱনত শিক্ষকসকল তেনেকুৱা প্ৰকৃতিৰ হয় বুলি বহু ছাত্ৰ-ছাত্ৰীয়ে মনত ধাৰণা কৰি লয়। ময়ো প্ৰথমে কিতাপখন পঢ়ি পেলাই ভাবিছিলো বাস্তৱ জীৱনত সঁচাকৈ অনুভৱ sir দৰে শিক্ষক আছে নে বুলি, ময়ো কেতিয়াবা যে বাস্তৱ জীৱনত এনে শিক্ষক লগ পাম মোৰ বাবে কল্পনা অপৰিসীম আছিল। কিতাপ খনৰ কাল্পনিক চৰিত্ৰ এটা বাস্তৱ জীৱনত এজন শিক্ষক হিচাপে লগ পাম বুলি সঁচাকৈ ভবা নাছিলোঁ। হয় মই ক'ব বিচাৰিছোঁ অনুভৱ মাষ্টৰ দৰে একে সত্তাকে একে সঞ্জীৱনীকে জীয়াই ৰখা আমাৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত Doom Dooma ৰ ৰূপাই অঞ্চলত অৱস্থিত বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয় সহকাৰী শিক্ষক ৰূপে কৰ্মৰত অক্ষই জ্যোতি মহন্ত কথা। শিক্ষক হ'বলৈ বহু গুণৰ অধিকাৰী হব লাগিব, কেৱল নিজকে শিক্ষক পদত অধিষ্ঠিত কৰিলেই যে সঁচা অৰ্থত এজন শিক্ষক হৈ পৰে সেই কথা মোৰ দৃষ্টিৰে নকয়। Sir লগ পোৱাৰ আগলৈকে ময়ো মনত এক ভুল ধাৰণাকে প্ৰাধান্য দি আছিলো। ভাবিছিলো হয়টো বাস্তৱ জীৱনত কোনো এনেকুৱা শিক্ষক থাকিব নোৱাৰে যিয়ে কাৰোবাৰ মন জয় কৰিবলৈ সক্ষম হয়। সঁচাকৈ অক্ষই sir এজন বহু গুণৰ লগতে গাম্ভিজ্য পূৰ্ণ ব্যক্তি। এজন ছাত্ৰৰ আবেগ অনুভূতি প্ৰশ্ৰয় দিয়া এজন অংকুৰিত ব্যক্তি আপুনি। উপন্যাস খনত অৰ্ন্তনিহিত অনুভৱ sir যি সাৱলীল চৰিত্ৰ আছে সেই সকলো বোৰ গুনেই যেন তেওঁৰ তাত বিৰাজমান। ভবা নাছিলোঁ কেতিয়াও যে আপোনাৰ দৰে ব্যক্তি জীৱনত লগ পাম।



মানুহৰ আবেগ অনুভূতি এইবোৰ প্ৰাধান্য প্ৰদান কৰা এজন সফল ব্যক্তি আপুনি, মানুহ বোৰে সমাজ খনত বৰ্তমান ইমানেই যান্ত্ৰিকতা সোমাই পৰিছে যে মানৱতা বোধ হেৰাই গৈছে, নিজৰ বাহিৰে বেলেগক প্ৰাধান্য দিয়া কথাটো যেন আওকাণ কৰে, কিন্তু আপুনি সঁচাকৈ পৃথক সেইসকল শিক্ষকৰ তুলনাত। আপোনাৰ গাত যেন এজন সফল শিক্ষকৰ সকলো গুণেই বিৰাজমান, বিভিন্ন সমস্যা সমূহ পৰিচালনা আৰু ৰূপায়ণ কৰাত যে কেৱল এজন ছাত্ৰই দৃষ্টি নিক্ষেপ কৰিব লাগিব এনে নহয় এই ভ্ৰান্ত ধাৰণাৰ কথা যেন পুনৰ বাৰ আপোনাৰ পৰাই বুজি উঠিলো। মানুহ জনৰ ব্যক্তিত্বটো সঁচাকৈ আপোন মোৰ কেইবাটাও জনমৰ আপোনাৰ ব্যক্তিত্বই মোৰ বাবে সঁচাকৈ আকৰ্ষণৰ কেন্দ্ৰবিন্দু, সজ সৰল অমায়িক ব্যক্তিতই যেন এক এৰাব নোৱাৰা এনাজৰিৰে বান্ধি পেলালে, কিছুমান ব্যক্তি আছে যিয়ে কেৱল নিজৰ ব্যক্তিগত জীৱনত বেছি গুৰুত্ব প্ৰদান কৰে এজন শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা ওপৰত দৃষ্টি নাৰাখে। কিন্তু আপুনি সেইবোৰৰ তুলনাত বহুত ওপৰত এজন ছাত্ৰক সদায় আগুৱাই নিয়াত কেনেদৰে, কি পন্থা অৱলম্বন কৰিব লাগে সেই দিশত আপুনি সদায় আগৰণুৱা। থাকে এজন ছাত্ৰৰো থাকে কিছুমান সমস্যা কিছুমান বিশেষ দিশত দুৰ্বলতা কিন্তু সেইবোৰ যে আপুনি পদ পদক্ষক হিচাপে আঙুলিয়াই দিয়ে সেয়াই আমাৰ বাবে বিশেষ, সেয়েহে কওঁ শিক্ষকৰ লগতে এজন ভাল মানুহ হিচাপে এজন বিশেষ ব্যক্তি আপুনি। মানুহ হিচাপে জন্ম লৈ খুব কম দিনৰ বাবে এই পৃথিৱীত থাকে সেই দিন কেইটা যে মানুহে মানুহক প্ৰাধান্য দিব লাগে, এই অনুভৱটো sir ক দেখা পালে পুনৰ বাৰ মনত ইচ্ছাকৃত ভাৱে উদয় হয়। এজন শিক্ষক হিচাপে সঁচাকৈ মহান আপুনি, আপোনাৰ ব্যক্তিত্বই সুকীয়া, ছাত্ৰ ছাত্ৰী মাজৰ থকা সমস্যা বিলাকৰ সমাধান আপুনি সেয়েহে কওঁ আপুনি সঁচাকৈ মোৰ বাবে এজন মহান ব্যক্তি। উপন্যাস খনত অনুভৱ মাষ্টৰে যেনেকৈ নিৰ্মল আৰু অসীমৰ বাবে এজন আদৰ্শ ব্যক্তি ঠিক তেনেকৈ মোৰ বাবে এজন আপুনি আদৰ্শ প্ৰেৰণা মূলক ব্যক্তি। ব্যক্তিগত ভাৱেও যদি চাও আপুনি সঁচাকৈ এজন ভাল ব্যক্তি, মানৱতা বোধ, সৰল মনৰ এজন ব্যক্তি আপুনি সেয়েহে কওঁ আপুনি আপোনাৰ ব্যক্তিত্ব সদায় নিজৰ লগতে ৰাখক।

আপোনাৰ কথা হয়টো ইয়াত এনেদৰে বিশ্লেষণ কৰি হয়টো শেষ নহব, আপোনাক ওচৰৰ পৰা লগ পালে হয়টো ভালদৰে বুজি উঠিব যে আপুনি সঁচাকৈ অনুভৱ মাষ্টৰ সত্তাটো জীয়াই ৰাখিছে। অনুভৱ মাষ্টৰে যেনেকৈ ছাত্ৰ ছাত্ৰীক আকৰ্ষণ কৰিব পাৰিছিল, শ্ৰেণীত প্ৰত্যেক বাৰে ফেইল কৰা সিদ্ধাৰ্থ যেনেকৈ উৎসাহিত কৰি কৈছিল: শ্ৰেণীটোত তুমিয়ে আছা একমাত্ৰ সিদ্ধাৰ্থ, যিয়ে ইমান ধুনীয়াকৈ বাঁহী বজাব পাৰে।

উক্ত বাক্য শাৰীয়ে মোৰ সঁচাকৈ হৃদয়খন জোকাৰি পেলাইছিল। কিমান হৃদয়স্পৰ্শী হলে এজন শিক্ষকে পঢ়াত দুৰ্বল এজন ছাত্ৰকো অনুপ্ৰেৰণা দিব পাৰে। এই গুণ বোৰৰ ক্ষেত্ৰত আপুনি কোনো গুনেই ব্যতিক্ৰম নহয় অক্ষই জ্যোতি মহন্ত sir। ঠিক সেই অনুভৱ sir দৰে আপুনিও এজন হৃদয়স্পৰ্শী শিক্ষক। এজন শিক্ষক প্ৰকৃতাৰ্থক কেনকুৱা কোৱা উচিত আপোনাৰ পৰাই বহুজনে উপলব্ধি কৰিব পাৰিব। আপোনাক ওচৰৰ পৰা লগ পালে সকলোৰে উপলব্ধি কৰিব পাৰিব, বুজিব পাৰিব যে আপুনি সঁচাকৈ এজন উপন্যাস জগতৰ এজন অনুভৱ মাষ্টৰ।

বহুতে জীৱনত এনেকুৱা অনুপ্ৰেৰণা, অনুকৰণ মূলক শিক্ষক জীৱনত বিচাৰি ফুৰে হয়টো কিছু কিছু লোকে এতিয়াও আদৰ্শ হিচাপে বিভিন্নজন লোকক সন্মান, আদৰ কৰে। উপন্যাসখন পঢ়ি যে বাস্তৱ জীৱনৰ এগৰাকী অনুভৱ sir লগ পালো তাৰ বাবে নিজকে গৌৰৱান্বিত অনুভৱ কৰোঁ। সেয়েহে মনৰ পৰা এটা কথা কওঁ যে বকুল ফুলৰ দৰে উপন্যাসখনৰ উপস্থাপন কৰা অনুভৱ মাষ্টৰ সত্তা টি আমাৰ ইয়াতো আছে। আপুনি সদায় অনুভৱ sir সত্তা টি জীয়াই ৰাখক, আমাৰ বাবে সদায় আপুনি এজন অনুভৱৰ ব্যক্তি হৈ ৰওক আৰু ভালে থাকক আপুনি।

# বেজবৰুৱাৰ 'ছাইমন'ত প্ৰকাশিত বিচ্ছেদৰ বেদনা তথা আপোনজনৰ সৈতে পুনৰ্মিলনৰ আকাংক্ষা

ড° পংখী প্ৰিয়া শৰ্মা

**আ**ধুনিক অসমীয়া সাহিত্যৰ এটি জনপ্ৰিয় বিধা 'চুটিগল্প'ৰ পোনপ্ৰথমে 'জোনাকী'ৰ পৃষ্ঠপোষকতাত প্ৰকাশ তথা প্ৰচাৰ আৰু বিকাশ হৈছিল বুলি ক'ব পাৰি। চুটিগল্পৰ সৃষ্টিৰ প্ৰথম অনুপ্ৰেৰণা আছিল পাশ্চাত্য সাহিত্য জগত। অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত প্ৰথম চুটিগল্পৰ উকমুকনি হয়। বেজবৰুৱাৰ সৃষ্টিৰাজি অধ্যয়ন কৰিলে অনুভৱ হয়, অসমৰ সাধাৰণ জনজীৱন, প্ৰাচীন ঐতিহ্য - পৰম্পৰা আদিৰ ক্ষেত্ৰত তেখেতৰ (বেজবৰুৱাৰ) অপৰিসীম জ্ঞান আছিল। চুটিগল্পত সাধাৰণতে জীৱনৰ ক্ষুদ্ৰ অথচ অনন্য অভিব্যক্তিৰ কলাসন্মত ৰূপত প্ৰকাশ হয়। বেজবৰুৱাই অসমীয়া ৰীতি -নীতি, কুসংস্কাৰ, অন্ধবিশ্বাস, সাধাৰণ জনজীৱনৰ আশা-আকাংক্ষাৰ লগতে ইংৰাজী গল্প -সাহিত্য,বাংলা গল্প -সাহিত্যৰ দ্বাৰা প্ৰভাৱান্বিত হৈ বাস্তৱমুখী আধুনিক পৰ্যায়ৰ চুটিগল্প ৰচনা কৰিলে।প্ৰকৃত লেখক এজনৰ বাস্তৱৰ সকলো ক্ষেত্ৰতে ৰাপ থকা অত্যন্ত প্ৰয়োজন। বেজবৰুৱাৰ সাহিত্য -কৰ্মতো উল্লিখিত দিশৰ স্বাক্ষৰ অনন্য ৰূপত উজ্জ্বলি আছে। বেজবৰুৱাৰ বলিষ্ঠ পদক্ষেপত অসমীয়া সাহিত্যই এক সুন্দৰ ৰূপ পৰিগ্ৰহ কৰিলে। অসমীয়া সাহিত্যত 'ৰেজবৰুৱাৰ যুগ' হিচাপে এটি যুগৰ নামকৰণ হোৱাৰ লগতে বেজবৰুৱাৰ অপৰিসীম প্ৰভাৱ প্ৰতিটো প্ৰজন্মতে অনুভূত হোৱা গৌৰৱ তথা অন্তহীন প্ৰেৰণাৰ আকৰস্বৰূপ।

বেজবৰুৱাৰ 'কেঁহোকলি'ৰ অন্তৰ্গত এটি চুটিগল্প হৈছে 'ছাইমন'। চুটিগল্পত নাটকীয়তাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। 'ছাইমন'ৰ আৰম্ভণিতে নাটকীয়তাৰ উপস্থাপন হৈছে এনেদৰে -

"এই 'ছাইমন উভতি যোৱাগৈ' ছাইমন নহয়; এই ছাইমন 'ভাৰততে থাকা' ছাইমনহে।"(কেঁহোকলি, পৃষ্ঠা ৭২)

উল্লিখিত কথাখিনিয়ে পোনপ্ৰথমেই ছাইমন আয়োগ সম্পৰ্কে পাঠকৰ মনত ক্ৰিয়া কৰে। ভাৰতবাসীৰ উপযুক্ত বিচাৰ কৰাৰ নিমিত্তে গঠিত হোৱা এই আয়োগক বিষয়বস্তু হিচাপে গ্ৰহণ কৰি বেজবৰুৱাই গল্পটো নিৰ্মাণ কৰিছে বুলি পাঠকসকলে এক ধাৰণা গ্ৰহণ কৰাৰ সময়তে চুটিগল্পটোৰ দ্বিতীয় দফাত দৰাচলতে চুটিগল্পটোৰ বিষয় যে ভিন্ন সেয়া স্পষ্ট হৈ পৰে। চুটিগল্পটো প্ৰথম পুৰুষত গল্পকাৰে বৰ্ণনা কৰি গৈছে। গল্পটোৰ বক্তা অৰ্থাৎ কাহিনী কথকজনে বৰ্ণনা কৰি গৈছে, কিদৰে বিলাসপুৰৰ ৰেলৰে ষ্টেচনত শাৰীৰিক অসুস্থতাৰ বাবে ডাক্তৰ ছাইমনৰ যত্নত তেখেত আৰোগ্য হ'ল, ডাক্তৰ ছাইমনে মাতৃয়ে চাহৰ বাবে নিমন্ত্ৰণ জনোৱাত কিদৰে তেখেত(কাহিনী কথক) তীব্ৰ কৌতুহলৰ বশৱৰ্তী হৈছে। ডাক্তৰ ছাইমনৰ মাতৃক লগ পোৱাৰ পিছতহে দৰাচলতে গল্পটোত আশ্চৰ্য, বেদনাৰ প্ৰকৃতাৰ্থত প্ৰকাশ ঘটিছে বুলি ক'ব পাৰি।

সৃষ্টিশীল সাহিত্যত চৰিত্ৰই বিশেষ ভূমিকা পালন কৰে। পৰিৱেশ, কাহিনীতকৈও চৰিত্ৰৰ প্ৰভাৱ বহু সময়ত অধিক সুদূৰপ্ৰসাৰী হৈ পৰে। 'ছাইমন' শীৰ্ষক চুটিগল্পত ডাক্তৰ ছাইমনৰ মাতৃ চুটিগল্পটোৰ বিকাশ, পৰিণতিত মুখ্য ভূমিকাত অৱতীৰ্ণ হৈছে। ছাইমনৰ মাতৃ এগৰাকী অসমীয়া নাৰী বুলি জ্ঞাত হোৱাত কাহিনীটোৰ বক্তাৰ আশ্চৰ্যৰ সীমা নোহোৱাৰ উপক্ৰম হৈছে। অৱশ্যে এই আশ্চৰ্যৰ অৱসান ঘটোৱাত ডাক্তৰ ছাইমনৰ মাতৃ সক্ষম হৈছে। দৰিদ্ৰতাৰ বাবে ছাইমনৰ মাতৃক (সেই সময়ৰ এগৰাকী তৰুণী) পিতৃ -মাতৃয়ে এঘৰত বনকৰা ছোৱালী হিচাপে ৰাখিবলৈ বাধ্য হয়। দৰিদ্ৰতাই কোঙা কৰা ছাইমনৰ তদানীন্তন সময়ৰ গাভৰু অবিবাহিতা মাতৃ গৰাকী একাকীত্বৰপৰা মুক্ত হোৱাৰ আকাংক্ষাৰে এজন চীনা লোকৰ সৈতে বনকৰা মানুহ ঘৰক নজনোৱাকৈ গুচি যায়। চীনা লোকজনৰ সৈতে সংসাৰ আৰম্ভ কৰাৰ কিছু বছৰৰ পিছত ছাইমনৰ জন্ম হয়। সময়ত ছাইমনক এজন ডাক্তৰ হিচাপে গঢ়িবলৈ তেখেতলোক সক্ষম হয়। নিজৰ জীৱনৰ বিষয়ে অনৰ্গল কৈ থকা নাৰীগৰাকী সুখী হৈও এক তীব্ৰ বিষাদবোধত নিমজ্জিত হৈ থকাৰ কথা কাহিনী কথকজনে জানিব পাৰে। যুৱতী অৱস্থাতে পিতৃগৃহৰপৰা বিচ্ছিন্ন হোৱা নাৰীগৰাকী নিজৰ মাতৃ,ভাতৃৰ ক্ষণিক সান্নিধ্য বিচাৰি আতুৰ যদিও তেখেতলোকৰ কায়িক উপস্থিতি সমসাময়িক সময়ত সম্ভৱ নে অসম্ভৱ এই চিন্তাত চিন্তাক্লিষ্ট হৈ আছে। সেয়ে, কাহিনীটোৰ কথকজনক ছাইমনৰ মাতৃয়ে ভাতৃ, মাতৃৰ অস্তিত্ব বিচাৰিবলৈ অনুৰোধ কৰা দেখা যায়। কাহিনী কথকে গুৱাহাটীত এই সম্পৰ্কে অনুসন্ধান কৰি কাৰো সবিশেষ নোপোৱাত ডাক্তৰ ছাইমনৰ মাতৃলৈ চিঠি লিখি বিষয়টো অৱগত কৰাতে চুটিগল্পটোৰ পৰিসমাপ্তি ঘটিছে।

চুটিগল্পটোত প্ৰাপ্তিৰ আনন্দৰ লগতে আপোনজনৰপৰা চিৰদিনলৈ বিচ্ছেদ হোৱাৰ ভাষাৰে অপ্ৰকাশ্য তীব্ৰ যন্ত্ৰণাৰ উপস্থিতি আছে। সফল পুত্ৰৰ সৈতে সম্পূৰ্ণ হৈও প্ৰকৃততে অসম্পূৰ্ণ নাৰীগৰাকী দৰাচলতে পৰিয়ালৰ পৰা চিৰদিনলৈ আঁতৰি অহা নাৰীৰ এক প্ৰতিনিধি চৰিত্ৰ।পৰিয়াল,আত্মীয়ৰ পৰা চিৰদিনলৈ বিচ্ছেদিত হৈ নতুন ঠাইত নৱজীৱন আৰম্ভ কৰা নাৰী প্ৰতিটো শতিকাতে বৰ্তমান। দক্ষ সাহিত্য সাধকৰ ৰচনাত এনে নাৰীৰ জীৱন যন্ত্ৰণা বাস্তৱ হৈ সাহিত্যত প্ৰকাশ লাভ কৰে। এই ক্ষেত্ৰত বেজবৰুৱাৰ 'ছাইমন'ক বিনা দ্বিধাই এটি সাৰ্থক চুটিগল্প হিচাপে অভিহিত কৰিব পাৰি। ভৱিষ্যতৰ সময়তো বিচ্ছেদৰ বেদনা তথা আপোনজনৰ সৈতে পুনৰ্মিলনৰ আকাংক্ষাৰ বিশ্বজনীন আৰ্তিৰে সৃষ্ট চুটিগল্পটো অধ্যয়ন তথা আলোচনাৰ বাবে প্ৰাসংগিক হৈ ৰ'ব।

*(লক্ষ্মীনাথ বেজবৰুৱাৰ 'ছাইমন' চুটিগল্পৰ আধাৰত প্ৰস্তুত কৰা লেখা।)*

"জিগলো" এখন বাস্তৱধৰ্মী উপন্যাস। এই শব্দৰ অৰ্থ হ'ল পুৰুষ বেশ্যা। মৰনৈপৰীয়া গাঁৱৰ সুদৰ্শন আৰু মেধাৱী যুৱক আকাশ "জিগলো" হোৱাৰ আঁৰৰ কাহিনী এই উপন্যাস। কি পৰিস্থিতিয়ে আকাশক জিগলো হ'বলৈ বাধ্য কৰালে তাৰে কৰুণগাঁথা এই উপন্যাস। আকাশৰো সপোন আছিল সি এদিন আকাশ চুব। প্ৰেম নামৰ দৈত্যৰ কৱলত পৰি আকাশৰ জীৱনে এক বেলেগ দিশে গতি কৰিছিল। সমাধিস্থ হৈছিল মাক দেউতাক আৰু মৰনৈপৰীয়া গাঁৱৰ মানুহৰ সপোন।

# 'জিগলো' পঢ়াৰ অনুভৱ

দুলুমণি গগৈ

"**জী**ৱন ৰহস্যময়
তাতোকৈও ৰহস্যময় সেই সময়
যি জীৱনটোকে সলনি কৰি দিব পাৰে।"

কেই দিনমানৰ আগতে "জিগলো" পঢ়িলোঁ। কিতাপখন মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত পুৰস্কাৰৰূপে পাইছিলোঁ। কিতাপৰ নামটো আচহুৱা যেন লগাত নপঢ়াকৈয়ে টেবুলত জাপি থৈছিলোঁ। বন্ধৰ দিনকেইটাত কিতাপখন পঢ়ি যেন এখন বেলেগ জগতত সোমাই পৰিলোঁ। পঢ়ি খুব ভাল লাগিল, এটা নজনা বিষয়ৰ সৈতে চিনাকি হলোঁ।



"জিগলো" এখন বাস্তৱধৰ্মী উপন্যাস। এই শব্দৰ অৰ্থ হ'ল পুৰুষ বেশ্যা। মৰনৈপৰীয়া গাঁৱৰ সুদৰ্শন আৰু মেধাৱী যুৱক আকাশ "জিগলো" হোৱাৰ আঁৰৰ কাহিনী এই উপন্যাস। কি পৰিস্থিতিয়ে আকাশক জিগলো হ'বলৈ বাধ্য কৰালে তাৰে কৰুণগাঁথা এই উপন্যাস। আকাশৰো সপোন আছিল সি এদিন আকাশ চুব। প্ৰেম নামৰ দৈত্যৰ কৱলত পৰি আকাশৰ জীৱনে এক বেলেগ দিশে গতি কৰিছিল। সমাধিস্থ হৈছিল মাক দেউতাক আৰু মৰনৈপৰীয়া গাঁৱৰ মানুহৰ সপোন।

কি বিচাৰি পুৰুষে নিজ ইচ্ছাৰে বেশ্যাবৃত্তি গ্ৰহণ কৰে? নিজৰ পৌৰষত্বক ভৰিৰে মোহাৰি এগৰাকী নাৰীৰ ওচৰত নিজকে পণ্য কৰি দিওঁতে আত্মাভিমানে বাধা নিদিয়েনে? জিগলোৰ গ্ৰাহক হোৱা নাৰীসকলৰ মানসিকতা কেনে? কিহৰ অভাৱত তেওঁলোকে জিগলোৰ আশ্ৰয় লয়? শাৰীৰিক সুখ নে আন বেলেগ কাৰণ? এই সকলোবোৰ প্ৰশ্নৰ সমাহাৰ এই উপন্যাসখন।

কিতাপখনৰ ভাল লগা কেইটামান বাক্য-

১/ প্ৰেম মানুহৰ জীৱনৰ সঞ্জীৱনী স্বৰূপ। কিন্তু সেই প্ৰেম যেতিয়াই নিচালৈ পৰিৱৰ্তন হয়, তেতিয়াই সি ধ্বংসাত্মক ৰূপ ধাৰণ কৰে। প্ৰেমৰ এই ধ্বংসাত্মক ৰূপটোৰ কাৰণেই বহু যুৱক - যুৱতীয়ে নিজকে ধ্বংসৰ মুখলৈ লৈ যায়।

২/ হয়তো মানুহৰ জীৱনটোৱেই তেনেকুৱা। য'ত সকলো শেষ হৈ যায় তাৰ পৰাই আৰম্ভ হয় এক নতুন যাত্ৰাৰ।

৩/ নিজৰ পতিৰ মাজত নাৰীয়ে দেউতাকৰ দৰে মৰম কৰা এজন পুৰুষৰ অৱস্থিতি বিচাৰে। এজন সঁচা বন্ধু বিচাৰে, ভাতৃৰ দৰে সকলো বিপদৰ পৰা ৰক্ষা কৰাৰ মানসিকতা থকাটো বিচাৰে। সন্তানৰ দৰে মৰম আকলুৱা হোৱাটো বিচাৰে আৰু সকলোতকৈ ঊৰ্ধত তেওঁৰ মাজত এজন প্ৰেমিক বিচাৰে।

৪/ হয়, নাৰীয়ে সা-সম্পত্তি, বেংক বেলেঞ্চ, বিলাসী জীৱন বিচাৰে। সেইটোও সঁচা। নিজৰ ভৱিষ্যত সন্দৰ্ভত দূৰদৰ্শী নাৰীয়ে সদায় নিজৰ ভৱিষ্যতটো সুৰক্ষিত হোৱাটো বিচাৰে। সেইটো তেওঁলোকৰ দূৰদৰ্শিতা। কিন্তু সেই সত্যটোতকৈ ডাঙৰ সত্যটো হ'ল, নাৰীয়ে প্ৰেম বিচাৰে।

# যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্য সমালোচনা ঃ এক পৰ্যালোচনা

প্ৰাঞ্জল প্ৰতিম বৰা

**ভূমিকা ঃ**

সাহিত্য সমালোচনা হৈছে সাহিত্যৰ অধ্যয়ন, মূল্যায়ন আৰু ব্যাখ্যা। সাহিত্য সমালোচনাত সাহিত্য তত্ত্বৰ প্ৰভাৱ পৰাও পৰিলক্ষিত হয়। সাধাৰণ অৰ্থত সমালোচনা বুলি ক'লে বিৰূপ মনোভাৱক বুজায় যদিও সাহিত্যৰ সমালোচনা হ'ল যুক্তিপূৰ্ণ নিৰপেক্ষ বস্তুনিষ্ঠ মূল্যায়ন। সমালোচনা সৰ্বদা সৃষ্টিমূলক হোৱা উচিত, ই কদাপি আক্ৰমণাত্মক অথবা পক্ষপাতিত্বমূলক হোৱা উচিত নহয়।

ৰিচাৰ্ড দুটনৰ মতে - "The understanding and appreciation of literary texts."

সাহিত্য সমালোচনা প্ৰকৃতাৰ্থত এক সৃষ্টিশীল সাহিত্য কৰ্ম। এই প্ৰসংগত টি এছ এলিয়েটে কৈছে "Every form of genuine criticism is directed towards creation," সমালোচকসকলে সাধাৰণতে সাহিত্য সমালোচনা কৰিবলৈ অলংকাৰ পদ্ধতি, বিধিসন্মত পদ্ধতি, ঐতিহাসিক পদ্ধতি, জীৱনীমূলক, মনস্তত্ত্বমূলক পদ্ধতি, পৰিসংখ্যামূলক পদ্ধতি, ভাষাতাত্ত্বিক পদ্ধতি, তত্ত্বসন্ধানী পদ্ধতি, ব্যক্তিগত সমালোচনা, তুলনামূলক পদ্ধতি, বস্তুনিষ্ঠ পদ্ধতি ইত্যাদি বিভিন্ন প্ৰকাৰৰ পদ্ধতিসমূহ ব্যৱহাৰ কৰে।

অসমীয়া সাহিত্যত সমালোচনা সাহিত্যই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই নিৱন্ধত যুদ্ধোত্তৰ যুগৰ অসমীয়া সমালোচনা সাহিত্য ক্ষেত্ৰৰ বিষয়ে এক বিশ্লেষণাত্মক পৰ্যালোচনা কৰিবলৈ বিচৰা হৈছে।

**বিষয়বস্তুত প্ৰৱেশ ঃ**

অসমীয়া সমালোচনা সাহিত্যৰ উদ্ভৱ হয় খ্ৰীষ্টীয় ১৯ শ শতিকাৰ শেষৰ তিনিটা দশকত। অসমীয়া সাহিত্যত যুদ্ধোত্তৰ যুগ বুলি ক'লে সাধাৰণতে ১৯৪০ চনৰপৰা ১৯৭০ চনৰ সময়ছোৱাক বুজা যায়। এই সময়ছোৱাথ বহুকেইগৰাকী অসমীয়া সাহিত্যিকে অসমীয়া সাহিত্য সমালোচনাৰ ভঁৰাল চহকী কৰি থৈ গৈছে। সেইসকলৰ ভিতৰত পদ্মনাথ গোহাঞিঃ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, সত্যনাথ বৰা, হেম বৰুৱা ইত্যাদি উল্লেখযোগ্য। এই যুগৰ সমালোচনা সাহিত্যত যুদ্ধ সময়ৰ প্ৰভাৱ, নব্য দৃষ্টি ইত্যাদি ভাবৰ প্ৰভাৱ সু-স্পষ্ট।

**আলোচনাৰ পদ্ধতি ঃ**

উক্ত নিৱন্ধটো যুগুত কৰোঁতে আলোচনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। মূল উদ্দেশ্য হৈছে যুদ্ধোত্তৰ যুগৰ কালছোৱাৰ বিশিষ্ট সাহিত্য সমালোচক আৰু তেওঁলোকৰ অৰিহণাসমূহৰ বিষয়ে এক সম্যক আলোচনা দাঙি ধৰা।

যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্য **সমালোচনা- সমালোচক আৰু অৰিহণাসমূহ ঃ**

যুদ্ধোত্তৰ যুগৰ সময়ছোৱাত আসাম বিলাসিনী, আসাম মিহিৰ, আসাম দৰ্পণ, আসাম দীপক, আসান নিউজ, আসাম বন্ধু, চন্দ্ৰোদয়, মৌ, আসাম তৰা, ল'ৰাবন্ধু, জোনাকী, বিজুলী, আসাম আদি আলোচনীয়েও সমালোচনাক সাংবাদিকতাৰ মাজেদি প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাইছিল বুলি বিশেষভাৱে উল্লেখ কৰিব পাৰি।

হেম বৰুৱা অসমীয়া সাহিত্যৰ এগৰাকী বলিষ্ঠ সমালোচক। বৰুৱাৰ সমালোচনামূলক মূল গ্ৰন্থখনৰ নাম হৈছে "আধুনিক সাহিত্য" (১৯৬২)।

ভৱানন্দ দত্ত আন এগৰাকী বিশিষ্ট প্ৰতিষ্ঠিত সাহিত্য সমালোচক। দত্তই নিজা প্ৰতিবাদী চিন্তাধাৰাৰে উবুদ্ধ হৈ অসমীয়া সাহিত্য সমালোচনাক এক নব্য গতিধাৰাৰ সূচনা কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ বলিষ্ঠ পৃষ্ঠপোষকতাতেই অসমীয়া সমালোচনা সাহিত্যত মাৰ্কীয় দৰ্শনে প্ৰৱেশ কৰে বুলি কোৱা হয়। তেখেতৰ সমালোচনা বিষয়ক গ্ৰন্থখন হৈছে অসমীয়া কবিতাৰ কাহিনী (১৯৫৯), ৰবীন্দ্ৰ প্ৰতিভা (১৯৬১)।

অসমীয়া সাহিত্যৰ আন এগৰাকী প্ৰসিদ্ধ সমালোচক হৈছে ড° বাণীকান্ত কাকতি। তেখেতৰ "সাহিত্য আৰু প্ৰেম (১৯৪৮) নামৰ গ্ৰন্থখন উল্লেখযোগ্য। কাকতিয়ে অসমীয়া সাহিত্যত পাশ্চাত্য সমালোচনা পদ্ধতিৰ ব্যৱহাৰ কৰি মধ্যযুগীয় আৰু আধুনিক অসমীয়া সাহিত্য আৰু সাহিত্য বিষয়ক সমালোচনা আগবঢ়াইছিল।

ডিম্বেশ্বৰ নেওগ অসমীয়া সাহিত্যৰ আন এগৰাকী প্ৰতিষ্ঠিত সাহিত্য সমালোচক। তেখেতে বৈজ্ঞানিক দৃষ্টিভংগীৰে সাহিত্য সমালোচনাক আগবঢ়াই নিছিল। তেখেতৰ সাহিত্য সমালোচনা বিষয়ক গ্ৰন্থকেইখন হৈছে- অসমীয়া সাহিত্যৰ বুৰঞ্জী (১৯৬৭), অসমীয়া সাহিত্যৰ জিলিঙণি (১৯৬৮), অসমীয়া সাহিত্যৰ জেউতি ( ১৯৫২ ) আদি। এওঁৰ সমালোচনা ব্যৱস্থাপনাত ব্যাখ্যামূলক পদ্ধতিৰ সঘন ব্যৱহাৰ লক্ষ্য কৰা যায়।

উপেন্দ্ৰনাথ লেখাৰুৰ সাহিত্য সমালোচনামূলক গ্ৰন্থ হৈছে - অসমীয়া ৰামায়ণ সাহিত্য (১৯৪৮), অসমীয়া সাহিত্যৰ সেৱক ৰজনীকান্ত বৰদলৈ (১৯৪৮) আদি।

ত্ৰৈলোক্যনাথ গোস্বামী আন এক প্ৰতিষ্ঠিত অসমীয়া সাহিত্য সমালোচক। তেখেতে সাহিত্য আলোচনা (১৯৫০), আধুনিক গল্প সাহিত্য (১৯৬৫ ), ইংৰাজী সমালোচনাৰ ধাৰা আৰু প্ৰভাৱ (১৯৭০ ), সাহিত্য কলা আৰু তাৰ বিচাৰ (১৯৭২), নন্দন তত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য (১৯৮১) আদি সাহিত্য সমালোচনাত্মক গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। তেখেতে ভাৰতীয় পৰম্পৰাৰ সৈতে পাশ্চাত্য সমালোচনা ধাৰাৰ এক সুস্থ সমন্বয় স্থাপন কৰি থৈ যাবলৈ সক্ষম হৈছে।

যজ্ঞেশ্বৰ শৰ্মা অসমৰ এগৰাকী সমালোচক। তেখেতৰ সমালোচনামূলক গ্ৰন্থ দুখন হৈছে - এৰিষ্টটলৰ কাব্য জিজ্ঞাসা আৰু সাহিত্য সংস্কৃতিৰ প্ৰৱাহ।

হেমবৰুৱাৰ সমালোচনাত মননশীলতাৰ অভাৱৰ লগতে নিজা দৃষ্টিভংগীৰ প্ৰভাৱ লক্ষ্য কৰা যায়। গ্ৰন্থসমূহ হৈছে - সাহিত্য আৰু সমস্যা, আধুনিক সাহিত্য, এই গাঁও এই গীত আদি।

মহেশ্বৰ নেওগ অসমৰ আন এগৰাকী সমালোচক। তেখেতৰ গ্ৰন্থসমূহ হৈছে - অসমীয়া গীত সাহিত্য, আধুনিক অসমীয়া সাহিত্য আদি।

সত্যেন্দ্ৰনাথ শৰ্মা অসমৰ আন এগৰাকী প্ৰতিষ্ঠিত, জনপ্ৰিয় সাহিত্য সমালোচক। তেখেতৰ গ্ৰন্থসমূহ হৈছে - অসমীয়া উপন্যাসৰ ভূমিকা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, অসমীয়া নাট্য সাহিত্য, সাহিত্যৰ আভাস, পুৰণি সাহিত্য অধ্যয়ন, অসমীয়া উপন্যাসৰ গতিধাৰা, পুৰণি সাহিত্য অধ্যয়ন, অসমীয়া কাব্যৰ প্ৰৱাহ, ৰামায়ণৰ ইতিবৃত্ত আদি।

মহেন্দ্ৰ বৰা অসমৰ জনপ্ৰিয় সাহিত্য সমালোচক। তেখেতে সমালোচনা ক্ষেত্ৰত এক বিশেষ স্থান অধিকাৰ কৰি আছে। তেখেতে ষষ্ঠ দশকতে সম্পাদনা কৰা "নতুন কবিতা"ৰ যোগেদি সমালোচক হিচাপে প্ৰতিষ্ঠা লাভ কৰে। তেখেতৰ সমালোচনাত্মক গ্ৰন্থ হৈছে - সাহিত্য উপক্ৰমণিকা, ৰমন্যাসবাদ, সাহিত্য আৰু সাহিত্য, অসমীয়া কবিতাৰ ছন্দ, অসমীয়া শিল্পতত্ত্ব আদি।

কেশদা মহন্ত হৈছে প্ৰথম মহিলা সমালোচক। তেখেতে অসমীয়া ৰামায়ণী সাহিত্য, মহাপুৰুষীয়া সাহিত্য, কালিদাসৰ সাহিত্য আদি গ্ৰন্থ ৰচনা কৰি থৈ গৈছে।

অসমীয়া সাহিত্যৰ অন্য এগৰাকী সাহিত্য সমালোচক হৈছে হোমেন বৰগোহাঞিঃ। বৰগোহাঞিৰ স্পষ্টবাদিতা, নিৰ্ভীকতা, বাস্তৱমুখী সমাজ চেতনা আদি মনকৰিবলগীয়া। তেখেতৰ সমালোচনাত্মক গ্ৰন্থ হৈছে - বিশ্বাস আৰু সংশয়, ধূসৰ দিগন্ত, জিজ্ঞাসা আদি।

এওঁলোকৰ উপৰিও ক্ৰমে লীলা গগৈ, উপেন্দ্ৰ নাথ গোস্বামী, হেমন্ত কুমাৰ শৰ্মা, হৰিশচন্দ্ৰ ভট্টাচাৰ্য, নন্দ তালুকদাৰ, পৰাগ চলিহা, যতীন্দ্ৰ নাথ গোস্বামী, বীৰেণ বৰকটকী, হৰিনাথ শৰ্মাদলৈ, প্ৰফুল্ল কটকী, ৰামমল ঠাকুৰীয়া, ভৱপ্ৰসাদ চলিহা, ভৱেন বৰুৱা, বাপচন্দ্ৰ মহন্ত, নৱকান্ত বৰুৱা, মুনীন বৰকটকী, তীৰ্থনাথ শৰ্মা, অতুল চন্দ্ৰ বৰুৱা, বিৰিঞ্চি কুমাৰ বৰুৱা, সূৰ্য কুমাৰ ভূএগ ইত্যাদিয়েও নিজা ৰচনাশৈলীৰে সমালোচনা সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

মুঠৰ ওপৰত যুদ্ধোত্তৰ যুগৰ সাহিত্য সমালোচনাই অসমীয়া সাহিত্যত এক শক্তিশালী তথা সুদৃঢ় ভেঁটি গঢ়ি তুলিবলৈ সক্ষম হৈছে।

## তামিলনাডুত বিজয়ৰ

দুৰ্ঘটনাত অতি কমেও ৮০ জনক বেছি লোক আহত হৈছে, যিসকলে বৰ্তমানে বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত টি ভি কেৰ সভাপতি বিজয়ে নিহতসকলৰ পৰিয়াললৈ প্ৰত্যেকে ২০ লাখ টকাৰ আৰ্থিক সাহায্য আৰু আহতসকললৈ ২ লাখ টকাৰ সাহায্য দিয়াৰ ঘোষণা কৰিছে। অন্যপক্ষে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিহতসকলৰ পৰিয়ালৈ ২ লাখ টকাৰ এককালীন সাহায্যৰ ঘোষণা কৰিছে। এই ঘটনা কাৰুৰ-ইৰোৰড ৰাস্তাৰ ভেলুসামিপুৰামত সংঘটিত হৈছিল, য'ত দশহাজাৰক বেছি লোক উপস্থিত আছিল। টি ভি কেৰ নেতৃত্বই মুঠ ১০, ০০০ লোকৰ সমাবেশৰ বাবে অনুমতি বিচাৰিছিল, কিন্তু বাস্তৱত ২০, ০০০ক বেছি লোক উপস্থিত হোৱাৰ ফলত অত্যধিক ভিৰ সৃষ্টি হৈছিল। বিজয়ৰ আগমনত ছয় ঘণ্টাৰ বিলম্ব হোৱাৰ ফলত ভিৰ মাজত গৰম আৰু পানী-খাদ্যৰ অভাৱত বহু লোক অজ্ঞান হৈ পৰিছে। বিজয়ৰ কাম্পেইন বাসৰ চাৰিওফালে ভিৰৰ এক অংশে পিছলি পৰাৰ ফলত পদপিষ্ট সংঘটিত হৈছিল, যাৰ ফলত বিজয়কো বক্তৃতা আৰম্ভন কৰি সাৰি দিয়াৰ বাবে বাধ্য হ'ব লাগিছে। বিজয়ে এক বিবৃতিত কয়, "কালি কাৰুৰত যি ঘটিল, তাৰ কথা ভাবি মোৰ হৃদয় আৰু মন অবিশ্বাস্যভাৱে গধুৰ হৈ পৰিছে। আমাৰ আপোনজনক হেৰুৱাই মই এক বৃহৎ দুখৰ মাজত সোমাই পৰিছোঁ আৰু এই যন্ত্ৰণা কেনেকৈ প্ৰকাশ কৰিম সেইটো নাজানো। মোৰ চকু আৰু মন অশান্ত হৈছে। লগ পোৱা আপোনালোক সকলোৰে মুখবোৰ মোৰ মনলৈ আহি থকাৰ ফলত প্ৰিয়জনৰ চিন্তাই মাক ব্যথিত কৰি তুলিছে।" তেওঁ লগতে কয়, "আমাৰ আত্মীয়সকল, আপোনজনক হেৰুৱাই পেলোৱা আপোনালোকৰ প্ৰতি বেদনাৰে গভীৰ শোক প্ৰকাশ কৰাৰ সময়ত মই আপোনালোকৰ ওচৰত এই দুখৰ অংশীদাৰ হিচাপে থিয় দিছোঁ। ই আমাৰ বাবে এক অপূৰণীয় ক্ষতি। যিজনেই সান্ত্বনা দিয়ক, আমাৰ আপোনজনক হেৰুৱাই পেলোৱাৰ যন্ত্ৰণা অসহ্যকৰ। অৱশ্যে আপোনাৰ পৰিয়ালৰ এজন হিচাপে মই আমাৰ আপোনজনক হেৰুৱাই পেলোৱা পৰিয়ালক ২০ লাখ টকাৰে আৰু আহতসকলক ২ লাখ টকাৰে সাহায্য দিয়াৰ মনস্থ কৰিছোঁ। লোকচানৰ তুলনাত এই পৰিমাণ বৃহৎ নহয়, কিন্তু ই আমাৰ দায়িত্ব পালনৰ এক অংশ।" বিজয়ে লগতে কয়, "এই সময়ত আপোনালোকৰ পৰিয়ালৰ এজন সদস্য হিচাপে মোৰ কৰ্তব্য যে আপোনালোকৰ লগত থাকিম। আহত আৰু চিকিৎসাধীন হৈ থকা সকলোকে অতি সোনকালে আৰোগ্য লাভ কৰক বুলি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। আপোনালোকক আশ্বাস দিছোঁ যে আমাৰ তামিলনাডু বিজয় পাৰ্টীয়ে নিশ্চিতভাৱে আমাৰ সকলো আত্মীয়ক আৰু চিকিৎসাধীনসকলক সম্ভাৱতঃ সকলো সাহায্য আগবঢ়াব।" এই ঘটনাৰ পৰিপ্ৰেক্ষিতত তামিলনাডু চৰকাৰে ৰিটাৰ্ড হাইকোৰ্ট জাজ আৰুনা জগদীশনৰ নেতৃত্বত এক এক-সদস্যীয় কমিছন গঠন কৰি তদন্তৰ আদেশ দিছে। মুখ্যমন্ত্ৰী এম কে নিহতসকলৰ পৰিয়াললৈ ১০ লাখ টকাৰ এককালীন সাহায্যৰ ঘোষণা কৰিছে আৰু আহতসকলৰ চিকিৎসাৰ বাবে সকলো ব্যৱস্থা কৰাৰ নিৰ্দেশ দিছে। প্ৰধানমন্ত্ৰী মোদীয়ে এ'ত পোষ্ট কৰি কয়, "কাৰুৰত সংঘটিত এই দুৰ্ঘটনা অতি দুখদ কৰক। নিহতসকলৰ পৰিয়ালৰ প্ৰতি মোৰ হৃদয়ৰ সমবেদনা। তেওঁলোকক এই কঠিন সময়ত শক্তি প্ৰদান কৰক বুলি প্ৰাৰ্থনা কৰোঁ। আহতসকলৰ শীঘ্ৰ সুস্থতাৰ বাবে কামনা কৰোঁ।" এই ঘটনাই তামিলনাডুৰ ৰাজনৈতিক সমাবেশসমূহৰ নিয়ন্ত্ৰণ আৰু নিৰাপত্তাৰ বিষয়ত নতুন বিতৰ্কৰ সূচনা কৰিছে, আৰু মাদ্ৰাছ হাইকোৰ্টে টি ভি কেৰ ভৱিষ্যতৰ সমাবেশসমূহৰ ওপৰত নিষেধাজ্ঞাৰ প্ৰস্তাৱত জৰুৰী শুনানিৰ আদেশ দিছে।

## ইউনেস্ক'ৰ বিশ্ব জৈৱমণ্ডল

বায়'স্ফিয়াৰ ৰিজাৰ্ভ (Cold Desert Biosphere Reserve)ক ইউনেস্ক'ৰ বিশ্ব নেটৱৰ্ক অৱ বায়'স্ফিয়াৰ ৰিজাৰ্ভ (WNBR)ত অন্তৰ্ভুক্ত কৰা হৈছে। এই ৭, ৭৭০ বৰ্গ কিলোমিটাৰ অঞ্চলখন, যি উত্তৰ ভাৰতৰ ট্ৰাংজ-হিমালয়ীয় অঞ্চলত অৱস্থিত, এতিয়া আন্তঃৰাষ্ট্ৰীয় স্তৰত সংৰক্ষণৰ মানচিত্ৰত স্থান লাভ কৰিছে। এই সংযোজনৰ ফলত ভাৰতত WNBRত তালিকাভুক্ত বায়'স্ফিয়াৰ ৰিজাৰ্ভৰ সংখ্যা বৃদ্ধি পাই ১৩খনে উঠিছে, যাৰ পূৰ্বে দেশত ১৮খন ৰাষ্ট্ৰীয় স্তৰৰ বায়'স্ফিয়াৰ ৰিজাৰ্ভ আছিল। এই অঞ্চলখন, যি ২০০৯ চনত ৰাষ্ট্ৰীয় বায়'স্ফিয়াৰ ৰিজাৰ্ভ হিচাপে স্বীকৃতি লাভ কৰিছিল, উচ্চাঙ্গৰ শীতল আৰু শুষ্ক জলবায়ুৰ বাবে পৰিচিত। ইয়াত বায়ুসেৰিত পে'-টো, হিমবাহ-ঘাটি, আল্পাইন হ্ৰদ আৰু উচ্চাঙ্গৰ মৰুভূমিৰ মত দৃশ্যমানতা আছে। এই অঞ্চলখনে স্ন' লেপাৰ্ড, তিব্বতীয় ছাগলী আৰু হিমালয়ীয় নেকুৰ দৰে বিৰল আৰু বিপন্ন জন্তুৰ বাসস্থান, আৰু ঔষধি গুণসম্পন্ন উদ্ভিদৰ বৈচিত্ৰ্যৰ জৰিয়তে বিজ্ঞানীসকলৰ বাবে গুৰুত্বপূৰ্ণ। ইউনেস্ক'ৰ এই স্বীকৃতিয়ে স্থানীয় সম্প্ৰদায়ক স্থায়ী উন্নয়ন, জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ মোকাবিলা আৰু পৰিবেশ সংৰক্ষণৰ কামক উৎসাহিত কৰিব। ইয়াৰ লগতে, ইউনেস্ক'ৱে ২১খন দেশৰ ২৬খন নতুন জৈৱমণ্ডল সংৰক্ষিত বনাঞ্চল (বায়'স্ফিয়াৰ ৰিজাৰ্ভ) নিৰ্ধাৰণ কৰিছে, যি বিগত ২০ বছৰৰ ভিতৰত সৰ্বাধিক সংখ্যা। এই সিদ্ধান্ত শনিবাৰত চীনৰ হাংঝোত অনুষ্ঠিত ইউনেস্ক'ৰ আন্তঃৰাষ্ট্ৰীয় সমন্বয়কাৰী পৰিষদ অৱ দ্য মেন এণ্ড দ্য বায়'স্ফিয়াৰ (MAB)ৰ ৩৭ তম অধিৱেশনত গৃহীত হৈছে। এতিয়া WNBRত ১৪২খন দেশৰ ৭৮৫খন স্থান অন্তৰ্ভুক্ত হৈছে। ২০১৮ চনৰ পৰাই অতিৰিক্ত ১০ লাখ বৰ্গ কিলোমিটাৰ প্ৰাকৃতিক অঞ্চল সুৰক্ষাৰ অধীনলৈ আনিছে, যি বলিভিয়াৰ আকাৰৰ সমতুল্য। ইউনেস্ক'ৰ এক বিবৃতিত এই তথ্যসমূহ প্ৰকাশ পাইছে। কেন্দ্ৰীয় পৰিৱেশ, বনাঞ্চল আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে এ' (পূৰ্বৰ টুইটাৰ)ত পোষ্ট কৰি সদৰি জনাইছে যে এই সিদ্ধান্তে ভাৰতৰ জৈৱবৈচিত্ৰ্য সংৰক্ষণ আৰু সম্প্ৰদায়-নিৰ্ভৰ স্থায়ী উন্নয়নৰ প্ৰতি দেশৰ অটুট সংহতি প্ৰতিফলিত কৰে। এই স্বীকৃতিয়ে হিমালয়ীয় অঞ্চলত গৱেষণা সহযোগিতা বৃদ্ধি, দায়িত্বশীল পৰিবেশ-প্ৰেৰিত পৰ্যটন আৰু জলবায়ু স্থিতিস্থাপকতাৰ কামক শক্তিশালী কৰিব বুলি বিশ্বাস কৰা হৈছে।

## দ্বিতীয় দিনাও চিআইডি

অভিযানো চলি আছে। এই ঘটনাৰ সৈতে জড়িত হোৱা ব্যক্তিৰ সহযোগিতাৰ ওপৰত নিৰ্ভৰ কৰি তদন্তৰ গতি নিৰ্ধাৰিত হৈছে। দ্বিতীয় দিনাও চি আই ডিৰ কাৰ্যালয়ত জেৰাৰ বাবে উপস্থিত হৈছে ছিংগাপুৰৰ নৰ্থ-ইষ্ট ফেষ্টিভেলত জুবিনৰ সহযোগীসকল—জুবিনৰ বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী, কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আৰু অনুষ্ঠানৰ আঁত ধৰোঁতা অভিনেত্ৰী নিশিতা গোস্বামী। শনিবাৰত ১০ ঘণ্টীয়া জেৰাৰ পিছত তেওঁলোকক যাবলৈ দিয়া হৈছিল, কিন্তু দেওবাৰে পুৱাত পুনৰ কাৰ্যালয়ত হাজিৰ হৈ তেওঁলোকে তদন্তকাৰী দলৰ প্ৰশ্নৰ উত্তৰ দিছে। কাৰ্যালয়ত প্ৰৱেশৰ পূৰ্বে সাংবাদিকসকলৰ মুখামুখি হোৱাৰ সময়ত অভিযুক্তসকলে চমু মন্তব্য কৰে। অমৃতপ্ৰভা মহন্তে সময়ৰ অভাৱৰ কথা উল্লেখ কৰি সাংবাদিকৰ প্ৰশ্ন এৰাই চলি যায়। অন্যপক্ষে, অভিনেত্ৰী নিশিতা গোস্বামীয়ে সংবাদ মাধ্যমৰ সন্মুখত কয়, "প্ৰথম কথা, মোৰ বিবৃতি লোৱা হৈছিল। মই মোৰ ফালৰ পৰা পূৰ্ণ সহযোগিতা দিছোঁ এছ আই টি টিম আৰু প্ৰশাসনক। মই বিচাৰোঁ যাতে শীঘ্ৰই দোষীক কৰায়ত্ত কৰা হয় আৰু জুবিনদাই ন্যায় পায়। এইখিনিতে মই মিডিয়াৰ প্ৰতিগৰাকীকে ধন্যবাদ জনাইছোঁ, যিসকলে দিনৰাতি কষ্ট কৰি আছে জুবিনদাৰ কাৰণে। গতিকে আজি মোৰ কিছুমান ফৰ্মেলিটি আছে, মই তাৰ পিছত পূৰ্ণ সহযোগিতা দিম।" শেখৰজ্যোতি গোস্বামীয়ে সাংবাদিকসকলক কয়, "আপোনালোকৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰশাসনই আমাক সুধিছে। এতিয়া ঘপহকৈ ক'ব নোৱাৰোঁ। ১২-১৫ ঘণ্টা জেৰা চলিছে। আজি আকৌ ডাক দিয়া হৈছে, আমি সহযোগিতা কৰিবলৈ আহিছোঁ। গোটেইকেইজনক ডাক দিয়া হৈছে। আৰু অনিৰ্ধাৰিত কাললৈকে, মোৰ জীৱনৰ শেষ মুহূৰ্তলৈকে যিমানবাৰ মাতিব, যেনেকৈ মাতিব, যি কাৰ্যতে মাতিব—মই তেওঁলোকক পূৰ্ণ সহযোগিতা দিম বুলি প্ৰতিশ্ৰুতি দিছোঁ।" তেওঁ লগতে কয়, "আপোনালোকৰ প্ৰতিটো উত্তৰ অলপ সময়ৰ পিছত দিম, কাৰণ তদন্ত চলি আছে। তদন্তৰ কিছুমান তাগিদা থাকে, সকলো কথা মুকলিকৈ ক'লে কাৰোবাৰ অসুবিধা হ'ব পাৰে। মই বিচাৰোঁ দাদাই ন্যায় পোৱাটো মোৰ অন্তৰৰ ইচ্ছা। দাদাই মোৰ দাদা, ইমান বছৰে দেখিছে। তাৰ বাবে মোৰ কৰিবলগীয়া সকলো যি আছে, তাতে প্ৰশাসনক সহায় কৰিবলৈহে আহিছোঁ।" জুবিনৰ পত্নী গৰিমা গাৰ্গৰ দাখিল কৰা এজাহাৰৰ প্ৰসংগত শেখৰজ্যোতিয়ে কয়, "মোৰ হাতত মোবাইল নাই, চীজ কৰা হৈছে। সিমাখিনি মই গম নাপাওঁ, কিন্তু আপোনালোকৰ মুখেদিহে গম পাইছোঁ। আপোনালোকে গোটেইখিনি ভিডিঅ' দেখা পাইছে, প্ৰশাসনে তদন্ত কৰি আছে। ভাল এটা উচিত তদন্ত কৰি দিবই। অশেষ ভাল পাইছোঁ, বৌৱে দিছে। মই নিজে আজি যিটো ঠাইত থিয় দি আছোঁ, তাৰ পৰা আইনৰ সহায় বিচাৰি যাব নোৱাৰোঁ। কিন্তু আত্মাৰ পৰা কৈছোঁ, দাদাই ন্যায় পোৱাটো মোৰ অন্তৰৰ কামনা।" এই তিনিজনৰ বিবৃতিৰ পৰা স্পষ্ট যে তেওঁলোকে তদন্তত পূৰ্ণ সহযোগিতা দিব বুলি প্ৰতিশ্ৰুতি দিছে আৰু জুবিনৰ ন্যায়ৰ বাবে তেওঁলোকৰ নিজৰ ইচ্ছা প্ৰকাশ কৰিছে। তদন্তকাৰী দলৰ মতে, এই জেৰাৰ জৰিয়তে ছিংগাপুৰ যাত্ৰাৰ ঘটনাক্ৰম আৰু জুবিনৰ স্বাস্থ্যৰ বাবে যি অৱহেলাৰ অভিযোগ উঠিছে, তাৰ বিষয়ে গুৰুত্বপূৰ্ণ তথ্য পোৱা যাব। এই তদন্তৰ প্ৰতি সকলোৰে দৃষ্টি নিবদ্ধ, আৰু আগন্তুক দিনত অধিক উন্মোচনৰ আশা কৰা হৈছে।

## বড়োলেণ্ডত জুবিন গাৰ্গৰ

আৰু মেমৰিয়েল পাৰ্ক নিৰ্মাণ কৰা হ'ব। এই গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (বিপিএফ)ৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে। বিটিচি নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ পিছত দেওবাৰে গুৱাহাটীৰ কাহিলীপাৰাস্থিত জুবিন গাৰ্গৰ বাসগৃহত উপস্থিত হৈ তেওঁ এই সিদ্ধান্ত গ্ৰহণ কৰে। বিপিএফৰ বিজয়ী প্ৰাৰ্থীসকলৰ সহিত সদলবলে জুবিনৰ বাসগৃহলৈ আগত হাগ্ৰামা মহিলাৰীয়ে তেওঁৰ প্ৰতিছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি নিবেদন কৰি পৰিয়াল সদস্যসকলক সাক্ষাৎ কৰে। এই সাক্ষাৎকাৰৰ সময়ত তেওঁলোকে গভীৰ সমবেদনা জ্ঞাপন কৰি জুবিনৰ অকাল মৃত্যুৰ দুখৰ সহানুভূতি প্ৰকাশ কৰে। সাংবাদিকসকলৰ সন্মুখত কথা পাতি হাগ্ৰামাই কয়, "জুবিন গাৰ্গ সকলোৰে অন্তৰত চিৰস্থায়ী হৈ থাকিব। জুবিনদা অসমৰ ৰাইজৰ অমূল্য সম্পদ আছিল, যাক কেতিয়াও পাহৰি ৰখা নাযায়। তেওঁৰ কৰ্মজীৱনৰ স্মৃতিকে সংৰক্ষণ কৰিবলৈ কোকৰাঝাৰত তেওঁৰ প্ৰতিমূৰ্তিৰ লগতে এক মেমৰিয়েল পাৰ্ক নিৰ্মাণ কৰিম। ইয়াৰ বাবে আমাৰ দলত ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অসমৰ বাবে জুবিনদাৰ ত্যাগ কই শেষ কৰিব নোৱাৰোঁ। তেওঁ আমাৰ অন্তৰত সদায় চিৰস্থায়ী হৈ থাকিব।" এই ঘোষণাই জুবিনৰ অনুৰাগীসকলৰ মাজত উল্লেখযোগ্য প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে, যিসকলে তেওঁৰ স্মৃতিকে সংৰক্ষণৰ এই পদক্ষেপক স্বাগত জনাইছে। হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত বিপিএফৰ এই উদ্যোগে বড়োলেণ্ডৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে জুবিনৰ অৱদানক যুক্ত কৰি এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি বিশ্বাস কৰা হৈছে।

## জুবিনৰ নশ্বৰদেহ অসমলৈ

বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে। সাংবাদিকসকলৰ সৈতে কথা পাতি তেওঁ দাবী কৰে যে জুবিনৰ মৃত্যুৰ ঘটনাক লুৰীণজ্যোতি গগৈৰ দৰে নেতাসকলে ৰাজনৈতিক সুবিধাৰ বাবে ব্যৱহাৰ কৰিছে। এই অভিযোগে ৰাজ্যৰ ৰাজনৈতিক বিতৰ্কক নতুন মাত্ৰা প্ৰদান কৰিছে, য'ত অসম চৰকাৰৰ তদন্ত পদ্ধতিৰ বিৰুদ্ধে বিৰোধী দলসমূহৰ তীব্ৰ সমালোচনাৰ ঢৌ উঠিছে। পৱিত্ৰ মাৰ্ঘেৰিটাই স্পষ্টভাৱে কয়, "জুবিনৰ মৃতদেহ ছিংগাপুৰৰ পৰা অসমলৈ অনাৰ বাবে মিছা কথা প্ৰচাৰ কৰিছে লুৰীণজ্যোতি গগৈয়ে। তেওঁ একাংশ প্ৰবাসী অসমীয়া লোকৰ দ্বাৰা ধন যোগাৰ কৰি নশ্বৰদেহ অসমলৈ প্ৰেৰণ কৰা হয় বুলি দাবী কৰিছে। কিন্তু প্ৰকৃততে ভাৰতীয় দূতাবাসই সমস্ত খৰচ বহন কৰিছে, আৰু মৃতদেহ অসমলৈ অনাৰ বাবে ৭, ৩৫৬ ছিংগাপুৰ ডলাৰ খৰচ হৈছে। এই অংক অসম চৰকাৰে দূতাবাসক পৰিশোধ কৰিব।" তেওঁৰ এই মন্তব্যই লুৰীণজ্যোতি গগৈৰ বক্তব্যক অস্বীকাৰ কৰি চৰকাৰৰ স্বচ্ছতাৰ পক্ষত যুক্তি প্ৰসংগত উপস্থাপন কৰিছে। ইফালে, জুবিন গাৰ্গৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত সংঘটিত মৃত্যুৰ ঘটনাই সমগ্ৰ অসমক শোকাহত কৰিছে। এই ঘটনাৰ পিছত সমাজত সৃষ্টি হোৱা ৰাজনৈতিক বাক-বিতণ্ডাই এতিয়া নতুন মোৰ লৈছে। অজাপিৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে অসম চৰকাৰক তীব্ৰভাৱে সমালোচনা কৰি জুবিনৰ মৃত্যুৰ তদন্তৰ বাবে উচ্চতম ন্যায়ালয়ৰ তত্ত্বাবধানত এক নিৰপেক্ষ অনুসন্ধানৰ দাবী উত্থাপন কৰিছে। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এক পত্ৰ লিখি এই বিষয়ে হস্তক্ষেপৰ আবেদন জনাইছে। অন্যপক্ষে, পৱিত্ৰ মাৰ্ঘেৰিটাৰ এই অভিযোগে এই বিতৰ্কক অধিক তীব্ৰতৰ কৰি তুলিছে, যাৰ ফলত বিৰোধী নেতাসকলৰ বক্তব্যৰ বিশ্বাসযোগ্যতাৰ ওপৰত প্ৰশ্ন উঠিছে।

## গোৱালপাৰা ধুপধৰাত

ঘিলাডুবিত সংঘটিত হয় এক এনকাউণ্টাৰৰ ঘটনা। আৰক্ষীৰ এনকাউণ্টাৰত নিহত হয় চাৰিটাকৈ দুৰ্ধৰ্ষ ডকাইত। বিগত কেবামাহো ধৰি এই ডকাইতৰ গেং টোৱে অসম মেঘালয় সীমান্তৱৰ্তী অঞ্চলৰ লগতে গোৱালপাৰা জিলাৰ ভিন্নপ্ৰান্তত ডকাইতি কৰাৰ লগতে অপহৰণৰ পৰিকল্পনা প্ৰস্তুত কৰিছিল। দেওবাৰে পুৱতি নিশা এক গোপন সূত্ৰৰ পম খেদি দুধনৈ সম-জিলাৰ আৰক্ষী অধীক্ষক নুপুৰ ৰঞ্জন নেওঁগৰ নেতৃত্বত আৰু ধুপধৰা আৰক্ষীৰ সহযোগত ধুপধৰা ঘিলাডুবিত অভিযান চলায়। এই অভিযানত জিলা আৰক্ষী অধীক্ষক নৱনীত মহন্তইও সহযোগিতা কৰে। চাৰিওজন ডকাইতে AS 02 AE 2633 নং বাহন খনেৰে আহি থাকোতে আৰক্ষীৰ দলৰ সৈতে মুখামুখি হয়। দুয়োপক্ষৰ মাজত গুলিয়াগুলি হয়। এই গুলিয়াগুলিৰ চাৰিওজন ডকাইত গুৰুতৰ ভাৱে আহত হোৱাত চাৰিওকে ধুপধৰা আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰে। চিকিৎসালয়ত চিকিৎসকে চাৰিওজন ডকাইতক মৃত বুলি ঘোষণা কৰে। নিহত ডকাইত চাৰিজন হ'ল মুকুন্দ ৰাভা(চিটুকোনা, দুধনৈ),(চেংবাৰ্থ মাৰাক (দায়ৰং কৃষ্ণাই), চুবুৰুদ্দিন (মুকালমুৱা- নলবাৰী) আৰু জহিৰুল ইছলাম(বকো)। উল্লেখ্য যে এই চাৰিটা ডকাইতে এটা ডকাইতি গেং বনাই জিলাখনৰ লগতে বিভিন্ন স্থানত ডকাইতি কৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছিল। কিছুদিনৰ আগতে গোৱালপাৰা টিপলাইত সংঘটিত হোৱা ডকাইতিৰ ঘটনাত এই ডকাইতৰ গেংটো জৰিত আছিল বুলি জানিবলৈ দিছে আৰক্ষীয়ে। এই চাৰিজন ডকাইতে ইতিমধ্যে কেবাটাও ডকাইতিৰ লগতে অপৰাধমূলক গোচৰত অভিযুক্ত হৈ আছিল।

## কন্যাৰ নামৰ ভুৱা জাতিগত

জালিয়াতিৰ তথ্য। তাৰ পিছতে দিল্লী বিশ্ববিদ্যালয়ক লীনা দলে আৰু কন্যাৰ বিৰুদ্ধে গোচৰ ৰুজুৰ পৰামৰ্শ আগবঢ়াইছে আয়োগে। ইতিমধ্যে দিল্লীৰ মৰিছ নগৰ থানাত FIR দাখিল কৰিছে দিল্লী বিশ্ববিদ্যালয়ে। পুনৰ বিপদত পৰিব নেকি SSP লীনা দলে? লীনা দলেৰ বিৰুদ্ধে উত্থাপন হৈছে এক গুৰুতৰ অভিযোগ। কন্যাৰ নামৰ ভুৱা জাতিগত প্ৰমাণ-পত্ৰ উলিয়াই ৰোষত পৰিছে জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকী। জানিব পৰা মতে কন্যাৰ নামত STৰ ভুৱা প্ৰমাণ-পত্ৰ উলিয়াইছিল লীনা দলে। সেই ভুৱা STৰ প্ৰমাণ-পত্ৰৰে দিল্লী বিশ্ববিদ্যালয়ত নামভৰ্তি কৰোৱাইছিল কন্যা। শেহতীয়াকৈ ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগৰ তদন্তত পোহৰলৈ আহিছে ভয়ংকৰ জালিয়াতিৰ তথ্য। তাৰ পিছতে দিল্লী বিশ্ববিদ্যালয়ক লীনা দলে আৰু কন্যাৰ বিৰুদ্ধে গোচৰ ৰুজুৰ পৰামৰ্শ আগবঢ়াইছে আয়োগে। ইতিমধ্যে দিল্লীৰ মৰিছ নগৰ থানাত FIR দাখিল কৰিছে দিল্লী বিশ্ববিদ্যালয়ে। ইফালে লীনা দলেৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ অসম চৰকাৰক। উল্লেখ্য যে, পূৰ্বেও কেইবাটাও বিতৰ্ক সোমাই পৰিছিল লীনা দলেৰ নাম। কিছুদিন পূৰ্বে শাস্তিমূলক বদলিৰ সন্মুখীন হৈছিল জ্যেষ্ঠ আৰক্ষী অধীক্ষক লীনা দলে। যোৱা ১০ ছেপ্টেম্বৰত ধুবুৰীত কোচ ৰাজবংশীয়ে জনজাতিকৰণৰ দাবীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। য'ত আৰক্ষীৰ প্ৰহাৰত বহু প্ৰতিবাদকাৰী আহত হৈছিল। এই ঘটনাৰ সৈতে জড়িতসকলৰ কঠোৰ শাস্তি দাবী কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল আক্ৰাছুৱে। তাৰ পিছতে লীনা দলেক শাস্তিমূলক বদলিৰ জাননী জাৰি কৰে গৃহ বিভাগে। ইয়াৰ উপৰিও আৰক্ষী উপ-পৰিদৰ্শন জোনমণি ৰাভাৰ মৃত্যুৰ ঘটনাত নাম সাঙোৰ খাইছিল লীনা দলেৰ।

## জুবিন গাৰ্গৰ বাসগৃহত

বাসগৃহত শোক প্ৰকাশ কৰিবলৈ উপস্থিত হৈছে প্ৰখ্যাত উদ্যোগপতি গৌতম আদানি আৰু তেওঁৰ পুত্ৰ। দেওবাৰে নিশা ৯:৩০ বজাত আদানি পৰিয়ালে জুবিনৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ সৈতে সাক্ষাৎ কৰে। এই সাক্ষাৎকাৰৰ সময়ত গৌতম আদানিয়ে জুবিনৰ প্ৰতিছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি নিবেদন কৰি শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰে। গৌতম আদানি আৰু তেওঁৰ পুত্ৰই জুবিনৰ পৰিয়ালৰ সৈতে কথা পাতি তেওঁৰ সংগীতৰ জৰিয়তে অসমীয়া সংস্কৃতিৰ প্ৰতি অৰ্জিত অৱদানৰ প্ৰশংসা কৰে। তেওঁলোকে জুবিনৰ স্মৃতিৰ প্ৰতি সন্মান জনাই কয় যে তেওঁৰ কণ্ঠ অসমৰ জনমানসত চিৰকাল জীয়াই থাকিব। এই সাক্ষাতে পৰিয়ালৰ সদস্যসকলৰ সৈতে আলোচনাৰ সময়ত আদানিয়ে জুবিনৰ অকাল প্ৰয়াণৰ শোকত সকলোৰে সৈতে একাত্মতা প্ৰকাশ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ পিছত সমগ্ৰ অসম শোকত নিমজ্জিত হৈ আছে, আৰু তেওঁৰ স্মৃতি সংৰক্ষণৰ বাবে বিভিন্ন পদক্ষেপৰ কথা ঘোষণা কৰা হৈছে। গৌতম আদানিৰ এই সাক্ষাৎকাৰে জুবিনৰ প্ৰতি দেশৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিৰ শ্ৰদ্ধা আৰু সন্মানৰ প্ৰতিফলন ঘটাইছে।

## 'জুবিন গাৰ্গ সদায়

পাৰ হৈ গৈছে। তেওঁৰ বিদায়ে সমগ্ৰ অসমীয়া সমাজক শোকত মগ্ন কৰি তুলিছে। দেওবাৰে (২৮ ছেপ্টেম্বৰ) সম্প্ৰচাৰিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাহেকীয়া ৰেডিঅ' অনুষ্ঠান 'মন কি বাত'ৰ ১২৬তম সংখ্যাত তেওঁ জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাই তেওঁৰ অৱদানৰ প্ৰতি গভীৰ সন্মান প্ৰকাশ কৰিছে। 'মন কি বাত'ত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "জুবিন গাৰ্গৰ অকাল প্ৰয়াণে সমগ্ৰ দেশৰ ৰাইজক শোকাকুল কৰিছে। তেওঁ এজন প্ৰখ্যাত কণ্ঠশিল্পী আছিল, যিয়ে নিজৰ সংগীতৰ জৰিয়তে গোটেই ভাৰতত সুনাম অৰ্জন কৰিছিল। অসমীয়া সংস্কৃতিৰ সৈতে তেওঁৰ গভীৰ সংযোগ আছিল। জুবিন গাৰ্গ আমাৰ স্মৃতিত চিৰকাল জীয়াই থাকিব। তেওঁৰ সংগীতে ভৱিষ্যত প্ৰজন্মকো মুগ্ধ কৰি থাকিব।"

## ৰাজ্যপালক সাক্ষাৎ হাগ্ৰামা

মহিলাৰীৰ নেতৃত্বত এক দল আজি ৰাজভৱনত উপস্থিত হৈ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ সৈতে সাক্ষাৎ কৰে। এই সাক্ষাৎকাৰৰ সময়ত হাগ্ৰামা মহিলাৰীয়ে পাৰিষদ গঠনৰ বাবে আৰ্জি প্ৰদান কৰে আৰু আগন্তুক শপত গ্ৰহণ অনুষ্ঠানলৈ ৰাজ্যপালক আমন্ত্ৰণ জনায়। হাগ্ৰামাই সাংবাদিকৰ সৈতে কথা পাতি কয় যে, "আমি ৩ অ'ক্টোবৰত শপত গ্ৰহণৰ কাৰ্যসূচী নিৰ্ধাৰণ কৰিছো। ৰাজ্যপালক আমি এই অনুষ্ঠানলৈ আমন্ত্ৰণ জনাইছো। সংযোগক্ৰমে সেইদিন ৰাজ্যপালৰ জন্মদিনো। তেওঁ যদি কোকৰাঝাৰলৈ আহে, আমি তেওঁৰ জন্মদিনো উদযাপন কৰিম।" ইফালে, বিটিচিৰ মুৰব্বী পদৰ পৰা প্ৰমোদ বড়োৱে পদত্যাগ কৰিছে। দেওবাৰে তেওঁ ৰাজ্যপালৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰে। এই পদত্যাগৰ পিছতে ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল)ৰ নেতাসকল মন্ত্ৰী ইউ জি ব্ৰহ্মৰ বাসগৃহত এক বৈঠকত মিলিত হয়। হাগ্ৰামা মহিলাৰীয়ে প্ৰমোদ বড়োৰ পদত্যাগৰ প্ৰসংগত কয়, "প্ৰমোদ বড়োৱে আমাক সহযোগিতা কৰাৰ প্ৰতিশ্ৰুতি দিছে। আমাৰ তৰফৰ পৰা তেওঁৰ সৈতে কোনো আপত্তি নাই। মুখ্যমন্ত্ৰীয়েও একেই ধৰণৰ কথা প্ৰকাশ কৰিছে। কোনোবাই সহযোগিতাৰ হাত আগবঢ়ালে আমি নাকচ কৰাৰ পক্ষপাতী নহয়। আগন্তুক দুই-এক দিনৰ ভিতৰত আমি এই বিষয়ে বৈঠক কৰি চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিম।" এক উল্লেখযোগ্য পদক্ষেপ হিচাপে, বিপিএফৰ দলটোৱে আজি সন্ধিয়া ৬ বজাত মুখ্যমন্ত্ৰীৰ সৈতে সাক্ষাৎ কৰি শপত গ্ৰহণ অনুষ্ঠানৰ বাবে আমন্ত্ৰণ জনোৱাৰ কাৰ্যসূচী ৰাখিছে। হাগ্ৰামাই সাংবাদিকৰ সৈতে কথা পাতি হাঁহিৰ সৈতে কয়, "মুখ্যমন্ত্ৰী হৈছে অসমৰ বছ। তেওঁক আমন্ত্ৰণ নজনালে কেনেকৈ হ'ব!" এই ঘটনাৰাজিয়ে অসমৰ ৰাজনৈতিক পৰিস্থিতিত নতুন গতিশীলতা আনিব বুলি পৰ্যবেক্ষকসকলে মত প্ৰকাশ কৰিছে।

## শিৱসাগৰত "ৰক্তচহীৰ"

তেওঁৰ অনুৰাগীসকলে এক অভিনৱ প্ৰতিবাদৰ আয়োজন কৰিছে। অভিযোগ উত্থাপিত হৈছে যে ধনৰ লোভত একাংশ লোকে জুবিনক ছিংগাপুৰলৈ লৈ গৈ মৃত্যুৰ মুখলৈ ঠেলি দিছে। এই ঘটনাৰ প্ৰতিবাদত শিৱসাগৰৰ জুবিন গাৰ্গৰ অনুৰাগীসকলে "ৰক্তচহীৰ" নামৰ এক অনন্য অভিযানৰ সূচনা কৰিছে।" আপোনাৰ এটোপাল তেজ জুবিনৰ ন্যায়ৰ সহায়ক হওক" শীৰ্ষক বাৰ্তাৰ জৰিয়তে শিৱসাগৰৰ সৰ্বস্তৰৰ অনুৰাগীসকল একত্ৰিত হৈছে। শিৱসাগৰৰ বৰ্ডিং খেলপথাৰত জুবিনৰ প্ৰতিছবিৰ সন্মুখত বন্তি জ্বলাই শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে এই অভিযানৰ অংশ হিচাপে নিৰ্ধাৰিত গামোছাত বহু অনুৰাগীয়ে নিজৰ ৰক্তৰে টীপ চহী কৰি প্ৰতিকীভাৱে ন্যায়ৰ দাবী তুলিছে। এই "ৰক্তচহীৰ" অভিযানৰ পিছত জুবিনৰ অনুৰাগীসকলে এক বিশাল সমদল বাহিৰ কৰি শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ গ্ৰেপ্তাৰৰ দাবী জনায়। এই প্ৰতিবাদৰ জৰিয়তে অনুৰাগীসকলে জুবিনৰ মৃত্যুৰ সৈতে জড়িত সকলোৰে বিৰুদ্ধে তদন্তৰ দাবীৰে ন্যায়ৰ প্ৰতি তেওঁলোকৰ অটল সংকল্প প্ৰকাশ কৰিছে। এই অভিযানে শিৱসাগৰত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আৰু জুবিনৰ ন্যায়ৰ বাবে জনমত গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

## আজি মহাসপ্তমী

বৈদিক ৰীতি নীতিৰে দেৱী দুৰ্গাৰ নৱপত্ৰিকা প্ৰৱেশ, স্থাপন আৰু সপ্তমাদি কল্পাৰম্ভ আৰম্ভ হ'ব। সপ্তমী পূজা উপলক্ষে ৰাজ্যৰ শক্তিপীঠ, দেৱীপীঠ, দেৱালয় সমূহত ভিন্ন প্ৰকাৰৰ বলিও সম্পন্ন হ'ব। শক্তিপীঠ কামাখ্যা ধামত সম্পন্ন হ'ব পৰম্পৰাগত গট পূজা। কামাখ্যাত শাৰদীয় দুৰ্গ পূজাৰ আৰম্ভণিৰ পৰা দেৱীলৈ বুলি আগবঢ়াই অহা হৈছে ছাগলী, পাৰ, কুঁহিয়াৰ, কচু আৰু কোমোৰাৰ পঞ্চবলি। সেয়ে নিয়ম অনুসৰিয়েই আজি মহাসপ্তমীৰ দিনটোত কামাখ্যা ধামত পঞ্চবলিৰ লগতে আগবঢ়োৱা হ'ব ম'হ বলি। আজি কামাখ্যা দেৱালয় পৰিচালনা সমিতিৰ ফালৰ পৰা এটা ম'হ বলি দিয়াৰ লগতে অন্যান্য ভক্তই প্ৰায় ৫টা ম'হ বলি আগবঢ়াব বুলি জনা গৈছে। তদুপৰি সম্পন্ন হ'ব কুমাৰী পূজা। নলবাৰী জিলাৰ বেলশৰৰ ঐতিহ্যমণ্ডিত বিলেশ্বৰ দেৱালয়তো আজি মহাসপ্তমী উপলক্ষে দেৱীলৈ আগবঢ়োৱা হ'ব হাঁহ, পাৰ, ছাগলী, কোমোৰা আদিৰ বলি। গুৱাহাটী মহানগৰীৰ উগ্ৰতাৰা দেৱালয়তো আজি সপ্তমী উপলক্ষে আগবঢ়োৱা হ'ব পঞ্চবলি। ঢাক-ঢোলৰ লগতে কামৰূপীয়া ঢুলীয়াৰ বাজনা, কালী পেঁপা, শংখ-ঘণ্টা, তাল আদিৰ ঐক্যন আদিৰে মুখৰ এক পৰিবেশৰ মাজত পূজাথলীসমূহত আৰম্ভ হৈছে আয়তীৰ নাম, গোসাঁনীৰ নাম, নাগাৰা নাম, ওজাপালি নৃত্য-গীত আদিৰ অবিৰত প্ৰদৰ্শন। ইয়াৰ লগতে পূজাথলীত পুতলা নাচ, যাত্ৰা-নাট্যাভিনয় আদিৰো প্ৰদৰ্শন চলিছে।

## জুবিন গাৰ্গৰ জীৱনীভিত্তিক

বলিউদৰ খ্যাতনামা প্ৰযোজিকা একতা কাপুৰে ঘোষণা কৰিছে যে জুবিনৰ জীৱনভিত্তিক এখন ছবি নিৰ্মাণ কৰা হ'ব। নেটফ্লিক্সৰ সৈতে সহযোগিতাত বালাজী টেলিফিল্মছৰ বেনাৰত এই ছবিখন প্ৰযোজনা কৰা হ'ব, যাৰ কাম ২০২৬ চনৰ পৰা আৰম্ভ হ'ব। এই প্ৰকল্পৰ প্ৰযোজক হিচাপে দায়িত্ব পালন কৰিব একতা কাপুৰ নিজে। ছবিখনৰ কাহিনী আৰু চিত্ৰনাট্য প্ৰস্তুত কৰাৰ বাবে এটা বিশেষ দল অসমলৈ আগমন কৰিব। এই দলটোৱে জুবিনৰ পৰিয়ালৰ সদস্য আৰু ঘনিষ্ঠ বন্ধু-বান্ধৱৰ সৈতে পৰ্যায়ক্ৰমে আলোচনা কৰি তেওঁৰ জীৱনৰ বিভিন্ন দিশ সংগ্ৰহ কৰিব। এই ছবিৰ মাধ্যমে জুবিন গাৰ্গৰ সংগীতৰ যাত্ৰা, সংগ্ৰাম আৰু সফলতাৰ কাহিনী দৰ্শকৰ সন্মুখত উপস্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছে। এই ঘোষণাই জুবিনৰ অনুৰাগীসকলৰ মাজত ইতিমধ্যে উৎসাহৰ সঞ্চাৰ কৰিছে, আৰু ছবিখনৰ বিষয়ে অধিক তথ্যৰ বাবে তেওঁলোক আগ্ৰহেৰে অপেক্ষা কৰিছে।

## এছিয়া কাপৰ খিতাপ

বাবে এছিয়া কাপৰ খিতাপ দখল কৰে। টীম ইণ্ডিয়াৰ বাবে এই দিনটো ঐতিহাসিক হিচাপে চিহ্নিত হৈ থাকিল, কিয়নো এই প্ৰতিযোগিতাত তৃতীয়বাৰৰ বাবে পাকিস্তানক পৰাস্ত কৰি ভাৰতে অসাধাৰণ প্ৰদৰ্শনৰ পৰিচয় দিলে। তিলক বাৰ্মাৰ দুৰ্দান্ত অৰ্ধশতক আৰু কুলদীপ যাদৱৰ চাৰিটা উইকেটৰ অৱদানে ভাৰতক এই জয়ৰ সোৱাদ দিলে। মেচৰ আৰম্ভণিতে পাকিস্তানে প্ৰথমে বেটিং কৰি শক্তিশালী আৰম্ভণি কৰিছিল। শ্বইবজাদা ফাৰহানৰ ৩৮ বলত ৫৭ ৰান আৰু ফখৰ জামানৰ ৪৬ ৰানৰ সহায়ত দলটোৱে ৯.৪ অভাৰত ৮৪ ৰানৰ এক শক্তিশালী অংশীদাৰিত্ব গঢ়ি তুলিছিল। এই সূচনাৰ পৰা অনুমান কৰা হৈছিল যে পাকিস্তানে ভাৰতৰ বাবে ১৮০ বা ততোধিক ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰিব পাৰে। কিন্তু, ভাৰতীয় স্পিনাৰসকলৰ আক্ৰমণত পাকিস্তানৰ মিডল অৰ্ডাৰ সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰে। কুলদীপ যাদৱে ৪টা, যশপ্ৰীত বুমৰাহ, বৰুণ চক্ৰৱৰ্তী আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট লৈ পাকিস্তানক ১০ উইকেটৰ বিনিময়ত মাত্ৰ ১৪৬ ৰানত সীমাবদ্ধ কৰি ৰাখে। ১৪৭ ৰানৰ লক্ষ্য লৈ বেটিং আৰম্ভ কৰা ভাৰতৰ সূচনা আছিল অত্যন্ত দুৰ্বল। প্ৰথম চাৰি অভাৰত ৩ উইকেট হেৰুৱাই ২০ ৰান সংগ্ৰহ কৰা ভাৰতৰ বাবে লক্ষ্য অৰ্জন কঠিন যেন লাগিছিল। অনুৰাগীৰ মনতো হতাশাৰ ছাঁ পৰিছিল। কিন্তু তিলক বাৰ্মাৰ কৌশলী বেটিঙে খেলৰ গতিপথ সলনি কৰে। সঞ্জু চেমছনৰ সৈতে (২৪ ৰান) জুটি বান্ধি তিলকে ইনিংছক স্থিতিশীলতা প্ৰদান কৰে। চেমছন আউট হোৱাৰ পিছত শিৱম দুবে (৩৩ ৰান)ৰ সৈতে তিলকৰ অংশীদাৰিত্বই ভাৰতক জয়ৰ দিশে আগুৱাই নিয়ে। অন্তিম অভাৰত ১০ ৰানৰ প্ৰয়োজন হৈ থকাৰ সময়ত দুবে আউট হয়। কিন্তু তিলক বাৰ্মাই ফাইনেল অভাৰৰ দ্বিতীয় বলত ছয় মাৰি অপৰাজিত ৬৯ ৰানৰ ইনিংছৰ সৈতে ভাৰতক বিজয়ৰ লক্ষ্যত উপনীত কৰায়। তিলকৰ এই দায়িত্বশীল ইনিংছত বাউণ্ডেৰী আৰু চিংগলৰ মিশ্ৰণে ভাৰতৰ জয় নিশ্চিত কৰে। এই প্ৰতিযোগিতাত ভাৰত আৰু পাকিস্তান তৃতীয়বাৰ মুখামুখি হৈছিল, আৰু এছিয়া কাপৰ ফাইনেলত এই দুয়োটা দলৰ প্ৰথম সাক্ষাৎ আছিল। খেলপথাৰৰ ভিতৰে-বাহিৰে বিতৰ্কৰো অন্ত নাছিল। হেণ্ডশ্বেক বিতৰ্কৰ পৰা আৰম্ভ কৰি খেলপথাৰত উত্তেজনামূলক ইংগিতৰ বাবে খেলুৱৈৰ ওপৰত ৩০ শতাংশ মেচ ফিৰ জৰিমনা পৰ্যন্ত বিভিন্ন ঘটনাই এই মেচক আলোচনাৰ কেন্দ্ৰবিন্দু কৰি তুলিছিল।

## শদিয়াত বিশাল প্ৰতিবাদী

প্ৰদানৰ দাবীত শদিয়াৰ ঐক্যবদ্ধ টাই-আহোম সমাজৰ উদ্যোগত আজি সন্ধিয়া ৬ বজাত শদিয়াত এক বিশাল প্ৰতিবাদী জোঁৰ সমদল বাহিৰ কৰা হয়। ২০ সহস্ৰাধিক লোকৰ সমাৱেশেৰে ৰূপায়ণ কৰা উক্ত জোঁৰ সমদলত প্ৰতিবাদী ৰাইজে হাতে হাতে জোঁৰ লৈ বি ৰাণ্ট এছটি, ন'এছটি ন'ৰেষ্ট, এছটি আৱাৰ লিগেল ডিমাণ্ড, লিগেল ডিমাণ্ড ফুলফিল, জনজাতি লৈ যাম, জনজাতিকৰণ লাগিবই, আহোম আজি জাগিছে, এই সংগ্ৰাম চলিছে চলিবই, এই জুই জ্বলিছে জ্বলিবই, আছে হেংদাং লোৱা নাই, ল'লৈ হেংদাং ৰক্ষা নাই, বিজেপি হুচিয়াৰ, হিমন্ত বিশ্ব শৰ্মা হুচিয়াৰ, বিজেপিৰ কাম নাই, কাম নাই গাদী এৰক, বিজেপি চৰকাৰ হায় হায়, আহ ঐ আহ, ওলাই আহ আদি বিভিন্ন শ্ল'গানেৰে শদিয়াৰ আকাশ-বতাহ কঁপাই তোলে। শদিয়াৰ সদৰ চপাখোৱাস্থিত বীৰ লাচিত ষ্টেডিয়ামৰ পৰা আৰম্ভণি কৰা উক্ত জোঁৰ সমদল কাৰ্যসূচীটি শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত সামৰণি পৰে। আজিৰ সমদলত শদিয়াৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ টাই-আহোম জনগোষ্ঠীয় লোকে প্ৰথমে চপাখোৱা বীৰ লাচিত ষ্টেডিয়ামত সমবেত হৈ তাৰ পৰা হাতে হাতে জোঁৰ, প্লে'কাৰ্ড আদি লৈ বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদী জোঁৰ সমদল কৰি শদিয়াৰ ১১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ কঁপাই তোলে। স্বজাতিৰ সাংবিধানিক প্ৰাপ্য অধিকাৰৰ স্বাৰ্থত আহোমৰ সকলো জাতিবৰ্গই দল-মতৰ উৰ্দ্ধত অৱস্থান কৰি নিজেই নিজৰ নেতৃত্ব লৈ আজিৰ এই প্ৰতিবাদত অংশগ্ৰহণ কৰে।

## বিজেপিৰ যুৱ মৰ্চাৰ

সিদ্ধাৰ্থ শৰ্মাক কেন্দ্ৰ কৰি জুবিনৰ অনুৰাগীসকলৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। এই পৰিস্থিতিত নতুন মূৰ লৈ চৰ্চাৰ সূত্ৰপাত হৈছে যে সিদ্ধাৰ্থ শৰ্মা শাসকীয় দল ভাৰতীয় জনতা পাৰ্টিৰ (বিজেপি) সৈতে গভীৰভাৱে জড়িত। ছচিয়েল মিডিয়াত ভাইৰেল হোৱা কেইখনমান ফটোত সিদ্ধাৰ্থক বশিষ্ঠস্থিত বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত দেখা গৈছে, যাৰ ফলত এই চৰ্চাৰ তীব্ৰতা বৃদ্ধি পাইছে। অনুমান কৰা হৈছে যে সিদ্ধাৰ্থ শৰ্মা বিজেপিৰ ভাতৃ সংগঠন ভাৰতীয় যুৱ মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হিচাপে কাম কৰিছিল। জুবিন গাৰ্গৰ সৈতে ঘনিষ্ঠ সম্পৰ্কৰ সুবাদে তেওঁ ভাৰতীয় যুৱ মৰ্চাৰ প্ৰাক্তন সভাপতি সিদ্ধাংকু অংকুৰ বৰুৱাৰ সৈতে চিনাকিৰ জৰিয়তে এই পদ লাভ কৰিছিল বুলি একাংশ লোকে অভিযোগ তুলিছে। এই অভিযোগৰ সমৰ্থনত বিৰোধীপক্ষই দাবি কৰিছে যে সিদ্ধাৰ্থে বশিষ্ঠস্থিত বিজেপিৰ মুখ্য কাৰ্যালয়ত যুৱ মৰ্চাৰ কেইবাটাও গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰিছিল। শেহতীয়াকৈ ছচিয়েল মিডিয়াত ভাইৰেল হোৱা ফটোসমূহ পৰ্যবেক্ষণ কৰিলে এই কথা স্পষ্ট হয় যে সিদ্ধাৰ্থ শৰ্মা বিজেপিৰ কাৰ্যালয়লৈ নিয়মীয়াভাৱে গৈছিল। তথাপি, এই বিষয়ত বিজেপিয়ে এতিয়ালৈকে কোনো আনুষ্ঠানিক মন্তব্য প্ৰকাশ কৰা নাই। ফটো আৰু অভিযোগৰ পৰিপ্ৰেক্ষিতত জুবিনৰ অনুৰাগীসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে, আৰু এই বিষয়ে আগন্তুক দিনত অধিক তথ্য পোহৰলৈ আহিব বুলি ধাৰণা কৰা হৈছে।

### আদ্যশ্ৰাদ্ধ সমিতিৰ অস্থায়ী কাৰ্যালয় লক্ষ উদ্বোধন

# ৰূপাইবাসীৰ উদ্যোগত ৫ অক্টোবৰত জনকণ্ঠ জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৭ ছেপ্টেম্বৰ ঃ** জনতাৰ শিল্পী তথা এটি স্বয়ংক্ৰিয় অনুষ্ঠান সদৃশ স্বৰ্গগত জুবিন গাৰ্গৰ পুণ্যস্মৃতি ৰক্ষাৰ্থে আৰু বিদেহ আত্মাৰ সদগতিৰ কামনাৰ্থে অহা ৫ অক্টোবৰ, দেওবাৰে ইয়াৰ সমীপৰ ৰূপাই চাইডিঙস্থিত ডুমডুমা ৰাজহ চক্ৰ কাৰ্যালয়ৰ মুকলি বাকৰিত ৰাজহুৱাভাৱে গণশিল্পী গৰাকীৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি ৰূপাই চাইডিঙৰ কাক ৰোডস্থিত পি. কে. টাৱাৰত এটি অস্থায়ী কাৰ্যালয় কক্ষ উদ্বোধন কৰা হয়। সদ্যপ্ৰয়াত জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত এগছি বন্তি প্ৰজ্বলন কৰি এভাগি মঙ্গল প্ৰাৰ্থনাৰে কক্ষটি শুভ উদ্বোধন কৰে সমাজকৰ্মী শৰৎ চন্দ্ৰ চিৰিংফুকনে। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী চন্দ্ৰকান্ত সন্দিকৈ, হৰেশ্বৰ দত্ত, কিৰণময়ী হাজৰিকা বৰুৱা, আদ্যশ্ৰাদ্ধ সমিতিৰ সভাপতি-সম্পাদকৰ উপৰিও অন্যান্য বিষয়ববীয়া আৰু সদস্য-সদস্যাসকল উপস্থিত থাকে। উল্লেখ্য যে, শতিকাৰ শ্ৰেষ্ঠ অসমীয়া, অসমৰ জাতীয় জীৱনৰ স্পন্দন, আমাৰ প্ৰাণৰো আপোন শিল্পী জুবিন গাৰ্গে সকলোকে কন্দুৱাই যোৱা ১৯ ছেপ্টেম্বৰত অজান মুলুকলৈ গুচি যায়। "মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই" -বুলি কোৱা অসমবাসীৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধভাগি বৃহত্তৰ ৰূপাই অঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী, ধৰ্মাৱলম্বী লোক একত্ৰিত হৈ ৰাজহুৱাভাৱে আয়োজন কৰা হৈছে। এই উদ্দেশ্যে ২৬ ছেপ্টেম্বৰত এখন ৰাজহুৱা সভাও অনুষ্ঠিত হয়। আদ্যশ্ৰাদ্ধস্থলীত সেইদিনা সকলোৰে উপস্থিতি আদ্যশ্ৰাদ্ধ সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

# জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত বৰপেটাত গৰিয়া- মৰিয়া- দেশী জাতীয় পৰিষদৰ নেতৃত্বত 'পোহৰ সমদল' কাৰ্যসূচী

অসম বাৰ্তা, বৰপেটা সদৰ, জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ক্ষিপ্ৰতাৰে তদন্ত কৰক, জুবিন গাৰ্গৰ হত্যাকাৰীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদান কৰক, জুবিন গাৰ্গৰ হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিব নোৱাৰা অসম চৰকাৰ হায়- হায়, ইত্যাদি শ্ল'-গানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। এই সমদলৰ প্ৰতিবাদ স্বৰূপে জুবিন গাৰ্গৰ হত্যাকাৰীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদান কৰাৰ লগতে জুবিন গাৰ্গৰ লগত থাকি অবৈধভাৱে গঢ়া সম্পত্তি চৰকাৰে বাজেয়াপ্ত কৰি জুবিন গাৰ্গৰ পৰিয়ালক হস্তান্তৰ কৰিবলৈ সংগঠনটোৰ জিলা সভাপতি মৌচম নাজিমে দাবী জনায়। উল্লেখ্যযে, সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ আহ্বান মৰ্মে বৰপেটা জিলা সমিতিৰ উদ্যোগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ অভিযুক্তক গ্ৰেপ্তাৰ আৰু ন্যায়ৰ দাবীত আজি সন্ধিয়া বৰপেটা সদৰত এই "পোহৰ সমদল" কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মোবাইলৰ ফ্লাচ লাইট জ্বলাই বৰপেটা সদৰৰ চাউলখোৱা পাৰৰ পৰা আৰম্ভ কৰি চহৰৰ মাজেৰে সমদল কৰা হয়। এই সমদলত পৰিষদৰ কাৰ্যকৰ্তাৰ উপৰি ছাত্ৰ সন্থা, বিভিন্ন দল- সংগঠন আৰু জুবিন গাৰ্গৰ অনুৰাগীৰ লগতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।



মহামৃত্যুঞ্জয় মন্দিৰৰ আৰ্হিত নিৰ্মাণ কৰা ১১১ সংখ্যক চামগুৰিৰ ফুকনটোল-হাঁহচৰা-বৰালীগাঁও আঞ্চলিক দুৰ্গাপূজা মণ্ডপ, *ফটোঃ দিব্যজ্যোতি ভূঞা, পুৰণিগুদাম*

বিশিষ্ট পৰিৱেশকৰ্মী জয়নাল আবেদিনলৈ বিশেষ সম্বৰ্দ্ধনা লিহিৰি ইক' ক্লাবৰ

# তিনিচুকীয়াত বিশ্ব পৰ্যটন দিৱস উদ্‌যাপন

## প্ৰকৃতি ধ্বংসৰ মূল কাৰক চৰকাৰ - ড° জ্যোতিপ্ৰসাদ চলিহা



**অসম বাৰ্তা, তিনিচুকীয়া, ২৮ ছেপ্টেম্বৰ ঃ** বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে তিনিচুকীয়াতো জিলা প্ৰশাসনৰ তত্ত্বাৱধানত লিহিৰি ইক' ক্লাবৰ উদ্যোগত তিনিচুকীয়াস্থিত বিষ্ণু-জ্যোতি সংগীত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি বিশ্ব পৰ্যটন দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি "ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ধ্বংসৰ কাৰক, সংৰক্ষণ আৰু পৰ্যটন" শীৰ্ষক বিষয়ৰ ওপৰত এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে সদ্যপ্ৰয়াত জনতাৰ শিল্পী, অসমবাসীৰ প্ৰাণৰ স্পন্দন জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিশিষ্ট সাহিত্যিক, সমাজসেৱক ড° জ্যোতিপ্ৰসাদ চলিহাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আলোচনা চক্ৰত পৰিৱেশকৰ্মী, লেখক, জ্যেষ্ঠ সাংবাদিক ড° ঋষি দাসে পূৰ্বৰ ডিব্ৰু-ছৈখোৱা আৰু বৰ্তমানৰ ডিব্ৰু-ছৈখোৱাৰ মাজত আকাশ-পাতাল পাৰ্থক্যৰ কথা প্ৰকাশ কৰি এটা ৰাজহুৱা সম্পত্তিক ধ্বংস দিশলৈ ঠেলি দিয়াটো দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰে। লগতে ডিব্ৰু-ছৈখোৱাৰ দাঁতিকাষৰীয়া অঞ্চল বাৰেকুৰিত থকা হলৌ বান্দৰৰ ওপৰত যি পৰ্যটন উদ্যোগ গঢ় লৈ উঠিছে সেইয়া আমাৰ বাবে গৌৰৱৰ বিষয়। কিন্তু বাৰেকুৰি কিছু লোকে কোৱা অনুসৰি মাত্ৰ কেইগৰাকীমান মুষ্টিমেয় ব্যক্তিৰ হাততে সীমাৱদ্ধ আছে সেই পৰ্যটন। যিগৰাকী লোকৰ বাৰীত হলৌ চৰি ফুৰে তেওঁহে দুটকা লাভ কৰে, তাৰ বাহিৰে আন কোনো লোকে এটকাও লাভ কৰিবলৈ সক্ষম নহয়। এইয়া অতি দুখৰ বিষয়। কিয়নো সেই অঞ্চলৰ সকলোৱে ষ্টেক হলদাৰ অৰ্থাৎ অংশীদাৰী। গতিকে সেই স্থানৰ প্ৰত্যেকৰে এই পৰ্যটন আগবঢ়াই নিয়াৰ ক্ষেত্ৰত দায়িত্ব, কৰ্তব্য আৰু অধিকাৰ আছে। অসমৰ বিশিষ্ট অৰ্কিড বিশেষজ্ঞ কৃষ্ণজিৎ গগৈয়ে আলোচনা চক্ৰৰ বিষয়ৰ লগত সংগতি ৰাখি ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ধ্বংসৰ কাৰক মানুহ বুলি অভিহিত কৰে। লগতে ডিব্ৰু-ছৈখোৱাত পূৰ্বে বহুকেইটা অৰ্কিড পোৱা গৈছিল যদিও বৰ্তমান থকা ৪৯টা প্ৰজাতিৰ অৰ্কিডো ক্ৰমাৎ ধ্বংসৰ দিশে অগ্ৰসৰ হৈছে। গতিকে ইয়াক সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তা আছে। লগতে কয়, অৰ্কিডৰ বাবেও দেশ-বিদেশৰ বহু পৰ্যটক ডিব্ৰু-ছৈখোৱালৈ আগমন ঘটে। ইয়াক পৰ্যটন উদ্যোগলৈ ৰূপান্তৰ কৰাৰ থল আছে। সম্প্ৰতি জনসংখ্যা বৃদ্ধিৰ ফলতো ডিব্ৰু-ছৈখোৱাৰ বহু ক্ষতি হৈছে। আগন্তুক দিনত ডিব্ৰু-ছৈখোৱাৰ সংৰক্ষণৰ স্বাৰ্থত চৰকাৰ, প্ৰশাসনৰ সৈতে আলোচনা কৰি এক ইতিবাচক সিদ্ধান্ত লোৱাৰ সময় সমাগত বুলি মন্তব্য আগবঢ়ায়। ইয়াৰ পাছতে তিনিচুকীয়াৰ গুৰু টেগ বাহাদুৰ একাডেমীৰ বিজ্ঞান বিভাগৰ শিক্ষক, পৰিৱেশকৰ্মী শৈলেন্দ্ৰ মোহন দাসে প্ৰাকৃতিক পৰিৱেশত পখিলা, জিঞাঁৰ গুৰুত্ব আৰু ইয়াৰ পৰ্যটন সম্পৰ্কে বহুমূলীয়া বক্তব্য আগবঢ়ায়। আলোচনা চক্ৰৰ মাজতে তিনিচুকীয়াত পৰ্যটন উদ্যোগৰ প্ৰতিষ্ঠাপক বিশিষ্ট পৰিৱেশকৰ্মী জয়নাল আবেদিন (বেণু)ক গলবস্ত্ৰ, স্মাৰক, ফুলাম গামোচা, চেলেং আৰু সম্বৰ্দ্ধনা পত্ৰৰে বিশেষ সম্বৰ্দ্ধনা জ্ঞাপন কৰে। সম্বৰ্দ্ধনা গ্ৰহণ কৰি ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান আৰু জুবিন গাৰ্গৰ সৈতে থকা সম্পৰ্কৰ বিষয়ে প্ৰকাশ কৰাৰ লগতে তেওঁৰ অভিজ্ঞতা, ডিব্ৰু-ছৈখোৱাত কৰণীয় সম্পৰ্কে বহুমূলীয়া বক্তব্য আগবঢ়ায়। তিনিচুকীয়াৰ বিশিষ্ট লেখক, জ্যেষ্ঠ সাংবাদিক অমূল্য খাটনিয়াৰ, বিশিষ্ট সমাজসেৱক তথা বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজৰ সম্পাদক পূৰ্ণকান্ত কাকতি, জাৰ্নেলিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলাৰ সভাপতি অখিল বৰুৱা, তিনিচুকীয়া প্ৰেছ ক্লাবৰ সভাপতি কমল তালুকদাৰ, জ্যেষ্ঠ সাংবাদিক ক্ৰমে ৰূপম কাকতি, পুলক গগৈ, সমাজসেৱক বংকিম চন্দ্ৰ গগৈ, সদৌ মটক ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতৃত্ব, বীৰ লাচিত সেনা অসমৰ তিনিচুকীয়া জিলা সমিতিৰ বিষয়-ববীয়া, সদৌ তিনিচুকীয়া জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ নেতৃবৰ্গ, ছাত্ৰসমাজৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আলোচনা চক্ৰত উপস্থিত থাকে। আলোচনা চক্ৰৰ সভাপতি **ড° জ্যোতিপ্ৰসাদ চলিহাই প্ৰকৃতি ধ্বংসৰ মূল কাৰক চৰকাৰ** বুলি মন্তব্য আগবঢ়ায়। এই কাৰ্যসূচীৰ জৰিয়তে আগন্তুক দিনত ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ লগতে অসমৰ প্ৰাকৃতিক সম্পদৰ সংৰক্ষণৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ আগবঢ়ায়। লিহিৰি ইক' ক্লাবৰ সভাপতি পাপুল গগৈয়ে শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠান সামৰে।

# তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব এই সমাৰোহ

**অসম বাৰ্তা, ধনশিৰি, ২৮ ছেপ্টেম্বৰ ঃ** ঐতিহ্যমণ্ডিত সৰুপথাৰ অঞ্চলৰ গৌৰৱময় ইতিহাসৰ পাতত স্বৰ্ণাক্ষৰে উজ্জ্বলি থকা এটি উজ্জ্বল নক্ষত্ৰ স্বৰূপ পি.এম. শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়। দৈয়াং ধনশিৰিৰ উৰ্বৰ পৃষ্ঠভূমিত ১৯৫৬চনৰ ২৩মাৰ্চ তাৰিখে অঞ্চলটোৰ পোহৰ প্ৰয়াসী, শিক্ষানুৰাগী ব্যক্তিৰ আশাতীত ত্যাগ আৰু শ্ৰমৰ ফলশ্ৰুতিত অংকুৰিত হোৱা 'মানুহ গঢ়াৰ কমাৰশাল' স্বৰূপ পি.এম. শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ইতিমধ্যেই গৌৰৱোজ্বল ৭০টি বসন্ত অতিক্ৰম কৰি ৭১বৰ্ষত পদাৰ্পণ কৰিছে। সৰুপথাৰ অঞ্চলৰ বৌদ্ধিক আন্দোলনৰ নেতৃত্ব দিয়া প্ৰতিষ্ঠা কালৰ ব্যক্তি সকলৰ অহোপুৰুষাৰ্থ শ্ৰম আৰু ঘামেৰে জীপাল উচ্চ শিক্ষাৰ বাটকটীয়া স্বৰূপ বিদ্যালয়খনে ১৯৭৭ চনত চৰকাৰী স্বীকৃতি লাভ কৰি ১৯৮৫চনত উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হয়। ২০১৩চনত বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ প্ৰাদেশিকীকৰণ লাভ কৰা বিদ্যালয়ে ২০২৪চনত পি.এম. শ্ৰী বিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। এই সুদীৰ্ঘ পৰিক্ৰমাত শিক্ষানুষ্ঠানটিয়ে অক্ষুণ্ণ ৰখা বিকাশ আৰু উত্তৰণৰ ধাৰাবাহিকতাৰ স্মৃতিৰ পেৰা খুলিছোৱাৰ প্ৰয়াসেৰে বিদ্যালয়খনিৰ হীৰক জয়ন্তী সমাৰোহ আগন্তুক ডিচেম্বৰ মাহৰ ২৬, ২৭ আৰু ২৮ ডিচেম্বৰ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ আগবাঢ়িছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি স্বৰূপ সৰুপথাৰ নগৰৰ মাজমজিয়াত অৱস্থিত বিদ্যালয়খনিৰ গৌৰৱোজ্বল হীৰক জয়ন্তী সমাৰোহৰ মহাআয়োজনৰ শুভক্ষণত সকলো লোককে সমভাগী হবলৈ আহ্বান জনাইছে। হীৰক জয়ন্তী সমাৰোহৰ প্ৰথম দিনা ২৬ ডিচেম্বৰ তাৰিখে প্ৰাক্তন শিক্ষক-কৰ্মচাৰী সন্মিলন, শৈক্ষিক আলোচনা চক্ৰ আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হব। দ্বিতীয় দিনা অৰ্থাৎ ২৭ডিচেম্বৰ তাৰিখে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহৰ লগতে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হব আৰু তৃতীয় দিনা অৰ্থাৎ ২৮ডিচেম্বৰ তাৰিখে সাংস্কৃতিক শোভাযাত্ৰা, মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠান আয়োজিত হব। তদুপলক্ষে বিদ্যালয়খনিৰ অধ্যক্ষা মিতালী বৰা আৰু উদযাপন সমিতিয়ে পি.এম. শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰে পৰা বৰ্তমানলৈকে জড়িত থকা হিতৈষী, শুভাকাংক্ষীসকলৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন শিক্ষক-কৰ্মচাৰী, বৰ্তমান শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলক সকলোৰে একত্ৰিত প্ৰচেষ্টাত অনুষ্ঠিত কৰিবলৈ লোৱা হীৰক জয়ন্তী সমাৰোহ সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰি তুলিবলৈ অনুৰোধ জনাইছে। আনহাতে হীৰক জয়ন্তী সমাৰোহ অনুষ্ঠানভাগি সফল কৰাৰ হেতু হীৰক জয়ন্তী উদযাপন সমিতিৰ লগতে বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে যাৱতীয় সকলো কাম কাজ দ্ৰুত গতিত আগবঢ়াইছে। কাম কাজ সমূহ নিয়াৰিকৈ কৰি যোৱাৰ স্বাৰ্থত সৰুপথাৰ ৰংঘৰ ৰাজহুৱা ভৱন প্ৰাঙ্গনত এটি অস্থায়ী কাৰ্যালয়ৰো ব্যৱস্থা কৰিছে। ইফালে হীৰক জয়ন্তী সমাৰোহৰ লগত সঙ্গতি ৰাখি উন্মোচিত হবলগীয়া লোক সংস্কৃতিৰ গৱেষক ধৰ্মেশ্বৰ দুৱৰাৰ সম্পাদনাৰে "জ্ঞান বীক্ষণ" নামেৰে এখনি স্মৃতি গ্ৰন্থৰো কাম চলি আছে। স্মৃতি গ্ৰন্থখনিৰ বাবে আগন্তুক ১০অক্টোবৰ তাৰিখৰ ভিতৰত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ পৰা শিক্ষা, বিদ্যালয়, সৰুপথাৰ সমজিলা, স্মৃতিৰ কাহিনী আদি বিষয়ক লেখা বিছাৰি আহ্বান জনাইছে। ইচ্ছুকসকলে তেওঁলোকৰ লেখা সমূহ jcomputer.spr@gmail.com নাইবা জ্যোতি ইলেকট্ৰনিকচ, সৰুপথাৰ দৈনিক বজাৰ, পিন-৭৮৫৬০১ অথবা ৯৯৫৪০২৫৬৮০ মোবাইল নম্বৰত যোগাযোগ কৰি প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে।

"গ্ৰন্থ আৰু জুবিন গাৰ্গ" শীৰ্ষক বিশেষ আলোচনা চক্ৰৰ আয়োজন

# ২৯ ছেপ্টেম্বৰৰ পৰা পুৰণিগুদাম প্ৰেছ ক্লাবৰ শাৰদীয় শিশু গ্ৰন্থমেলা

## পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ ছেপ্টেম্বৰ ঃ** "পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক" শীৰ্ষক বাণীৰে ১৯৯৬ চনৰ পৰা অনুষ্ঠিত হৈ অহা শাৰদীয় পুৰণিগুদাম শিশু গ্ৰন্থমেলাখনি বিগত বছৰৰ দৰে এইবছৰো ২৯ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰাৰ প্ৰস্তুতি চলিছে। পুৰণিগুদাম প্ৰেছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া শিশু গ্ৰন্থমেলাৰ কাৰ্যসূচী অনুসৰি ২৯ ছেপ্টেম্বৰৰ পুৱা ৯-৪৫ বজাত পুৰণিগুদাম প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰিব পুৰণিগুদাম প্ৰেছ ক্লাবৰ সভাপতি তপন কটকীয়ে আৰু শাৰদীয় শিশু গ্ৰন্থমেলাৰ পতাকা উত্তোলন কৰিব শাৰদীয় শিশু গ্ৰন্থমেলা উদ্‌যাপন সমিতিৰ সভাপতি মণিমাধৱ মহন্তই। পুৱা ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰ লগতে প্ৰয়াত সাংবাদিক জয়ন্ত ভূঞা, দিগন্ত ভূঞা, ধনটি হীৰা আৰু নীলাভ জ্যোতি হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব পুৰণিগুদাম প্ৰেছ ক্লাবৰ সদস্যসকলে। পুৱা ১০-১৫ বজাত গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰিব নগাঁও জিলা উপায়ুক্ত দেৱাশিস শৰ্মাই। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব পুৰণিগুদাম ড' বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস। পুৱা ১০-৩০ বজাত "সকলোৱে পাব পুৰস্কাৰ" শীৰ্ষক চিত্ৰাংকণ প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ তত্ত্বাৱধায়ক পুলিন কটকী আৰু শুভাশীষ পঞ্চানন। সন্ধ্যা ছয় বজাত "মৰমৰ জুবিন দা" শীৰ্ষক স্মৃতি অনুষ্ঠান অনুষ্ঠিত হ'ব। ৩০ ছেপ্টেম্বৰৰ বিয়লি তিনি বজাত কবিতা আবৃত্তি প্ৰতিযোগিতা, বিয়লি চাৰি বজাত একক অভিনয় প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতা সমূহ "ক" আৰু "খ" দুটা শাখাত হ'ব। সন্ধ্যা ছয় বজাত "গ্ৰন্থ আৰু জুবিন গাৰ্গ" শীৰ্ষক এটি আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। উক্ত আলোচনা চক্ৰত বিশিষ্ট অতিথি হিচাপে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী আৰু চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। ১ অক্টোবৰৰ বিয়লি পাঁচ বজাত ৰাজীৱ গোস্বামীৰ সঞ্চালনাত মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২ অক্টোবৰৰ বিয়লি পাঁচ বজাত গান্ধী জয়ন্তী উপলক্ষে মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। বিয়লি ৫-৩০ বজাত অনুষ্ঠিত হ'বলগীয়া ৰাজহুৱা সভাত "আপোনাৰ শিশুটিক পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক" শীৰ্ষক বিষয়ত আলোচনা হ'ব। সন্ধ্যা সাত বজাত "গীতে মাতে জুবিন দা" শীৰ্ষক স্মৃতি অনুষ্ঠান অনুষ্ঠিত হ'ব। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী কেশৱ মহন্ত। ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠা শাৰদীয় শিশু গ্ৰন্থমেলাখন পৰিচালনা কৰিবলৈ মণিমাধৱ মহন্তক সভাপতি, হেমন্ত শইকীয়াক কাৰ্যকৰী সভাপতি, নীলৰঞ্জন শৰ্মাক উপ-সভাপতি, দীপক জ্যোতি ডেকা আৰু অভিজিৎ বৰাক যুটীয়া সম্পাদক, ভাৰ্গৱ হাজৰিকা, ভাস্কৰ দাস আৰু নয়নমণি বৰাক সাংগঠনিক সম্পাদক, কাবুল কলিতা আৰু শ্যামেন্দ্ৰ বৈৰাগীক সাংস্কৃতিক সম্পাদক, প্ৰমোদ কুমাৰ শৰ্মা আৰু দিব্যজ্যোতি ভূঞাক কোষাধ্যক্ষ আৰু দিপাংকৰ ভৰদ্বাজ, জিতুমণি শইকীয়া আৰু বাতচ্চম এন জেদ হক, নৱজ্যোতি বৰুৱা, যোগেশ শৰ্মা, প্ৰিন্স হক, মৃণাল বৰুৱা আৰু যড়ানন বৰাক প্ৰচাৰ সম্পাদক হিচাপে লৈ এখন গ্ৰন্থমেলা উদযাপন সমিতি গঠন কৰা হৈছে।

দুধনৈৰ ১৯খন পূজা সমিতিৰ সাংস্কৃতিক কাৰ্যসূচী বাতিল

# দেৱী কাত্যায়নীক পূজা-অৰ্চনাৰে বেদীত স্থাপন হ'ল দশভূজা মা দুৰ্গা

## জুবিনবিহীন শাৰদী উৎসৱত ম্লান সকলো

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৮ ছেপ্টেম্বৰ ঃ** আজি পৱিত্ৰ মহাষষ্ঠী। দেৱী কাত্যায়নীক পূজা-অৰ্চনাৰে বেদীত স্থাপন হ'ল দশভূজা মা দুৰ্গা। এইবাৰ জুবিনবিহীন শাৰদীয় উৎসৱ উদ্‌যাপন হ'ব সমগ্ৰ ৰাজ্যত। জুবিনৰ অকাল বিয়োগত শাৰদী ৰাণীক আদৰিবলৈ প্ৰতিখন পূজা সমিতিৰ উৎসাহ স্তিমিত হৈ পৰা পৰিলক্ষিত হৈছে। প্ৰাণৰ শিল্পী গৰাকীক হেৰুৱাই শোকাহত হৈ পৰিল অসমবাসী। পঞ্চভূতত বিলীন হ'ল হাৰ্টথ্ৰব জুবিন। সকলোৱে হিয়া ধাকুৰি কান্দি কান্দি চকুলোৰে বিদায় জনালে হিয়াৰ আমঠু শিল্পী গৰাকীক। এনে শোকৰ মাজতো অসমৰ ভিন্ন প্ৰান্তৰ লগতে দুধনৈতো ১৯খন পূজা সমিতিয়ে বিভিন্ন কাৰ্যসূচীৰে প্ৰস্তুতি চলাইছে শাৰদী ৰাণীক আদৰিবলৈ। দুধনৈ জনমন্দিৰ দুৰ্গাপূজা মণ্ডপ প্ৰাংগণত আজি বৃহত্তৰ দুধনৈ দুৰ্গাপূজা সমন্বয়ৰক্ষী সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত পূজাসমিতি সমূহৰ সৰ্বসন্মত সিদ্ধান্ত মৰ্মে কেবাটাও প্ৰস্তাব গ্ৰহণ কৰা হয়। প্ৰস্তাৱ অনুসৰি প্ৰতিখন পূজা সমিতিয়ে অসমবাসীৰ হিয়াৰ আমঠু প্ৰয়াত জুবিন গাৰ্গৰ মৃত্যুত শোকস্তব্ধ হৈ পূজা সমিতি সমূহে গ্ৰহণ কৰা যিকোনো সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। আনহাতে পূজা সমিতি সমূহত চাউণ্ড চিষ্টেম, বেন্দপাৰ্টি, ঢুলীয়া, ডি-জে ইত্যাদি সমূহো বাতিল কৰাৰ সিদ্ধান্ত লৈ প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ উপৰিও প্ৰতিখন পূজা মণ্ডপত ২৮ চেপ্তেম্বৰৰ পৰা ২অক্টোবৰলৈ আটাই কেইদিন জুবিন গাৰ্গৰ প্ৰতিচ্ছবি ৰাখি শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰো প্ৰস্তাৱ গ্ৰহণ কৰা হয়। বৃহত্তৰ দুধনৈ দুৰ্গাপূজা সমন্বয়ৰক্ষী সমিতিৰ সভাপতি তৰুণ চাংমাই আৰু সম্পাদক পুস্পাদিত্য চৌধুৰীয়ে সভাত গৃহীত হোৱা প্ৰস্তাৱ সমূহ কাৰ্যকৰী কৰাৰ বাবে লগতে শান্তিপূৰ্ণ ভাবে পূজা উদ্‌যাপন কৰিবলৈ প্ৰতিখন পূজা সমিতিক সংবাদ মাধ্যম যোগে অনুৰোধ জনায়। আজিৰ সভাত অংশগ্ৰহণ কৰা বৃহত্তৰ দুধনৈৰ পূজা সমিতি সমূহ হ'ল ক্ৰমে দুধনৈ সৰ্বজনীন দুৰ্গোৎসৱ পূজা সমিতি, পূব দুধনৈ, পশ্চিম দুধনৈ, উত্তৰ দুধনৈ, দক্ষিণ দুধনৈ, দক্ষিন পূব, মধ্য দুধনৈ, শান্তি নগৰ, শান্তি দুৰ্গা, শিয়ালমাৰী খাৰা, পানীটেংকী, লেলা বানিয়া পাৰা, মাজ-জাখিলী, দামৰা, বাখ্ৰাখুটি, পুৰণিভিটা, লেলা পুখুৰীপাৰা, দত্ত পৰিয়াল আৰু ডালু পৰিয়াল দুৰ্গাপূজা সমিতিয়ে। ইতিমধ্যে দুধনৈ সমজিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, ৰাজহ চক্ৰবিষয়া, দুধনৈ আৰক্ষী থানাৰ সৈতে দুধনৈ সমন্বয়ৰক্ষী পূজা সমিতিয়ে সুকীয়া সুকীয়াকৈ শান্তিপূৰ্ণ ভাবে শাৰদীয় উৎসৱ উদ্‌যাপন কৰাৰ ক্ষেত্ৰত আলোচনাত মিলিত হৈছে। আইন শৃখলাৰ ক্ষেত্ৰটো প্ৰশাসনে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

# ওদালগুৰিত জুবিন গাৰ্গৰ স্মৃতিত ৰোপণ কৰা হ'ব এহেজাৰ এডাল গছপুলি



**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৮ ছেপ্টেম্বৰ ঃ** অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ ওদালগুৰি জিলাৰ উদ্যোগত আজি এম.আৰ.এছ.ডিৰ সভাগৃহত এখন বিশেষ সভা অনুষ্ঠিত হয়। সভাত এ.বি.ভি.পি ওদালগুৰি জিলাৰ জিলা প্ৰমুখ জয়ন্ত কুমাৰ নাথে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰু তেওঁ কয় যে সদ্য প্ৰয়াত অসমৰ হাৰ্ট থ্ৰব জুবিন গাৰ্গলৈ বিশেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ তেখেতৰ মৃত্যুৰ মাহেকীয়া তিথিত ওদালগুৰিত এহেজাৰ এডাল গছ পুলি ৰোপণ কৰিবলৈ সকলোৱে সহমতত সিদ্ধান্ত গ্ৰহণ কৰে। জুবিন গাৰ্গ যিহেতু প্ৰকৃতিপ্ৰেমী আছিল আৰু গছপুলি ৰোপণৰ ওপৰত গুৰুত্ব দিছিল সেয়েহে, তেওঁক শ্ৰদ্ধাঞ্জলি দিবলৈ এইটোয়ে উত্তম হ'ব বুলি সকলোৱে মত প্ৰকাশ কৰে। সভাত গছপুলি ৰোপণৰ লগতে ছমাহৰ কাৰণে পৰ্যবেক্ষণ কৰিবলৈও সিদ্ধান্ত লোৱা হয়। জিলা প্ৰশাসনে অনুমতি দিলে কাহীবাৰী- গোলমাচ'ক পথৰ দুয়োকাষে বৃক্ষৰোপণৰ কাৰ্যসূচী লোৱা হ'ব বুলি সভাত সিদ্ধান্ত গ্ৰহণ কৰে। গছপুলি ৰোপণ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে এখন আয়োজক সমিতি গঠন কৰা হয়। বৃক্ষৰোপণ কাৰ্যসূচীত ভাৰত চৰকাৰৰ যুৱ আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনত মেৰা যুৱ ভাৰত ওদালগুৰি আৰু এম.আৰ.এছ.ডি এনজিওৰ পৰাও সহযোগিতা আগবঢ়াব বুলি দুয়োটা বিভাগৰ হৈ উপস্থিত থাকি ড° মিলন দাসে ঘোষণা কৰে। লগতে তেওঁ এই কাৰ্যসূচীত ওদালগুৰিবাসী ৰাইজৰ সহায় সহযোগিতা কামনা কৰে আৰু অনুষ্ঠান-প্ৰতিষ্ঠান বা ৰাইজে জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে এই কাৰ্যসূচীত যোগদান কৰি জুবিন গাৰ্গক শ্ৰদ্ধা নিবেদন কৰিব বুলি আশা প্ৰকাশ কৰে। সদৌ শেষত জুবিন গাৰ্গৰ ন্যায় প্ৰদানৰ ক্ষেত্ৰত চৰকাৰে যাতে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবেও দাবী জনায়।

ডেৰমাহ কাম কৰি নাপালে মজুৰি

# ৰূপহীহাটৰ মাগুৰমাৰীত ১০ গৰাকী শ্ৰমিকক প্ৰতাৰণা ঠিকাদাৰৰ

**অসম বাৰ্তা, ৰূপহীহাট, ২৮ ছেপ্টেম্বৰ ঃ** ৰূপহীহাটৰ মাগুৰমাৰীৰ শ্ৰমিকক প্ৰতাৰণা কৰাৰ অভিযোগ উঠিছে ঠিকাদাৰ আব্দুল কাদিৰৰ বিৰুদ্ধে। মুৰিপুথিখাইটিৰ আব্দুল কাদিৰ নামৰ লোকজনে ১০জন শ্ৰমিকক কাম দিয়াৰ প্ৰলোভনেৰে লংকাত জঙ্গলৰ মাজত আবদ্ধ কৰি ৰখাৰ অভিযোগ। বিগত ডেৰমাহে লংকাৰ এক ঘণ জঙ্গলৰ মাজত ডালাই কামত নিয়োজিত কৰি পাৰিশ্ৰম নিদিয়াৰ অভিযোগ। আব্দুল কাদিৰ নামৰ নামদাৰী ঠিকাদাৰজনে শ্ৰমিকসকলক কামত লগাই গুচি অহাত শ্ৰমিক সকলে কামৰ প্ৰাৰিশ্ৰম নিদিয়াৰ উপৰিও থকা খোৱা সময়মতে নিদিয়াৰ লগতে বাউণ্ডেৰীৰ ভিতৰত আবদ্ধ কৰি ৰখাৰ অভিযোগ। ডেৰমাহে বিভিন্ন আতিশৰ্য্যৰ বলি হোৱা ১০ গৰাকী শ্ৰমিক নিশা কোনোমতে নিজৰ প্ৰাণ লৈ পলায়ন কৰি উপস্থিত হয় ৰূপহীহাট আৰক্ষী থানাৰ সন্মুখত। শ্ৰমিক সকলে সংবাদ মাধ্যমৰ আগত প্ৰৱঞ্চনাৰ সকলো কথা প্ৰকাশ কৰে। প্ৰৱঞ্চক ঠিকাদাৰ আব্দুল কাদিৰৰ বিৰুদ্ধে প্ৰশাসনে বিহীত ব্যৱস্থা গ্ৰহণৰ দাবী ভুক্তভোগী শ্ৰমিক সকলৰ।

# নগাঁও জিলাত পূজা উদ্‌যাপন সমিতিলৈ ৰাজ্য চৰকাৰৰ চেক বিতৰণ কাৰ্যসূচী সম্পন্ন



**অসম বাৰ্তা, নগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** ২০২৫ বৰ্ষৰ শাৰদীয় দুৰ্গোৎসৱ উদ্‌যাপনৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াই অসম চৰকাৰে ৰাজ্যখনৰ সৰ্বমুঠ ৭, ৮১৭খন পূজা সমিতিলৈ ১০ হাজাৰ টকাকৈ আৰ্থিক সহায় প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি, নগাঁও জিলাখনৰ সৰ্বমুঠ ৩৮৭ সংখ্যক দুৰ্গা পূজা সমিতি আৰ্থিক সহায় প্ৰাপ্তিৰ বাবে নিৰ্বাচিত হয়। শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ শোকৰ সময়তো উৎসৱৰ চেতনা অটুট ৰাখি, শাৰদীয় দুৰ্গোৎসৱ ২০২৫ উদযাপন উপলক্ষে নগাঁও শাৰদীয় দুৰ্গা পূজা উদযাপন সমিতিসকললৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা আৰ্থিক সহযোগিতাৰ মাজৰ ২০ সংখ্যক চেক যোৱা ২৬ ছেপ্টেম্বৰত জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত আয়োজিত এখন বিশেষ সভাৰ জৰিয়তে জিলা আয়ুক্ত দেৱাশিস শৰ্মাই আনুষ্ঠানিকভাৱে বিতৰণ কৰে। উল্লেখযোগ্য যে, জিলাখনৰ নিৰ্বাচিত বাকী পূজা সমিতিসকললৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা আৰ্থিক সহযোগিতাৰ চেকসমূহ সম-জিলা আয়ুক্ত কাৰ্য্যালয় আৰু চক্ৰ বিষয়াসকলৰ সহযোগিতাৰে সংশ্লিষ্ট সমষ্টিৰ বিধায়কসকলে আনুষ্ঠানিকভাৱে বিতৰণ কৰে। উক্ত দিনাই নগাঁও বটদ্ৰৱা সমষ্টিৰ সন্মানীয় বিধায়ক ৰূপক শৰ্মা আমোলাপট্টি নাট্যমন্দিৰৰ প্ৰেক্ষাগৃহত আয়োজিত এটি অনুষ্ঠানৰ জৰিয়তে ৬০ নং নগাঁও বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত ১২৬খন দুৰ্গোৎসৱ সমিতিলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা আৰ্থিক সহযোগিতাৰ চেকসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। এই বিতৰণ অনুষ্ঠানত নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই জিলা আৰক্ষী অধীক্ষক, স্বপ্নীল ডেকা, অতিৰিক্ত জিলা আয়ুক্ত, পংকজ নাগবংশী, নগাঁও পৌৰসভাৰ পৌৰপতি অম্বিকা মজুমদাৰ, উপ-পৌৰপতি সীমান্ত বৰা, বিশিষ্ট অতিথি আৰু পূজা সমিতিসকলৰ সদস্যসকল উপস্থিত থাকে। কলিয়াবৰ সম জিলাৰ অন্তৰ্গত পূজা উদযাপন সমিতিসমূহত আৰ্থিক সহায়ৰ চেক সমূহ অসম চৰকাৰৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ বিভাগৰ মাননিয় মন্ত্ৰী কেশৱ মহন্ত বিতৰণ কৰে।

# নাথকুছিত ৪৭ সংখ্যক শ্ৰীশ্ৰী লক্ষ্মী পূজা উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, নমাটি, ২৮ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ নাথকুছি (টিহু চ'ক) ত অহা ৬, ৭ আৰু ৮ অক্টোবৰত তিনিদিনীয়া কাৰ্যসূচীৰে ৪৭ সংখ্যক নাথকুছি আঞ্চলিক বাৰোৱাৰী শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে গুণধৰ দাসক সভাপতি আৰু পৰাগ কুমাৰ দাসক সম্পাদক হিচাপে লৈ পূজা সমিতি এখন গঠন কৰা হৈছে। পূজাৰ কাৰ্যসূচী অনুসৰি ৬ অক্টোবৰৰ পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি গুণধৰ দাসে। পুৱা ৯-৩০ বজাত বৃক্ষ ৰোপণ। সন্ধিয়া ৬-৩০ বজাত প্ৰতিমা স্থাপন আৰু ওজাপালিৰ দেৱী বন্দনা। সন্ধিয়া ৭ বজাত বন্তি প্ৰজ্জ্বলন। সন্ধিয়া ৮ বজাত পূজাৰম্ভ। নিশা ১১ বজাত কামৰূপীয়া বৰঢুলীয়া পাৰ্টিৰ দ্বাৰা নাট প্ৰদৰ্শন। ৭ অক্টোবৰৰ পুৱা ৯ বজাত চিত্ৰাংকন প্ৰতিযোগিতা। পুৱা ১০বজাত শ্ৰীশ্ৰী লক্ষ্মী দেৱীৰ পূজা আৰু ওজাপালিৰ দ্বাৰা দেৱী বন্দনা। সন্ধিয়া ৭ বজাত একক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব টিহু জিলা পৰিসদৰ সদস্যা ৰুবি দাসে। ৮ অক্টোবৰৰ পুৱা আয়তীৰ দ্বাৰা নাম পৰিবেশন। দিনৰ ১ বজাত পূজা সমাপন। সন্ধিয়া ৫-৩০বজাত শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ প্ৰতিমা বিসৰ্জন। সন্ধিয়া ৬ বজাত সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰিব টিহু হাইস্কুলৰ অৱসৰী শিক্ষক তৰণী চৌধুৰীয়ে।

# বাগানত ভয়ংকৰ পথ দুৰ্ঘটনাত থিতাতে নিহত ৰিংকু দাস

**অসম বাৰ্তা, মিৰ্জা, ২৮ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ বাগনত শনিবাৰে নিশা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। প্ৰাপ্ত তথ্য অনুসৰি পালচাৰ আৰু কে টি এম বাইকৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত সংঘটিত হৈছে এই শোকাৱহ দুৰ্ঘটনা। ঘটনাটো সংঘটিত হোৱা কে টি এম বাইক খনৰ নম্বৰ হৈছে এ এছ ০১ এল ৯১৫৬আৰু আনখন পালচাৰ বাইকৰ নম্বৰ হৈছে এ এছ ০১ ই ৱাই ৪৪০৮। আৰক্ষীৰ পৰা পোৱা তথ্য অনুসৰি ঘটনাস্থলীতে থিতাতে নিহত হৈছিল বাগান শান্তিপুৰৰ ৰিংকু দাস নামৰ এজন যুৱক। পালচাৰ বাইকখনত গৌতম শালৈ নামৰ বন্ধু জনৰ লগত আহিছিল ৰিংকু দাস। আনহাতে কে টি এম বাইকত আহিছিল সিমন্ত ৰাভা আৰু সন্তোষ ৰাভা নামৰ আন দুজন যুৱক। ৰিংকু দাসৰ মৃত্যু হোৱাৰ লগতে আহত হৈছে আন তিনিও গৰাকী যুৱক। আহত যুৱক কেইজনক প্ৰথমে মিৰ্জাৰ স্বাস্থ্যকেন্দ্ৰ ভৰ্তি কৰা হৈছিল যদিও পিছলৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয় গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ। ইফালে নিশা পলাশবাৰী আৰক্ষী থানাৰ মৰ্গত ৰখা হয় ৰিংকু দাসৰ মৃতদেহ। দেওবাৰে পুৱা আৰক্ষীৰ পৰা ৰিংকুৰ পৰিয়ালৰ লোকে মৃতদেহ চমজি লয় আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটীলৈ লৈ যায়। উক্ত ঘটনাই সমগ্ৰ বাগান অঞ্চলত শোকাকূল পৰিবেশৰ সৃষ্টি কৰিছে।

# কাকৈ বালিজান প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বুলু শইকীয়াৰ অৱসৰ

**অসম বাৰ্তা, লীলাবাৰী, ২৮ ছেপ্টেম্বৰ ঃ** শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকৰ তিনিকোণীয়া সম্পৰ্কৰ এক নিদৰ্শন দাঙি ধৰি আজি শৈক্ষিক কৰ্মজীৱনৰ পৰা অৱসৰ ল'লে সকলোৱে শ্ৰদ্ধাৰ শিক্ষাগুৰু বুলু শইকীয়াই। কাকৈ বালিজান প্ৰাথমিক বিদ্যালয়ৰ সন্মানীয় প্ৰধান শিক্ষয়িত্ৰী গৰাকীৰ অৱসৰত কান্দোনত ভাগি পৰিল ছাত্ৰ-ছাত্ৰী আৰু বালিজানবাসী ৰাইজ। ১৯৯৮ বৰ্ষত শান্তিপুৰ মিচিং গাঁও প্ৰাথমিক বিদ্যালয়ত শিক্ষকতাৰ বৃত্তি জড়িত হৈ ২০১১ বৰ্ষত কাকৈ ৰাজগড় ডফলা প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে বদলি হয়। ৰাজগড় দফলা বিদ্যালয়ৰ পৰা কাকৈ বালিজান প্ৰাথমিক বিদ্যালয়লৈ ২০১৫ বৰ্ষত প্ৰধান শিক্ষক ৰূপে যোগদান কৰা সকলোৱে মৰমৰ বুলু বাইদেৱে আজি অৱসৰ গ্ৰহণ কৰে। আদিবাসী বসতিপ্ৰধান বালিজান গাঁৱৰ কদৰ্য বাট গচকি, বাৰিষাৰ বোকা খচকি পুৱা ৮ বাজি ৪৫ মিনিটত সদায়েই আহি পোৱা বালিজানবাসীৰ মৰমৰ বাইদেৱে অৱসৰ ল'লে। সাংবাদিক মিণ্টু মিঞ্জুৰে পৰিচালনা কৰা 'বিদায় সম্বৰ্দ্ধনা সভা'ত উজ্জলপুৰ শৈক্ষিক সমল সমন্বয়ক ৰঞ্জন ডেকা, বালিজান চাহ জনজাতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক দিগন্ত বৰদলৈ, জুনুবস্তি জৱাহৰজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰাঞ্জল কাকতি, কাকৈ ৰাজগড় ডফলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ছাইফুল ইছলাম, বালিজান আদিবাসী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দ্বীপেন গোঁহাইৰ উপৰিও বহুকেইজন শিক্ষক, কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। বিদ্যালয়খনৰ সহকাৰী শিক্ষক নিকুঞ্জ দত্তই আঁত ধৰা সভাখনত উজ্জলপুৰ শৈক্ষিক সমল সমন্বয় শিক্ষকগোট, বালিজানবাসী ৰাইজ, বিদ্যালয় পৰিচালনা সমিতি, ছাত্ৰ-ছাত্ৰীয়ে পৃথকে পৃথকে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী গৰাকীক চেলেং, গামোচা, কিতাপৰ টোপোলা, শৰাই, স্মাৰক, মানপত্ৰ, ছাতি, অঙ্গ-বস্ত্ৰ আদিৰে বিদায় সম্বৰ্দ্ধনা জনায়। উল্লেখ্য যে, প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে অৱসৰৰ পাছৰ কাৰ্যকালৰ বাবে বিদ্যালয়খনৰ সহকাৰী শিক্ষক নিকুঞ্জ দত্তক ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে বালিজানবাসী ৰাইজে দায়িত্ব অৰ্পণ কৰে।

# ৰূপহীহাটৰ কাঞ্চনপুৰত নেমছুৰ ৩১ জনীয়া কমিটি গঠন

**অসম বাৰ্তা, ৰূপহীহাট, ২৮ ছেপ্টেম্বৰ ঃ** আজি ৰূপহীহাটৰ কাঞ্চনপুৰত নেমছুৰ আঞ্চলিক সমিতি গঠন কৰা উপলক্ষে এক সাধাৰণ সভা অনুষ্ঠিত হয়। নগাঁও জিলা নেমছুৰ সভাপতি মঞ্জিৰুল ইছলামৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত ৩১ জনীয়া নেমছুৰ শক্তিশালী আঞ্চলিক সমিতি গঠন কৰা হয়। নৱগঠিত নেমছু আঞ্চলিক সমিতিৰ সভাপতি হিচাপে ৰাকিব আৰু সম্পাদক হিচাপে লুৎফুৰ ৰহমান নিৰ্বাচিত হয়। শিক্ষাই শক্তি, শিক্ষাই মুক্তি শ্লোগানৰে কাঞ্চনপুৰ অঞ্চলৰ বিভিন্ন অসামাজিক কাৰ্যকলাপ আৰু দুৰ্নীতি নিবাৰণৰ লক্ষ্য আগত ৰাখি নেমছুৰ আজিৰ কাঞ্চনপুৰত আঞ্চলিক সমিতি গঠন কৰে। বৃহত্তৰ অঞ্চলটোত শিক্ষাৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ লগতে দুৰ্নীতি মুক্ত সমাজ গঢ়ি তুলিবলৈ নেমছু কাঞ্চন পুৰ আঞ্চলিক সমিতি গঠন কৰি সভাপতি আৰু সাধাৰণ সম্পাদককে ধৰি সকলোকে নগাঁও জিলা নেমছুৰ সভাপতিয়ে শুভেচ্ছা জ্ঞাপন কৰে। নগাঁও জিলাৰ নেমছুৰ সাধাৰণ সম্পাদক মুস্তাকিম আনছাৰিয়ে ভাষণ প্ৰশংসগত কয় যে আজিৰ এই শক্তিশালী আঞ্চলিক সমিতিয়ে এই বৃহত্তৰ অঞ্চলত ড্ৰাগছ, মদ, জুৱা আদি বিভিন্ন অসামাজিক কাৰ্যৰ বিৰুদ্ধে শক্তিশালী ভূমিকা পালন কৰিব বুলি মন্তব্য কৰে। সাধাৰণ সভাখনত নগাঁও জিলা সভাপতি মঞ্জিৰুল ইছলামে তত্ত্ব গধুৰ ভাষণ প্ৰদান কৰে।

# পুৰণিগুদামত ৫৭৭ সংখ্যক মহাপুৰুষ শ্ৰীমন্ত শংকৰ গুৰুজনাৰ আৰ্বিভাৱ মহোৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদাম পাৰঘাটস্থিত শ্ৰীমন্ত শংকৰদেৱৰ থান প্ৰাংগণত অহা ১, ২ আৰু ৩ অক্টোবৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুজনাৰ ৫৭৭ সংখ্যক আৰ্বিভাৱ মহোৎসৱ উদযাপনৰ ব্যাপক প্ৰস্তুতি চলিছে। পাৰঘাট শ্ৰীমন্ত শংকৰদেৱৰ থান পৰিচালনা সমিতিৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া গুৰুজনাৰ আৰ্বিভাৱ মহোৎসৱৰ কাৰ্যসূচী অনুসৰি ১ অক্টোবৰৰ সন্ধ্যা ৭ বজাত গন্ধবাদন। ২ অক্টোবৰৰ পুৱা পাঁচ বজাত প্ৰাতঃপ্ৰসঙ্গ। পুৱা ৭-৪৫ বজাত আইসকলৰ নাম। পুৱা ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি প্ৰভাত ভূঞাই। পুৱা দহ বজাত ভাগৱত শোভাযাত্ৰা। দিনৰ এঘাৰ বজাত নামপ্ৰসঙ্গ আৰু প্ৰসাদ বিতৰণ। সন্ধ্যা ছয় বজাত বন্তি প্ৰজ্বলন আৰু বৰগীত পৰিৱেশন। বন্তি প্ৰজ্বলন কৰিব গংগাধৰ কলিতাই। নিশা ৮ বজাত অংকীয়া ভাওনা "ৰুক্মিণী হৰণ" প্ৰদৰ্শন হ'ব। অংকীয়া ভাওনাৰ শুভ উদ্বোধন কৰিব লাইআটি সত্ৰৰ সত্ৰাধিকাৰ যুগলচন্দ্ৰ দেৱ গোস্বামীয়ে। অংকীয়া ভাওনাৰ "ৰুক্মিণীৰ হৰণ" ৰ পৰিচালনা অনিত্য ভূঞাৰ। ৩ অক্টোবৰৰ পুৱা ৫ বজাত প্ৰাতঃপ্ৰসঙ্গ, পুৱা ৮ বজাত আইসকলৰ নাম, পুৱা দহ বজাত নামপ্ৰসঙ্গ আৰু প্ৰসাদ বিতৰণ। বিয়লি তিনি বজাত বৰগীত পৰিৱেশন, আলোচনা চক্ৰ আৰু সম্বৰ্ধনা অনুষ্ঠান। আলোচনা চক্ৰৰ আলোচ্য বিষয় "শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শনত সমাজবাদ।" আলোচনা চক্ৰৰ মুখ্য আলোচক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক মৃণাল কুমাৰ বৰুৱা। আলোচনা চক্ৰখনি সঞ্চালনা কৰিব লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামীয়ে। সন্ধ্যা ছয় বজাত বন্তি প্ৰজ্বলন আৰু বৰগীত পৰিৱেশন। বন্তি প্ৰজ্বলন কৰিব নামঘৰীয়া অনিল শইকীয়াই। নিশা আঠ বজাত অঞ্চলৰ বাচকবনীয়া শিল্পীসকলে "সীতা হৰণ বালী বধ" ভাওনা প্ৰদৰ্শন কৰিব। ভাওনাৰ পৰিচালক পিংকু শইকীয়া। অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ফণীন্দ্ৰ নাথ গায়নে ভাওনাখনি শুভ উদ্বোধন কৰিব। নিশা ১২ বজাত গুৰু বন্দনাৰে অনুষ্ঠানৰ সামৰণি হ'ব। গুৰুজনাৰ আৰ্বিভাৱ মহোৎসৱটি পৰিচালনা কৰিবলৈ প্ৰভাত ভূঞাক সভাপতি, প্ৰমোদ কলিতাক উপ-সভাপতি, জয়ন্ত কুমাৰ দাস আৰু বুবুল গায়ক সম্পাদক, হোমেশ্বৰ বৰা আৰু পঙ্কজ ভূঞাক সহঃসম্পাদক, পৰমানন্দ বৰাক কোষাধ্যক্ষ, অনিত্য ভূঞা আৰু বিনোদ ভূঞাক কৃষ্টি সম্পাদক, মহেন্দ্ৰ বৰা আৰু প্ৰতাপ চন্দ্ৰ দাসক সহ কৃষ্টি সম্পাদক আৰু জোণমণি ভূঞাক কাৰ্যালয় সম্পাদক আৰু অজয় ভূঞাক কাৰ্যালয় সহায়ক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰ গুৰুজনাৰ আৰ্বিভাৱ মহোৎসৱৰ তিনিওদিনৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা উদযাপন সমিতিয়ে কামনা কৰিছে।

## ন্যায়িক তদন্ত - দালাল আখ্যায়িত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰৰ দাবীত অনুসূচীত জাতি ছাত্ৰ সন্থাৰ থানাত আবেদন

# জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মহাপ্ৰয়াণক লৈ আজিও উত্তাল নাজিৰা

**অসম বাৰ্তা, নামতি, ২৮ ছেপ্টেম্বৰ ঃ** অসম আৰু অসমীয়া জাতিৰ হিয়াৰ আমঠু - জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মহাপ্ৰয়াণক লৈ আজিও উত্তাল হৈ আছে অসমৰ ৰাজপথ। শত সহস্ৰ জনতাৰ প্ৰাণৰ শিল্পীগৰাকীৰ এই ৰহস্যজনক মহাপ্ৰয়াণৰ ঘটনাৰ ন্যায়িক তদন্ত আৰু দালাল আখ্যায়িত সাংস্কৃতিক বেপাৰী শ্যামকানু মহন্ত আৰু শিল্পীজনাৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক আইনী শাস্তি প্ৰদানৰ দাবীত আজিও উত্তাল অসমৰ বিভিন্ন প্ৰান্তৰ লগতে নাজিৰাৰ ৰাজপথ। যোৱা কালি নিশা সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ নাজিৰা মহকুমা সমিতিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগিতা নিশা বাহিৰ কৰা হয় এক সমদল। প্ৰাণৰ শিল্পীগৰাকীৰ এদল অনুৰাগীয়ে বিষাদভৰা জুবিনৰ গীত গুণগুণাই শিল্পীগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰি বৈকুণ্ঠত স্থানপ্ৰাপ্তৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। পিছত নাজিৰা চাৰিআলিৰ পৰা বৰতলাস্থিত নাজিৰা ৰে'লৱে ষ্টেচনলৈকে হাতে হাতে ম'বাইলৰ ফ্লাচ লাইট জ্বলাই প্ৰতিবাদী সমদল বাহিৰ কৰে। প্ৰাণৰ শিল্পীগৰাকীৰ অনুৰাগী সকলে সমদত জুবিন দাৰ ৰহস্যজনক মৃত্যুৰ ন্যায়িক তদন্ত লাগে, জুবিন দা অমৰ হওক, দালাল আখ্যায়িত সাংস্কৃতিক বেপাৰী শ্যামকানু মহন্ত আৰু মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক শীঘ্ৰে গ্ৰেপ্তাৰ কৰক আদি ধৰ্ণাদি উত্তাল কৰি তোলে নাজিৰাৰ আকাশ-বতাহ। পিছত জনগণে কৰা জুবিন দাৰ ঘটনাৰ ন্যায়িক তদন্ত আৰু অভিযোগৰ ভিত্তিত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক আইনী শাস্তি প্ৰদানৰ দাবী জনাই সদৌ অসম অনূসূচিত জাতি ছাত্ৰ সন্থাৰ নাজিৰা মহকুমা সমিতিৰ সভাপতি দিগন্ত দাস আৰু সাধাৰণ সম্পাদক বিপিন দাসৰ স্বাক্ষৰত নাজিৰা আদৰ্শ আৰক্ষী থানাত এখন আবেদন দাখিল কৰে।

# মৰিগাঁৱত শাৰদীয় দুৰ্গোৎসৱ পৰিচালনাৰ বাবে জিলা প্ৰশাসনৰ এলানি নিষেধাজ্ঞা জাৰি

## টেলিফোন নম্বৰসহ নিয়ন্ত্ৰণ কক্ষ স্থাপন

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাত আগন্তুক শাৰদীয় দুৰ্গোৎসৱ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে জিলা প্ৰশাসনে এলানি নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা ২৯ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ বলবৎ হৈ থাকিব বুলি জিলা প্ৰশাসনে এক জাননী জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি দুৰ্গোৎসৱৰ সময়চোৱাত মৰিগাঁও চহৰৰ মাজেৰে দিবা-নৈশ বাছ, ট্ৰাক, ডাম্পাৰ আদি গধুৰ যান-বাহন সমূহ চলাচল কৰিব নোৱাৰিব। গুৱাহাটীৰ দিশৰ পৰা অহা যান-বাহন সমূহ চহৰখনৰ কৃষ্ণ মন্দিৰৰ কাষৰ পথেৰে সোমাই শনিবৰীয়া বজাৰৰ মাজেৰে গৈ মূল পথত উঠিব লাগিব আৰু নগাঁও দিশৰ পৰা অহা যান-বাহন সমূহ মৰিগাঁও অসামৰিক চিকিৎসালয় পথ অথবা শনিবৰীয়া বজাৰ পথেৰে প্ৰৱেশ কৰি কৃষ্ণ মন্দিৰৰ সমীপৰ পথেৰে ঘাইপথত উঠিব লাগিব। তদুপৰি মৰিগাঁও পৌৰসভা এলেকাৰ ভিতৰত সৰু যান-বাহন, বাইক আদিৰ গতি সীমা ঘণ্টাত মাত্ৰ ২০ কিলোমিটাৰ ধাৰ্য কৰা হৈছে। পূজা মণ্ডপৰ সমীপত দুচকীয়া, চাৰিচকীয়া আদি ব্যক্তিগত বাহন সমূহ পাৰ্কিঙৰ বেলিকা যান বাহন আৰক্ষীৰ সহযোগত পূজা সমিতি সমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। পূজা মণ্ডপ সমূহত সংশ্লিষ্ট সমিতিয়ে চিচি টিভিৰ কেমেৰা সংস্থাপন, পৰ্যাপ্ত পৰিমাণৰ পোহৰ আৰু বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা নিশ্চিত কৰিব লাগিব। পূজা মণ্ডপ সমূহত পুৱা ৭ বজাৰ আগত আৰু নিশা ১০ বজাৰ পাছত কোনো ধৰণৰ উচ্চ স্বৰৰ অনুভাষ যন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব। পূজাৰ অন্তত দেৱী বিসৰ্জনৰ বাবে মৰিগাঁও জিলা প্ৰশাসন আৰু পৌৰসভাই বাচনাঘাটৰ সমীপত নিৰ্ধাৰিত কৰা নিৰ্দিষ্ট স্থানত দেৱী বিসৰ্জন কাৰ্য সম্পন্ন কৰিব লাগিব। শাৰদীয় দুৰ্গোৎসৱৰ এই সময়চোৱাত জৰুৰীকালীন সেৱাৰ বাবে ৬০২৬৯০০৮৯৪ আৰু ১১২ নম্বৰৰ টেলিফোন আৰু এটা নিয়ন্ত্ৰণ কক্ষ স্থাপনৰ ব্যৱস্থা কৰিছে মৰিগাঁও জিলা প্ৰশাসনে।

## বানিয়াৰাপাৰা গৰেমাৰী বজাৰত উভালি পৰিল পঞ্চাশ বছৰীয়া আঁহত গছ

# ধুমুহাত প্ৰকাণ্ড গছ উভালি পৰি ব্যাৱসায়িক প্ৰতিষ্ঠানৰ বিস্তৰ ক্ষতি সাধন

**অসম বাৰ্তা, জনীয়া, ২৮ ছেপ্টেম্বৰ ঃ** ৰাজ্যত প্ৰচণ্ড গৰমে দহি থকা সময়তে হঠাৎ এজাক মুষলধাৰ বৰষুণৰ লগত অহা ধুমুহাৰ ফলত বানিয়াৰাপাৰা গৰেমাৰী বজাৰৰ ব্যাৱসায়িক প্ৰতিষ্ঠানৰ ওপৰত উভালি পৰে প্ৰকাণ্ড আঁহত গছ। যাৰ ফলত কেইবাখনো ব্যাৱসায়িক প্ৰতিষ্ঠানৰ বিস্তৰ ক্ষতি সাধন হয়। উল্লেখযোগ্য যে শনিবাৰে দুপৰীয়া প্ৰায় পঞ্চাছ বছৰীয়া এজোপা আঁহত গছ ধুমুহাত উভালি পৰাৰ ফলত ছয়খনকৈ ব্যাৱসায়িক প্ৰতিষ্ঠানৰ প্ৰায় পাঁচ লক্ষাধিক টকাৰ সামগ্ৰীৰ ক্ষতি সাধন হয়। ঘটনাত সৌভাগ্যক্ৰমে কোনো লোকে আঘাতপ্ৰাপ্ত হোৱা নাই যদিও লক্ষাধিক টকাৰ সামগ্ৰীৰ ক্ষতি হোৱাত চিন্তিত হৈ পৰিছে ক্ষুদ্ৰ ব্যাৱসায়ী সকল। ইপিনে প্ৰচণ্ড ধুমুহাৰ ফলত বানিয়াৰাপাৰা, গৰেমাৰী, কুমুল্লীপাৰা আদি কৰি বৰপেটাৰোড বিদ্যুত উপ সংমণ্ডলৰ অন্তৰ্গত কেইবাখনো গাঁৱত বিদ্যুত যোগান বন্ধ হৈ পৰিছে।

# জাঁজী জামুগুৰিৰ সাপ্তাহিক মহিলা বজাৰত জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, জাঁজী, ২৮ ছেপ্টেম্বৰ ঃ** সংগীতেৰে যুগৰ সৃষ্টি কৰা অসমীয়া ৰাইজৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ পিছত আজি জাঁজী জামুগুৰিৰ শনিবৰীয়া সাপ্তাহিক মহিলা বজাৰখন ৰাইজৰ বাবে খোলা হয় আৰু বজাৰ মুকলিৰ আৰম্ভণিতে শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অলংকৃতা মহিলা সমাজৰ তত্বাৱধানত জামুগুৰিত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত সপ্তাহৰ প্ৰতিটো শনিবাৰে স্থানীয় মহিলাসকলে বিক্ৰেতা হিচাপে অংশগ্ৰহণ কৰা এই বজাৰত আজি অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটি শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলনেৰে মুকলি কৰে বজাৰত গ্ৰাহক হিচাপে উপস্থিত থকা স্থানীয় জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক প্ৰাঞ্জল প্ৰতিম বড়াই। আনহাতে অলংকৃতা মহিলা সমাজৰ পৰামৰ্শদাতা তথা শনিবৰীয়া মহিলা বজাৰখনৰ পৰিচালিকা অনন্যা গগৈয়ে আঁত ধৰা এই অনুষ্ঠানত বজাৰখনৰ বিক্ৰেতা ৰূপালী শইকীয়া আৰু চম্পা বৰুৱাই শিল্পীগৰাকীৰ বিষয়ত বক্তব্য দিয়াৰ লগতে অসমীয়া ৰাইজৰ প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুৰ উচিত তদন্ত কৰি দোষীক শাস্তি দিবলৈ দাবী জনাই। অনুষ্ঠানত সভানেত্ৰী ৰুণু বৰুৱা, সম্পাদিকা বন্তি মালা হাতীবৰুৱা, জাঁজী কলেজৰ সহযোগী অধ্যাপক সুনন্দ দাস, মহাবিদ্যালয়ৰ কৰ্মচাৰী দণ্ডেশ্বৰ পাংগিং, স্থানীয় সমাজকৰ্মী দীপমণি গগৈ, গীতাঞ্জলি সন্দিকৈ, জোনমণি বৰা, নিলোৎপল গগৈ, চিলা শইকীয়া, আনন্দ শইকীয়া, ৰবীন বৰুৱা, অপৰূপা শইকীয়া, মণিকাঞ্চন গগৈয়েও শিল্পীগৰাকীৰ প্ৰতি অশ্ৰু অঞ্জলি আগবঢ়াই।

## ধুবুৰী চহৰৰ শক্তি সংঘ ক্লাবৰ পূজা মণ্ডপত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, ধুবুৰী, ২৮ ছেপ্টেম্বৰ ঃ** আজি ধুবুৰী চহৰৰ ১ নং ৱাৰ্ডস্থিত শক্তি সংঘ ক্লাবৰ উদ্যোগত অনুষ্ঠিত হোৱা দুৰ্গা পূজা মণ্ডপত অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে নাম-কীৰ্ত্তন পৰিৱেশন কৰে। ইপিনে পূজা মণ্ডপটো শুভ উদ্বধনী কৰে ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক দেবাশীষ বৰাই। অতিথি হিচাপে উপস্থিত থাকে ধুবুৰী-গৌৰীপুৰ উন্নয়ন প্ৰাধিকৰণৰ পৰিষদৰ অধ্যক্ষ দিপক কুমাৰ সাহা, পৌৰসভাৰ অধ্যক্ষ দেৱময সান্যাল, কমিটীৰ সদস্য সকল আৰু বিশিষ্ট ব্যক্তি সকল।

# জিলা পৰিবহণ বিভাগৰ উদ্যোগত ডুমডুমাত পথ সুৰক্ষা অভিযান

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৮ ছেপ্টেম্বৰ ঃ** পথ সুৰক্ষাৰ ক্ষেত্ৰত নীতি নিয়ম মানি চলক, নিজৰ জীৱন সুৰক্ষিত কৰক, আনৰো জীৱন সুৰক্ষিত কৰক, এই আহ্বানেৰে আজি তিনিচুকীয়া জিলা পৰিবহণ বিভাগ আৰু তিনিচুকীয়া জিলা পথ সুৰক্ষা সমিতিয়ে ডুমডুমাত ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে পথ সুৰক্ষা অভিযান চলায়। আজিৰ এই অভিযানৰ নেতৃত্ব দি তিনিচুকীয়া জিলাৰ পৰিবহণ বিষয়া কানাই মহন্তই কয়, ভাৰতবৰ্ষৰ ভিতৰত অসমত পথ দুৰ্ঘটনাৰ সংখ্যা বেছি আৰু ৰাজ্যখনৰ তিনিচুকীয়া জিলাতো এই পথ দুৰ্ঘটনাৰ সংখ্যা বেছি। সেয়ে তিনিচুকীয়া জিলা পৰিবহণ বিভাগ আৰু তিনিচুকীয়া জিলা পথ সুৰক্ষা সমিতিয়ে বিভিন্ন



সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে আৰু ডুমডুমাত আজি এই উদ্দেশ্যে সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰে। বিষয়া গৰাকীয়ে কয়, পথ দুৰ্ঘটনাৰ ভিতৰত দুচকীয়া বাহনৰ দুৰ্ঘটনাৰ সংখ্যা বেছি। ইয়াৰ কাৰণ হিচাপে তেওঁ কয় যে অত্যধিক গতি আৰু হেলমেট পৰিধান নকৰাতো। আজি তেওঁলোকে হেলমেট পৰিধান নকৰাকৈ বাহন চলাই অহা সকলক বিনামূলীয়াকৈ হেলমেট বিতৰণ কৰি বাহন চালকসকলক সজাগ কৰে। এইক্ষেত্ৰত পৰিবহণ বিভাগক জিলাখনৰ দুচকীয়া বাহনৰ ডীলাৰসকলে সহযোগিতা আগবঢ়ায়। আজিৰ এই সজাগতা কাৰ্যসূচীত অঞ্চলটোৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী ললিত গগৈ প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকি কাৰ্যসূচীত সহযোগিতা আগবঢ়ায়। এই খিনিতে মন কৰিবলগীয় যে কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া দুৰ্গা পূজাত যথেষ্ট লোকৰ সমাগম হ'ব। পূজা চাবলৈ যিসকল দুচকীয়া বাহনত দূৰ দূৰণিৰ পৰা আহিব তেওঁলোকে বাহনত হেলমেটটো থৈ গ'লে উভতি আহি হেলমেটটো নাপায়। সেয়েহে তেওঁলোকে হেলমেট পৰিধান কৰি আহিবলৈ অনীহা প্ৰকাশ কৰে। দুৰ্গা পূজা সমিতিসমূহে যদি হেলমেট সুৰক্ষিত ভাৱে ৰখাৰ ব্যৱস্থা কৰে তেনেহলে বাহনৰ গৰাকীয়ে হেলমেট লৈ আহিবলৈ দ্বিধাবোধ নকৰিব। এই ক্ষেত্ৰত পূজা সমিতিসমূহে কিছু চিন্তা কৰিব পাৰে বুলিও তেওঁলোকে আশা প্ৰকাশ কৰে।

## লাওখোৱা সমবায় সমিতিৰ সাধাৰণ সভাত প্ৰাণৰ শিল্পী জুবিনক স্মৰণ

**অসম বাৰ্তা, ৰূপহীহাট, ২৮ ছেপ্টেম্বৰ ঃ** লাওখোৱা সমবায় সমিতিৰ সাধাৰণ সভা আজি দিনৰ ভাগত অনুষ্ঠিত হয়। উক্ত সভাৰ আৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক স্মৰণ কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লাওখোৱা সমবায় সমিতিৰ সভাপতি মোক্তাদুল ইছলামৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক আবুল হুছেইনে। খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়াৰ উপস্থিত সভাখনত ২০২৫-২৬ বৰ্ষৰ বাবে বাজেট প্ৰস্তুত কৰা হয়। ইয়াৰ উপৰিও সভাখনত কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# বিনা বেতনে ২০ বছৰৰো অধিক কাল শিক্ষকতা কৰা প্ৰভাতী হালৈৰ আকস্মিক মৃত্যু

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৮ ছেপ্টেম্বৰ ঃ** "বিদ্যালয়খন এদিন প্ৰাদেশীকৃত হ'ব"- তেনে আশাত বিনা বেতনে ২০ বছৰৰো অধিক কাল ইয়াৰ ওচৰৰ বৰডুবি হাইস্কুলত শিক্ষকতা কৰা ডুমডুমাৰ চুক্ৰেটিং ৮ নম্বৰ নিবাসী সৰবৰহী শিক্ষয়িত্ৰী প্ৰভাতী হালৈ(৪৮)ৰ কালি সন্ধিয়া পৰত উচ্চ ৰক্তচাপ জনিত ৰোগত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ আকস্মিকভাৱে মৃত্যু হোৱাত বিদ্যালয়খনৰ পৰিয়ালৰ লগতে ডুমডুমা চহৰখনত গভীৰ শোকৰ ছাঁ পৰিছে। জনামতে কালি আবেলি পৰত অতি সুস্থ অৱস্থাত থকা প্ৰভাতীয়ে ডুমডুমা অসমীয়া পূজা মন্দিৰত হ'বলগীয়া দুৰ্গা পূজাখনৰ বাবে চান্দা সংগ্ৰহ কৰি সন্ধিয়াৰ আগে আগে ঘৰত সোমাই দুই এটা ঘৰৰ কাম কৰি ঘৰৰ বাহিৰলৈ ওলাই আহোঁতে হঠাৎ অচেতন হৈ মাটিত পৰি যায়। তেওঁক লগে লগে চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসাৰ সুবিধা পোৱাৰ পূৰ্বে মৃত্যু হয়। মৃতকে স্বামী, এক পুত্ৰ, পিতৃ-মাতৃ সহ বহু আত্মীয়ক ইহ সংসাৰত এৰি থৈ গৈছে। তেওঁ অসম সাহিত্য সভাৰ আজীৱন সভ্য আৰু ডুমডুমা অসমীয়া পূজা মন্দিৰৰ বিশিষ্ট সেৱিকা আছিল। কালি নিশা বহুসংখ্যক গুণমুগ্ধৰ উপস্থিতিত স্থানীয় শ্মশানঘাটত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁৰ বিয়োগৰ বতৰা প্ৰচাৰ হোৱাৰ পিছতে ডুমডুমা অসমীয়া পূজা মন্দিৰৰ ভক্তসকল আৰু ডুমডুমা নাগাৰা নাম সংঘৰ সদস্যসকলৰ উপস্থিতিত এখন শোকসভা অনুষ্ঠিত হয়। মৃতকৰ আত্মাৰ চিৰশান্তি কামনাৰে সভাই খন্তেক মৌন প্ৰাৰ্থনা জনায় আৰু শোক প্ৰস্তাৱ গ্ৰহণ কৰে। অসম চৰকাৰৰ মন্ত্ৰী ৰূপেশ গোৱালা, বৰডুবি হাইস্কুল, ডুমডুমা শাখা সাহিত্য সভা, চুক্ৰেটিং ৮ নম্বৰ দুৰ্গা পূজা সমিতি, 'ৰাৱিৰ্চ'ৰ ডুমডুমা আঞ্চলিক সমিতি, ডুমডুমা ৰামধেনু মহিলা চ'ৰা, ডুমডুমা নামঘৰ আদিয়ে তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি অভয়াপুৰীত মম শিখা সমদল

**অসম বাৰ্তা, লেংটিছিঙা, ২৮ ছেপ্টেম্বৰ ঃ** সংগীতেই নহয় বিভিন্ন ক্ষেত্ৰত মানবীয়তাৰ উৎকৃষ্ট নিদৰ্শন দাঙি সকলো জনগোষ্ঠী, বিভিন্ন ধৰ্মাৱলম্বী লোকৰ হিয়াৰ আমঠু হৈ পৰা শিল্পী জুবিন গাৰ্গৰ নশ্বৰ দেহৰ পৰিসমাপ্তিৰ পাছতো শোকবিহ্বল হৈ আছে জনতা। সংগীত শিল্পী তথা আৰ্তজনৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত খৰতকীয়া কৰা, অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ দাবীত আজি সন্ধিয়া অভয়াপুৰীৰ ৰাজপথ উত্তাল হৈ পৰে। অভয়াপুৰীবাসীয়ে ৰাজপথৰে হাতে-হাতে প্ৰজ্বলিত মম শিখা লৈ "জুবিন গাৰ্গ অমৰ হওক", "অভিযুক্তক গ্ৰেপ্তাৰ কৰক", "অৰ্থনৈতিক অপৰাধৰ তদন্ত হওক" আদি শ্ল'গানেৰে মুখৰিত কৰি তোলে জুবিন অনুৰাগীয়।

## ক্ষোভিত ৰাইজে ভাঙি লণ্ড-ভণ্ড কৰিলে বিলাসী বাহন, গতালে আৰক্ষীক

# চাৰিচকীয়া বাহনেৰে ড্ৰাগছ ক্ৰয় কৰিবলৈ গৈ ৰাইজৰ ৰোষত তিনি যুৱক

**অসম বাৰ্তা, জনীয়া, ২৮ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ বৰপেটা থানাৰ অন্তৰ্গত গৰেমাৰীত আজি ৰাইজে তিনিজনকৈ ড্ৰাগছ আসক্ত যুৱকক আটক কৰি গতাই দিয়ে আৰক্ষীক। AS01FR5989 নম্বৰৰ চাৰিচকীয়া বাহনৰে ড্ৰাগচ ক্ৰয় কৰিবলৈ গৈ ৰাইজৰ ৰোষত পৰে তিনিজনকৈ যুৱক। তিনিটাকৈ ড্ৰাগছ ভৰ্তি কেণ্টইনাৰৰ সৈতে তিনিজন যুৱকক আটক কৰে ৰাইজে। ধৃত ড্ৰাগছ আসক্ত যুৱক ক্ৰমে খন্দকাৰপাৰাৰ ছোৰমান আলী, আৰু বানিয়াৰাপাৰাৰ শ্বফিকুল ইছলাম। ইপিনে AS01FR5989 নম্বৰৰ চাৰিচকীয়া বিলাসী বাহনেৰে ড্ৰাগছ বিক্ৰি আৰু সৰ্বৰাহৰ অভিযোগত ৰাইজে ভাঙি লণ্ড কৰে বাহনখন আৰু উত্তম মাধ্যম দিয়ে চালকজনক। খবৰৰ ভিত্তিত ঘটনাস্থলীত বৰপেটা আৰক্ষী উপস্থিত হৈ যুৱক তিনিজনক আটক কৰি থানালৈ লৈ যায়। উল্লেখ্য যে গৰেমাৰীৰ কাবেল নামৰ ব্যক্তিজনে দীৰ্ঘদিন ধৰি ড্ৰাগছ বিক্ৰি কৰি যুৱ সমাজ ধ্বংস কৰাৰ লগতে সমাজৰ পৰিৱেশ বিনষ্ট কৰি আহিছে। দিনে নিশাই কাবেলৰ ঘৰত অচিনাকি লোক অহা যোৱা কৰে বুলি জানিবলৈ দিয়ে। প্ৰশ্ন হয় কাবেল নামৰ লোকজনে কাৰ আশীৰ্বাদত গৰোমাৰীত চলাই আছে ড্ৰাগছৰ ৰমৰমীয়া বেহা? ড্ৰাগছমুক্ত সমাজ গঢ়াৰ বাবে স্থানীয় ৰাইজে কাবেল নামৰ ব্যক্তিজনৰ ওপৰত জিলা প্ৰশাসনক বিহিত ব্যৱস্থা লবলৈ দাবী জনাইজে।

# ধিঙৰ মৈৰাধ্বজৰ ৪২ নং বুথত প্ৰধানমন্ত্ৰীৰ ১২৬ সংখ্যাক 'মন কি বাত'

**অসম বাৰ্তা, বটদ্ৰৱা, ২৮ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ নিজ ধিং উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪৬ নং মৈৰাধ্বজ গাঁও পঞ্চায়তৰ ৪২ নং বুথত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কি বাত' অনুষ্ঠানৰ এক বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত মৈৰাধ্বজ গাঁও পঞ্চায়তৰ সভাপতি তথা ৪২ নং বুথৰ সভাপতি জুলফিকাৰ আলীৰ নেতৃত্বত যুৱ সাংবাদিক কলিম উদ্দিন আহমেদৰ লগতে গাঁওবাসীৰ উৎসাহজনক উপস্থিতি পৰিলক্ষিত হয়। 'মন কি বাতৰ' অনুষ্ঠানটোৰ মুখ্য আকৰ্ষণ আছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জুবিন গাৰ্গক লৈ কৰা হৃদয়স্পৰ্শী বক্তব্য। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ১২৬ সংখ্যক 'মন কী বাত' 'মন কী বাত'ত জুবিন গাৰ্গৰ কথা উল্লেখ কৰি কয়, যে প্ৰধানমন্ত্ৰীয়ে "জুবিন গাৰ্গ আমাৰ মাজত সদায় জীয়াই থাকিব। ভৱিষ্যৎ প্ৰজন্মক মন্ত্ৰমুগ্ধ কৰি ৰাখিব জুবিন গাৰ্গে। অসমীয়া সংস্কৃতিৰ সৈতে গভীৰ সম্পৰ্ক আছে জুবিন গাৰ্গৰ। জুবিন গাৰ্গ অসমীয়া সংস্কৃতিৰ উজ্জ্বল নক্ষত্ৰ আছিল। সংগীতেৰে অসমতে নহয়, সমগ্ৰ ভাৰততে পৰিচিত আছিল জুবিন গাৰ্গ।" প্ৰধানমন্ত্ৰীৰ এই আবেগময় মন্তব্যই উপস্থিত সকলোৰে হৃদয় স্পৰ্শ কৰে আৰু জুবিন গাৰ্গৰ স্মৃতিৰে সকলো আৱেগাপ্লুত হয়। অনুষ্ঠানত জুবিন গাৰ্গৰ গীতৰ মাধ্যমেৰে অসমীয়া সংস্কৃতি আৰু সংগীতৰ প্ৰতি তেওঁৰ অৱদানৰ কথাও স্মৰণ কৰা হয়। এই কাৰ্যসূচীয়ে গাঁওবাসীৰ মাজত জুবিন গাৰ্গৰ অমৰ সৃষ্টি আৰু তেওঁৰ সংগীতৰ প্ৰভাৱৰ প্ৰতি এক গভীৰ শ্ৰদ্ধাৰ ভাৱ জাগ্ৰত কৰে। 'মন কি বাত'ৰ এই বিশেষ কাৰ্যসূচীয়ে স্থানীয় লোকসকলৰ মাজত ঐক্য আৰু সাংস্কৃতিক গৌৰৱৰ এক অনন্য বাৰ্তা প্ৰেৰণ কৰে।

## বৰ্ষাৰাণী দত্ত শ্ৰেষ্ঠ প্ৰতিযোগী, জ্যোতিময়ী বৰা দ্বিতীয়, ধৃতিময়ী বৰা তৃতীয়

# পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয়ত মাজুলী জিলাভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ২৮ ছেপ্টেম্বৰ ঃ** মাজুলীৰ পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয়ৰ ৩০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি, ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত মাজুলী জিলা ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা সফলতাৰে অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত আজি পুৱা দহ বজাৰ পৰা আৰম্ভ হোৱা উক্ত জিলা ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাখনত অৰ্ধ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰোপণ কোষৰ সৌজন্যত অনুষ্ঠিত হোৱা উক্ত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ প্ৰাক মুহূৰ্তত শিল্পী জুবিন গাৰ্গ, ড° ভূপেন হাজৰিকা আৰু পীতাম্বৰ দেৱ গোস্বামীৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰা হয়। শিল্পী জুবিন গাৰ্গৰ স্মৃতিত এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰাৰ লগতে সকলোৱে সমস্বৰে "মায়াবিনী ৰাতি...." গীতটো পৰিৱেশন কৰে। বিশিষ্ট শিল্পী তথা অৱসৰপ্ৰাপ্ত শিক্ষক কাজল দত্তৰ সঞ্চালনাত অনুষ্ঠিত হোৱা উক্ত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাখনত আদৰণী ভাষণ প্ৰদান কৰে পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ অধ্যক্ষ অৰূপজ্যোতি শইকীয়াই। যদু কলিতাই আঁত ধৰা উক্ত উচ্চ মানদণ্ডৰ প্ৰতিযোগিতাখনত মাজুলীৰ বিভিন্ন প্ৰান্তৰ পৰা অৰ্ধ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত বিচাৰকৰ আসন অলংকৃত কৰে বিশিষ্ট শিল্পী তথা সাংস্কৃতিক কৰ্মী ৰাতুল শইকীয়া, দেৱজিৎ শইকীয়া আৰু থানু কৃষ্ণ দত্তই। অতি উচ্চ মানদণ্ডৰ প্ৰতিযোগিতাখনত কণ্ঠশিল্পী তথা গড়মূৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী বৰ্ষাৰাণী দত্তই শ্ৰেষ্ঠ গায়িকাৰ সন্মান লাভ কৰে। প্ৰতিযোগিতাত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ ছাত্ৰী জ্যোতিময়ী বৰাই দ্বিতীয় স্থান আৰু পূব মাজুলীৰ এন এছ গ্ৰীণ উদ বিদ্যালয়ৰ ছাত্ৰী ধৃতিময়ী বৰাই তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাত জোনাকী জাতীয় বিদ্যালয়ৰ অভিনয়ন মিশ্ৰ আৰু কমলাবাৰীৰ তুষাৰ বৰুৱাই উদগনি বঁটা লাভ কৰে। প্ৰতিযোগিতাৰ অন্তত: বিজয়ী প্ৰতিযোগীসকলক নগদ ধন আৰু মানপত্ৰৰে পুৰস্কাৰ প্ৰদান কৰা হয়। পুৰস্কাৰ বিতৰণ অনুষ্ঠানত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ অৰূপজ্যোতি শইকীয়াই। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যাপিকা তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰোপণ কোষৰ সমন্বয়ক মাইনু পায়ুন আৰু অধ্যাপক কৰুণাভ ভূঞাই। উল্লেখযোগ্য যে উক্ত মাজুলী জিলা ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাখনত সহায় কৰা সহযোগী প্ৰতিষ্ঠানসমূহ আছিল - মাজুলীৰ কানাৰা বেংক, অসম গ্ৰামীণ বিকাশ বেংক, ৰিদ্ধি মটৰছ, পগাগ মটৰছ, টাটা ভীৰাল মটৰছ, গড়মূৰ ষ্টেট বেংকৰ শাখা, চিতাদাৰচুকৰ ডিম্পী এণ্টাৰপ্ৰাইজ আৰু গড়মূৰ দেৱ অট' ম'বাইল। উক্ত, অনুষ্ঠানত সহায়ক সকলো প্ৰতিষ্ঠানক উদযাপন সমিতিৰ সম্পাদক যদু কলিতাই কৃতজ্ঞতা জ্ঞাপন কৰে।



## মৰিগাঁৱত সংস্কাৰ ভাৰতী উদ্যোগত সম্বৰ্দ্ধনা সভা

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** ৰবিবাৰে দিনৰ ১০বজাত মৰিগাঁও জিলা সংস্কাভ ভাৰতী বৰঙাবাৰীস্থিত জিলা কাৰ্যালয়ত জিলাখনৰ বিভিন্ন দিশত প্ৰাৱদৰ্শীতা থকা বহুকেইগৰাকী শিল্পীক সংস্কাৰ ভাৰতী মৰিগাঁও জিলা সমিতে সম্বৰ্দ্ধনা জ্ঞাপন জনায়। জিলা সভাপতি তথা সত্ৰাধিকাৰ যাদৱ মহন্ত সভাপতিত্ব সম্পাদক প্ৰদীপ মহন্তই আট ধৰা এই অনুষ্ঠানত সত্ৰীয়া শিল্প মহেন্দ্ৰ মহন্ত, বায়ন হৰেশ্চৰ বৰা, নাট্যকাৰ দন্দীৰাম বৰা, অনাতাঁৰ শিল্পী তৰুণ মহন্ত, বায়ন ভগদত্ত মহন্ত সহ বহু কেইগৰাকী শিল্পী সাধকক সমূহীয়া ভাবে সম্বৰ্দ্ধনা জ্ঞাপন জনাই। এই সম্বৰ্দ্ধনা জ্ঞাপন অনুষ্ঠানত এই সকল সত্ৰীয়া সাধকৰ লগতে হিন্দ জাগৰণ অসমৰ প্ৰচাৰ প্ৰমুখ উৎপল নাথৰ লগতে সাংবাদিক সন্থাৰ অসমৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি পুলিন কাকতি আৰু সম্পাদক মিলন কাকতিও উপস্থিত থাকে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব

Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta

সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন